● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দেওবৰীয়া দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

জীৱনে আপোনাৰ ওপৰত এনে কিছুমান বস্তু আৰোপ কৰে যিবোৰক আপুনি নিয়ন্ত্ৰণ কৰিব নোৱাৰে; কিন্তু তথাপি আপুনি এইবোৰৰ মাজতে কিদৰে জীয়াই থাকিব সেয়া অন্ততঃ বাচি ল'ব পাৰে।

চেলিন ডিয়'ন
*কানাডাৰ গায়িকা*



www.dainikagradoot.in

৫ আন্তৰ্জাতিক শ্ৰমিক দিৱস
১৫ আমেৰিকাত অসমৰ ৰাইনা জাফৰৰ ইতিহাস
৪ গণতন্ত্ৰ আৰু সাম্প্ৰদায়িকতা পৰস্পৰ বৈৰী মতবাদ

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২০০তম সংখ্যা ● গুৱাহাটী ● দেওবাৰ ১৭ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Sunday 1 May 2022 মূল্য ঃ ৯.০০ টকা

■ নিশাৰ ভিতৰতে বৃদ্ধি পালে অন্নমুঠিৰ দাম ■ বৃহৎ ব্যৱসায়ীক চৰকাৰে বজাৰ হস্তান্তৰৰ পৰিণাম ভুগিছে জনতাই ■ বিনামূলীয়া বিতৰণত অগ্ৰাধিকাৰৰ ফলত মুকলি বজাৰত মূল্যবৃদ্ধি

# কুইণ্টলত পাঁচশ টকা বৃদ্ধি চাউলৰ মূল্য



*বজাৰত জ্বলিছে জুই ঃ মহানগৰীৰ এখন পাচলি বজাৰৰ দৃশ্য, শনিবাৰে।*

■ মূল্যবৃদ্ধিৰ মাধমাৰত হাহাকাৰ চৰকাৰী আঁচনিৰ আওতাৰ বাহিৰৰ নিম্ন আয়ৰ শ্ৰেণীৰ


দাইলৰ মূল্যও এবাতিৰ ভিতৰত কুইণ্টলত তিনিশ টকা পৰ্যন্ত বৃদ্ধি ■ দাম বাঢ়িছে শাক-পাচলিৰো

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** চৰকাৰে বজাৰ ব্যৱস্থাক বৃহৎ ব্যৱসায়ীক অনানুষ্ঠানিকভাৱে হস্তান্তৰ কৰাৰ পৰিণাম আকাশলংঘী মূল্যবৃদ্ধি আদায় দি ভুগিছে সাধাৰণ জনতাই। বৃহৎ ব্যৱসায়ীয়ে বজাৰ নিয়ন্ত্ৰণ কৰাৰ বাবেই সাধাৰণ জনতাৰ মূল্য নিয়ন্ত্ৰণৰ দাবী চৰকাৰৰ ওচৰত গুৰুত্বহীন হৈছে। তেনে ব্যৱসায়ীৰ কেঁকোৰা চেপাত উশাহ নোপোৱা অৱস্থাৰ সৃষ্টি হৈছে ৰাইজৰ। চৰকাৰ ব্যস্ত কেৱল ভোটবেংকৰ ৰাজনীতিৰে হিতাধিকাৰী সৃষ্টিৰ আঁচনিতহে। বজাৰত যে মূল্যবৃদ্ধিৰ জুই জ্বলিছে তালৈ কাণ দিয়াৰ প্ৰয়োজনবোধ চৰকাৰে মুঠেও কৰা নাই। হিতাধিকাৰী হিচাপে লাভ কৰা সা-সুবিধাৰ বাদেও দৈনন্দিন জীৱন-যাত্ৰাত আৰু বহু কিবা-কিবিৰ প্ৰয়োজন হয়, সেই কথা জানো চৰকাৰে উপলব্ধি কৰিছে? মূল্যবৃদ্ধিৰ মাধমাৰেৰে হিতাধিকাৰী হিচাপে লাভ কৰা ৰেহাই অন্য প্ৰয়োজনীয় সামগ্ৰীৰ চৰা দামেৰে চৰকাৰেই কাঢ়ি নিছে। মুঠৰ ওপৰত বৃহৎ ব্যৱসায়ীৰ হাতত জনসাধাৰণক এৰি দি ৰং চাইছে চৰকাৰে। *১০ পৃষ্ঠাত চাওক*

প্ৰায় নিৰপেক্ষ

**ধীমান সিন্‌হাৰ পষেকীয়া কলম**

## ছাত্ৰ ৰাজনীতি, আধুনিকোত্তৰ প্ৰেক্ষাপটত



সাহিত্য, সমাজতত্ত্ব আনকি ৰাজনৈতিক ধাৰা সম্পৰ্কীয় শৈলী বা প্ৰকাশৰ ধৰণক আধুনিক যুগৰ পাছত উত্তৰ আধুনিক হিচাপে পোষ্ট মডাৰ্ণ সংজ্ঞায়িত কৰা হয়। ঠিক চন তাৰিখ ধৰি নহয়, কিন্তু ৭০ৰ দশকৰ পৰা ৯০ৰ দশকৰ সমাজবাদৰ পতনৰ পাছত বিংশ শতিকাৰ আধুনিক বুলি ভবা মূল্যবোধ আৰু সংবেদনা তথা ৰাজনৈতিক চিন্তাধাৰাসমূহ সম্পূৰ্ণ নতুন আলোকত *১০ পৃষ্ঠাত চাওক*

দুটা পক্ষৰ আহত পাঁচ

## জে বি কলেজত ছাত্ৰ একতাৰ নিৰ্বাচনত সংঘৰ্ষ




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৩০ এপ্ৰিল ঃ** ঐতিহ্যমণ্ডিত জগন্নাথ বৰুৱা মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনক কেন্দ্ৰ কৰি আজি পুৱতি নিশা সংঘটিত হয় হিংসাত্মক ঘটনা। মহাবিদ্যালয়খনৰ ছৈয়দ আব্দুল মালিক ছাত্ৰাবাসৰ পৰা পুৱতি নিশা তিনি *আঠ পৃষ্ঠাত চাওক*

■ গণতন্ত্ৰত চৰকাৰ-কাৰ্যপালিকা-ন্যায় ব্যৱস্থাৰ মাজৰ লক্ষণ ৰেখা সকলোৱে মানি চলক ঃ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰামানা

## দেশৰ ন্যায় ব্যৱস্থাত ৰাজনৈতিক হস্তক্ষেপৰ ইংগিত মুখ্য ন্যায়াধীশৰ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩০ এপ্ৰিল ঃ** দেশৰ ন্যায় ব্যৱস্থাত ৰাজনৈতিক হস্তক্ষেপৰ গুৰুতৰ অভিযোগৰ মাজতে আজি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানায়ো তাৰেই স্পষ্ট ইংগিত দিয়ে। দেশৰ ন্যায় ব্যৱস্থাৰ পৰিকাঠামো উন্নত কৰাক লৈ আজি দিল্লীৰ বিজ্ঞান ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকল আৰু উচ্চতম ন্যায়ালয়ৰ



মুখ্য ন্যায়াধীশৰ লগতে ৰাজ্যসমূহৰ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ উপস্থিতিত আয়োজিত এখন সভাত মুখ্য ন্যায়াধীশ ৰামানাই কয় যে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৱলী চৰকাৰ, সংসদ আৰু ন্যায় ব্যৱস্থাৰ মাজত ক্ষমতাৰ স্পষ্ট ভাগবাটোৱাৰা কৰা আছে। সেয়েহে প্ৰত্যেকে নিজ নিজ ক্ষমতাৰ মাজত থাকিহে আগবাঢ়িব লাগে। সেই লক্ষণ ৰেখা অতিক্ৰম কৰাটো উচিত নহয় আৰু তাৰ বাবে *১০ পৃষ্ঠাত চাওক*

বেআইনীভাৱে বিদেশী মুদ্ৰা লেনদেনৰ অভিযোগ

## চাওমিৰ চাৰে পাঁচ হেজাৰ কোটি বাজেয়াপ্ত কৰিলে ইডিয়ে

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩০ এপ্ৰিল ঃ** বেআইনীভাৱে বিদেশী মুদ্ৰা লেনদেনৰ অভিযোগ উত্থাপিত হৈছে স্মাৰ্টফোন কোম্পানী ঝাওমি ইণ্ডিয়াৰ বিৰুদ্ধে। *আঠ পৃষ্ঠাত চাওক*

■ ৰিজাৰ্ভ বেংকৰ সকীয়নি ■ জিডিপিৰ তুলনাত চৰকাৰী দেনাৰ পৰিমাণ হ্ৰাস কৰাটো জৰুৰী ■ ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰো প্ৰভাৱ

## ক'ভিডে ভংগুৰ কৰা অৰ্থনীতিলৈ ১২ বছৰৰ পাছতহে আহিব সুদিন

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩০ এপ্ৰিল ঃ** ক'ভিডৰ ফলত অৰ্থনীতিত যি ক্ষতি হৈছে, সেয়া পূৰণ কৰিবলৈ আৰু ১২ বছৰ লাগিব। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মতে, অতিমাৰীৰ আঘাতত সৃষ্টি হোৱা অৰ্থনীতিৰ ক্ষত কমেও ২০৩৪-৩৫তহে নিৰাময় হ'বগৈ। ক'ভিড আৰু তলাবন্ধৰ ফলত দেশৰ



অৰ্থনীতিৰ গতি কাৰ্যতঃ স্তব্ধ হৈ পৰিছিল। অতিমাৰীৰ প্ৰথম আঘাততেই দেশৰ অৰ্থনীতি বা জিডিপিৰ ৬.৬ শতাংশ সংকোচন ঘটিছিল। আজি ৰিজাৰ্ভ বেংকে নিজৰ বাৰ্ষিক 'মুদ্ৰা আৰু বিত্ত' শীৰ্ষক প্ৰতিবেদনত উল্লেখ কৰিছে যে আৰ্থিক কাম-কাজলৈ গতি আহিলেও এতিয়াহে সেয়া ক'ভিডৰ আগৰ পৰ্যায়ত উপনীত *১০ পৃষ্ঠাত চাওক*

দিল্লীত বিত্তমন্ত্ৰী সীতাৰমণক সাক্ষাৎ মুখ্যমন্ত্ৰী শৰ্মাৰ ■ মেৱানীৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়লৈ যাবলৈ মহিলা আৰক্ষীক অনুমতি

## মূলধনী প্ৰকল্পৰ বাবে অসমে পাব অতিৰিক্ত ২,৬০০ কোটি টকা




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** অসম চৰকাৰে চলিত বৰ্ষত ৰূপায়ণ কৰিবলগীয়া কে'বাটাও মূলধনী প্ৰকল্পৰ বাবে কেন্দ্ৰীয় চৰকাৰে অতিৰিক্তভাৱে দিব ২,৬০০ কোটি টকা। আজি দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাতৰ পাছত *১০ পৃষ্ঠাত চাওক*

**সংগ-প্ৰসংগ**

**■ দয়ানন্দ পাঠক**

## নাৰায়ণ চন্দ্ৰ দেৱ গোস্বামী




**এয়া** ২০০৯ৰ পাঁচ এপ্ৰিলৰ কথা, গুৱাহাটীৰ প্ৰাগজ্যোতিষ কলেজৰ অধ্যক্ষ হিচাপে কাম কৰি থকা সময়ত মাজে-মধ্যে অসমীয়া বিভাগতো দুই-এটা ক্লাছ কৰিছিলো। ক্লাছ কৰাৰ পাছত ছাত্ৰ-ছাত্ৰীসকলৰ লগত সম্পৰ্ক অধিক ঘনিষ্ঠ হয়। ছাত্ৰ-ছাত্ৰীসকলেও শিক্ষকৰ লগত ভাৱৰ আদান-প্ৰদান কৰাৰ সুবিধা পায়। এবাৰ অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীসকলে মাজুলীলৈ যোৱাৰ এটা প্ৰস্তাৱ আমাৰ সন্মুখত দাঙি ধৰিলে। মাজুলীৰ প্ৰতি আমাৰ মনতো বিশেষ আকৰ্ষণ আছিল। আমি ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীক লৈ তিনিগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰী আৰু আমি *১০ পৃষ্ঠাত চাওক*

■ চাৰি ঘণ্টা বাকবিতণ্ডাৰ অন্তত ক্ষান্ত হ'ল ৰেল বিষয়া-সুৰক্ষাকৰ্মী ■ বনকৰ্মীক ভাবুকি

## দীপৰ বিলত সমুখ সমৰত ৰেল-বন বিভাগ





**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** ৰাজধানী মহানগৰীৰ গাতে লাগি থকা এক বিস্তৃত জলাহভূমি তথা অতি গুৰুত্বপূৰ্ণ পক্ষী সংৰক্ষিত অঞ্চল দীপৰ বিলৰ মাজেৰে যোৱা কামাখ্যা-আজাৰা সংযোগী ৰেলপথ বৈদ্যুতিকৰণক কেন্দ্ৰ কৰি সম্প্ৰতি সন্মুখ সমৰত লিপ্ত হৈছে ৰেল আৰু বন বিভাগ। এফালে দীপৰ বিলৰ সংশ্লিষ্ট অঞ্চলত *আঠ পৃষ্ঠাত চাওক*

১০ দিনীয়া আইনী যুঁজৰ পাছত জামিন লাভ

## চৰকাৰক প্ৰত্যাহ্বান জনাই গুজৰাটলৈ উভতিল মেৱানী



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/কোকৰাঝাৰ, ৩০ এপ্ৰিল ঃ** কোকৰাঝাৰ আৰু বৰপেটাৰোড আৰক্ষী থানাত ৰুজু হোৱা দুটা পৃথক গোচৰত জামিন লাভ কৰি আজি সন্ধিয়া ১০ দিনৰ মূৰত গৃহৰাজ্য গুজৰাটলৈ প্ৰত্যাৱৰ্তন কৰে ৰাজ্যখনৰ ৰাডগামৰ বিধায়ক জিগনেশ মেৱানী। তাৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছে তেওঁক গীত-মাতেৰে সম্ভাষণ জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গুজৰাট ভ্ৰমণৰ *১০ পৃষ্ঠাত চাওক*


নিশা দুৰ্বৃত্তই জ্বলালে ট্ৰাক

## গোসাঁইগাঁৱত আৰক্ষীৰ গুলিত আহত ড্ৰাগছ সৰবৰাহকাৰী

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ৩০ এপ্ৰিল ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱত যোৱা নিশা আৰক্ষীৰ গুলিচালনাত এজন ড্ৰাগছ সৰবৰাহকাৰী গুলিবিদ্ধ হোৱাৰ লগতে ড্ৰাগছ কঢ়িয়াই অনা এখন ট্ৰাক আৰক্ষীৰ জিম্মাতে দুৰ্বৃত্তই জ্বলাই দিয়াৰ ঘটনা সংঘটিত *আঠ পৃষ্ঠাত চাওক*

**মাহে ৰমজান**

**ইফটাৰ**
আজি আবেলি ঃ ৫.৫৫ বজা
**ছেহেৰী**
কাইলৈ পুৱা ঃ ৩.২৩ বজা
** গুৱাহাটীৰ সময়*




| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ২১° |
| ডিব্ৰুগড় | ২৪° | ১৯° |
| দিল্লী | ৪৪° | ২৯° |
| কলকাতা | ৩৪° | ২৭° |
| মুম্বাই | ৩৩° | ২৮° |
| চেন্নাই | ৩৫° | ২৯° |
| বাংগালুৰু | ৩৪° | ২২° |
| শ্বিলং | ২০° | ১৪° |

*৩০ এপ্ৰিল, ২০২২*

প্ৰাথমিক শিক্ষক সন্মিলনীৰ শোক

## ম'বাইল ব্যৱহাৰ নজনা বাবেই শিক্ষকৰ আত্মহত্যা



**অগ্ৰদূত বাৰ্তা**
**বিহপুৰীয়া, ৩০ এপ্ৰিল ঃ** এনৰ'ইড ম'বাইল ব্যৱহাৰ কৰিব নজনাৰ বাবেই বিহপুৰীয়াৰ এখন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকে আত্মহননৰ পথ বাছি লোৱাৰ ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। *১০ পৃষ্ঠাত চাওক*

৪০-৫০ টকাকৈ বৃদ্ধি প্ৰতিবিধ সামগ্ৰীৰ মূল্য

## সেমেকা ঈদৰ বজাৰত মূৰে-কপালে হাত গ্ৰাহকৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** ইছলাম ধৰ্মাৱলম্বী লোকসকলে অহা তিনি মে'ত পালন কৰিব শান্তি-ভ্ৰাতৃত্ববোধ আৰু প্ৰেমৰ বাৰ্তা বহন কৰা পৱিত্ৰ উৎসৱ ঈদ-উল-ফিটৰ। এমাহজোৱা কঠোৰ ৰোজা পালন কৰাৰ অন্তত ঈদৰ ন-জোন প্ৰত্যক্ষ কৰি উদযাপন কৰিব এই পৱিত্ৰ উৎসৱ। ঈদ উপলক্ষে সম্প্ৰতি ৰাজ্যজুৰি *আঠ পৃষ্ঠাত চাওক*

ৰাজ্যত সক্ৰিয় আলফা-কেএলঅ' ঃ এডিজিপি নাথ

## অসমসহ উত্তৰ-পূৰ্বক লৈ জেহাদীৰ পৰিকল্পনা দীৰ্ঘদিনীয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** অসমত আনচাৰুল বাংলা টীম (এ বি টি) নামৰ জেহাদী সংগঠনটোলৈ ক'ৰ পৰা ধনৰ সোঁত বৈছিল তাৰ অনুসন্ধান অব্যাহত ৰাখিছে আৰক্ষীয়ে। *১৩ পৃষ্ঠাত চাওক*






দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ১ মে', ২০২২ দেওবাৰ পৃষ্ঠা তিনি

## বিৰোধী নেতাক হেয় প্ৰতিপন্ন কৰিবলৈ মহিলা আৰক্ষীক ব্যৱহাৰ কৰাটো লজ্জাজনক ঃ খালেক

**পাঠশালা, ৩০ এপ্ৰিল ঃ** 'বিৰোধী নেতাক হেয় প্ৰতিপন্ন কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা আৰক্ষীক ব্যৱহাৰ কৰাটো অতি লজ্জাজনক। কালি বৰপেটা সত্ৰ ন্যায়াধীশ আদালতে দিয়া ৰায়দানক আমি স্বাগতম জনাইছো। কাৰণ বিগত দিনত ন্যায় পালিকাৰ ওপৰতো জনগণৰ আস্থা কমি আহিছিল। এনে ৰায়দানে এতিয়া আদালতৰ ওপৰত আস্থা বৃদ্ধি কৰিব।' এই মন্তব্য বৰপেটা লোকসভা সমষ্টিৰ সাংসদ আব্দুল খালেকৰ। আজি বজালী জিলাৰ নৱ নিযুক্ত সভাপতি গিৰীশ পাটগিৰীৰ মাতৃ বিয়োগৰ খবৰ ল'বলৈ আহি সাংসদজনে কয়, 'আদালতে আৰক্ষীৰ জিম্মাত চিচি টিভি সংযোগৰ যি সিদ্ধান্ত আগবঢ়াইছে সেয়া সঠিক সিদ্ধান্ত। নহ'লে আমি চৰকাৰৰ কিবা সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ কৰিলে আমাকো গ্ৰেপ্তাৰ কৰি গাড়ীত ভৰাই এনকাউণ্টাৰ আঠ পৃষ্ঠাত চাওক

## গুৱাহাটীত মহিলা আৰক্ষী নমাই প্ৰতিবাদ নিয়ন্ত্ৰণৰ কৌশল প্ৰশাসনৰ

# মূল্যবৃদ্ধিৰ বিৰুদ্ধে জাতীয় পৰিষদৰ প্ৰতিবাদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** পৰ্বতসম, অসহনীয় মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত অব্যাহত আছে অসম জাতীয় পৰিষদৰ প্ৰতিবাদ। আজিও ৰাজ্যজুৰি দলটোৱে জাতীয় বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। 'হয় মূল্য নিয়ন্ত্ৰণ কৰক, নহ'লে চৰকাৰে গাদী এৰক' মূলতঃ এই শ্ল'গানেৰে ৰাজ্যৰ প্ৰায় আটাইকেইখন জিলাৰ সদৰত কেবাসহস্ৰাধিক লোকে চৰকাৰৰ বিৰুদ্ধে শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। গুৱাহাটীত দলৰ কামৰূপ মহানগৰ জিলাৰ উদ্যোগতো ৰাজ্যৰ আৰ্থিক ৰাজধানীস্বৰূপ ফাঁচী বজাৰৰ মাজমজিয়াত জাতীয় পৰিষদৰ কে'বাশ প্ৰতিবাদকাৰীয়ে চৰকাৰ আৰু মুনাফাখোৰ বণিয়া গোষ্ঠীৰ বিৰুদ্ধে শ্ল'গান দিয়ে। মূল্যবৃদ্ধিত চৰকাৰে আওপকীয়াকৈ অৰিহণা যোগাই অহাৰ প্ৰতিবাদত তথা মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ দাবীত জাতীয় পৰিষদে আৰম্ভ কৰা ধাৰাবাহিক প্ৰতিবাদী কাৰ্যসূচীৰ দ্বিতীয় লানি কাৰ্যসূচী হিচাপে আজি দলে ৰূপায়ণ কৰা এই জাতীয় বিক্ষোভ কাৰ্যসূচীত দলৰ সদস্যৰ লগতে সাধাৰণ নাগৰিকেও অংশগ্ৰহণ কৰে। উল্লেখ্য যে ভাল দিনৰ প্ৰতিশ্ৰুতি দি ক্ষমতালৈ অহা বিজেপি চৰকাৰৰ দিনত সকলো ধৰণৰ সামগ্ৰীৰ অনিয়ন্ত্ৰিত মূল্যবৃদ্ধিয়ে জনসাধাৰণৰ ওপৰত অসহনীয় বোজা জাঁপি দিছে। দাৰিদ্ৰতাৰ পীড়া সহিব নোৱাৰি ইতিপূৰ্বে ৰাজ্যত বহুকেইগৰাকী লোকে আত্মহত্যা পৰ্যন্ত কৰিবলগীয়া হৈছে। এনে পৰিস্থিতিত আঠ পৃষ্ঠাত চাওক



## তামুলপুৰৰ কচুবাৰীৰ গৌজন ফৌথাৰত দুই-চাৰি মে'ত বড়ো সাহিত্য সভাৰ ৬১সংখ্যক অধিবেশন

## বড়ো সাহিত্য সভাৰ লক্ষ্য এক বৃহত্তৰ শৃংখলাবদ্ধ অসমীয়া জাতি গঠন ঃ তৰেন

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ৩০ এপ্ৰিল ঃ** অহা দুই, তিনি আৰু চাৰি মে'ত তামুলপুৰ জিলাৰ কচুবাৰীৰ গৌজন ফৌথাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বড়ো সাহিত্য সভাৰ ৬১সংখ্যক তামুলপুৰ অধিবেশন অনুষ্ঠিত হ'ব। প্ৰতিকূল বতৰৰ মাজতে অধিবেশনলৈ দুটা দিন বাকী থকা অৱস্থাত চলিছে যুদ্ধকালীন প্ৰস্তুতি। কচুবাৰীৰ অধিবেশনস্থলী গৌজন ফৌথাৰত বড়ো সাহিত্য সভাৰ তৰফৰ পৰা আজি এখন সংবাদমেল অনুষ্ঠিত কৰা হয়। এই সংবাদমেলৰ জৰিয়তে তামুলপুৰ অধিবেশন সফল কৰি তুলিবলৈ সকলো জাতি-জনগোষ্ঠীলৈ সভাই আহ্বান জনায়। সংবাদমেলত অংশগ্ৰহণ কৰি বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োৱে কয়, 'বড়ো সাহিত্য সভাৰ ৬১সংখ্যক তামুলপুৰ অধিবেশন প্ৰতিটো জাতি-জনগোষ্ঠীৰ মিলনভূমিত পৰিণত হ'ব। অধিবেশনত এই অঞ্চলৰ সকলো জাতি-জনগোষ্ঠীৰ যথেষ্ট সহাৰি পোৱা গৈছে। এই অধিবেশনৰ জৰিয়তে বড়ো সাহিত্য সভাই এটা বৃহত্তৰ শৃংখলাবদ্ধ অসমীয়া জাতি গঠনৰ বাবে লক্ষ্য স্থিৰ কৰি লৈছে।' সভাপতি বড়োৱে পুনৰ কয়, 'অধিবেশনৰ প্ৰতিনিধি সভাত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত কেনেকৈ বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰী সকলক ই-লাৰ্নিং, ই-টিচিং আৰু ই-এডুকেছন কেনেদৰে ল'ব পাৰি, কেনেদৰে আধুনিক তথ্য-প্ৰযুক্তিৰ কাৰিকৰী শিক্ষা গ্ৰহণ কৰি আগুৱাই যাব পাৰি সেই সম্পৰ্কে বিস্তাৰিতভাৱে আলোচনা কৰা হ'ব।' লগতে বড়োসকলৰ বিভিন্ন আঠ পৃষ্ঠাত চাওক

## বিজয়নগৰত ২০ লক্ষাধিক টকাৰ ম'বাইল লুটি নিলে চোৰে

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ৩০ এপ্ৰিল ঃ** বিজয়নগৰ আৰক্ষী চকীৰ অন্তৰ্গত দক্ষিণ কামৰূপৰ বাণিজ্যিক কেন্দ্ৰ বিজয়নগৰত যোৱা ২৮ এপ্ৰিলৰ নিশা এক চুৰি কাণ্ড সংঘটিত হয়। বিজয়নগৰৰ আঠ পৃষ্ঠাত চাওক

## লাহদৈগড়ত ধন দাবীৰ গোচৰ গ্ৰেপ্তাৰ ভুৱা শ্ৰমিক নেতা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৩০ এপ্ৰিল ঃ** নিজকে শ্ৰমিক সংগঠনৰ নেতা বুলি পৰিচয় দি ব্লেক মেইল আৰু ধন দাবী কৰি অহা বৈদিহা চাহ বাগিচাৰ যুৱক লক্ষ্মণ চাওৰাক যোৱা নিশা নিমাতী আৰু লাহদৈগড় আঠ পৃষ্ঠাত চাওক

## উত্তৰ-পূৱ ভাৰতৰ ভিতৰত প্ৰথমখন গৰু এম্বুলেন্সৰ মুকলি ডিব্ৰুগড়ত

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ৩০ এপ্ৰিল ঃ** উত্তৰ-পূৱত প্ৰথমবাৰৰ বাবে আৰম্ভ হ'ল গৰু এম্বুলেন্স। ডিব্ৰুগড়ত মুকলি কৰা হৈছে এখন অত্যাধুনিক গৰুৰ এম্বুলেন্স। ডিব্ৰুগড়ৰ গোপাল গোশালাত এই 'কাউ এম্বুলেন্স' মুকলি কৰে ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে। গুৰুতৰভাৱে অসুস্থ আৰু আঘাতপ্ৰাপ্ত গৰুৰ দ্ৰুত চিকিৎসাৰ বাবে এই অত্যাধুনিক এম্বুলেন্স সেৱা মুকলি কৰি গোপাল গোশালা কৰ্তৃপক্ষই কোনো গৰু যাতে বিনা চিকিৎসাই মৃত্যু হ'ব নোৱাৰে তাৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা বুলি কয়। বিগত দুবছৰত গোশালা কৰ্তৃপক্ষই ৫২ টা আঘাতপ্ৰাপ্ত গৰু উদ্ধাৰ কৰিছিল যদিও সময়মতে আৰু সঠিক উপায়েৰে উদ্ধাৰ কৰিব নোৱাৰাত ইয়াৰ ১৬ টা গৰুহে ৰক্ষা কৰিবলৈ সক্ষম হয়। গৰু এম্বুলেন্স প্ৰৱৰ্তনৰ দ্বাৰা সঠিক সময়ত আঘাতপ্ৰাপ্ত গৰু চিকিৎসালয়লৈ নি ৰক্ষা কৰিবলৈ সক্ষম হ'ব বুলি তেওঁলোকে আশা কৰে। উল্লেখ্য যে গোপাল গোশালাতে এখন পশু চিকিৎসালয় আছে। য'ত ৰুগীয়া গৰুসমূহৰ চিকিৎসা কৰা হয়। সুদূৰ আহমেদাবাদৰ পৰা ক্ৰয় কৰা এম্বুলেন্সখন হাইড্ৰলিক লিফ্‌টিং প্ৰণালী লগোৱা আছে, ইয়াৰ জৰিয়তে যিকোনো আঘাতপ্ৰাপ্ত গৰু সহজে এম্বুলেন্সত উঠাব পৰা যায়। আজিৰ অনুষ্ঠানত গোপাল গোশালাৰ সাধাৰণ সম্পাদক অশোক ধনুকা, সভাপতি নিৰ্মল বেৰিয়া, পৌৰপতি ড° সৈকত পাত্ৰসহ অন্যান্যসকল উপস্থিত থাকে। উল্লেখ্য যে ভাৰতৰ প্ৰথম গৰু এম্বুলেন্সৰ আৰম্ভ কৰিছিল উত্তৰ প্ৰদেশত। এটা ট'লিফ্ৰ নম্বৰৰ জৰিয়তে এই এম্বুলেন্স সেৱা ২৪ ঘন্টাই সেৱা আগবঢ়োৱাৰ লগতে বিনামূলীয়া হ'ব বুলি জানিবলৈ দিছে সামাজিক সংস্থাটোৱে।

পুঁজিৰ সঠিক ব্যৱহাৰ হ'লে আৰু দিম ঃ ডেকা

## বৰপেটা আতচবাজী উদ্যোগলৈ ছিতাৰ ১৫ লাখ



**বিশেষ সংবাদদাতা**

**বৰপেটা, ৩০ এপ্ৰিল ঃ** বৰপেটাৰ প্ৰসিদ্ধ পৰম্পৰাগত আতচবাজী উদ্যোগক কিছু সকাহ দিয়াৰ উদ্দেশ্যে ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগ (ছিতা)ৰ তৰফৰ পৰা প্ৰথমবাৰলৈ ১৫ লাখ টকাৰ এক আৱৰ্তক নিধি আগবঢ়াইছে। আয়োগৰ উপাধ্যক্ষ ৰমেন ডেকাই আজি বৰপেটাত এই সংক্ৰান্তীয় ড্ৰাফ্‌টখন আনুষ্ঠানিকভাৱে জিলা উপায়ুক্ত আৰু বৰপেটা আতচবাজী শিল্প সমবায় সমিতিৰ হাতত অৰ্পণ কৰে। এই উপলক্ষে বৰপেটা অফিচাৰ্ছ ক্লাবত আয়োজিত এখন সভাত তেওঁ কয়, 'বৰপেটাৰ থলুৱা আতচবাজী উদ্যোগৰ বাবে আমাৰ চৰকাৰে কিবা আঠ পৃষ্ঠাত চাওক

## অমৃত সৰোবৰ জোখ-মাখ কৰিবলৈ যোৱা পঞ্চায়ত কৰ্মীক আক্ৰমণৰ চেষ্টা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩০ এপ্ৰিল ঃ** তেজপুৰৰ ভালুকঝাৰণি অঞ্চলত চৰকাৰী আঁচনিৰ অধীনত পুখুৰীৰ বাবে প্ৰয়োজনীয় মাটি চিহ্নিত কৰিবলৈ যোৱা দুজন পঞ্চায়ত কৰ্মীক শতাধিক লোকে আক্ৰমণ কৰিবলৈ উদ্যত হোৱাৰ এক ঘটনা পোহৰলৈ আহিছে। উল্লেখ্য যে শোণিতপুৰৰ তেজপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা বালিপৰা উন্নয়ন খণ্ডৰ অধীনত শেহতীয়াকৈ চৰকাৰৰ অমৃত সৰোবৰ আঁচনিৰ অধীনত পুখুৰী খননৰ বাবে স্থান নিৰ্ণয়ৰ কাম আৰম্ভ হৈছে। উক্ত আঁচনিখনৰ বিষয়ে প্ৰকৃততে এই পৰ্যন্ত ৰাইজে কোনো কথাই জ্ঞাত হোৱা নাই। তদুপৰি ৰাজ্যৰ উন্নয়ন খণ্ডসমূহলৈ আঁচনিখনৰ সন্দৰ্ভত এক নিৰ্দেশনা আহিলেও ইয়াৰ বিপৰীতে কিমান পৰিমাণৰ ধন আবণ্টিত হ'ব সেয়াও স্পষ্ট হোৱা নাই। কিন্তু এই আঁচনিৰ অধীনত এটা পুখুৰী খননৰ বাবে এক হেক্টৰ ভূমিৰ প্ৰয়োজন। ৰাজ্যৰ উন্নয়ন খণ্ডসমূহৰ দৰেই বালিপৰা আঠ পৃষ্ঠাত চাওক

## কাছুমাৰাত নাও দুৰ্ঘটনা ঃ কথমপি নাৱৰীয়াৰ প্ৰাণ ৰক্ষা



**আলোপতি, ৩০ এপ্ৰিল ঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত কাছুমাৰাত সংঘটিত হয় এক নাও দুৰ্ঘটনা। কালি সন্ধিয়া কাঠ ভৰ্তি এখন ভূটভুটি নাও বৰপেটা জিলাৰ মইনবৰীলৈ গৈ থাকোতে কাছুমাৰা বজাৰ সংযোগী কাঠৰ দলঙত খুন্দা খাই ডুব যায়। অৱশ্যে নাওখনত থকা চাৰিজন নাৱৰীয়াই কথমপি সাতুৰি প্ৰাণ ৰক্ষা কৰে। ব্ৰহ্মপুত্ৰৰ সূতীত সংঘটিত নাও দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে কাছুমাৰা আৰক্ষী থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান চলায়। আজি পুৱাৰে পৰা স্থানীয় লোকৰ সহযোগত ডুব যোৱা নাওখন উদ্ধাৰৰ অভিযান চলায়। পাছত দুই শতাধিক লোকৰ প্ৰচেষ্টাত ডুব আঠ পৃষ্ঠাত চাওক





এখন চালৰ তলতেই জোতা, ছেণ্ডেল, কাপোৰৰ পৰা আৰম্ভ কৰি ফ্ৰিজ, ম’বাইল ফোন, আনকি গ্ৰোচাৰী সামগ্ৰীলৈ সকলোখিনি উপলব্ধ কৰোৱা বিগবাজাৰেই হয়তো প্ৰথম বাটকটীয়া আছিল ভাৰতত। আধুনিক শ্বপিং মলৰ বহুল জনপ্ৰিয়তাৰ মাজতো বিগ বাজাৰে সেয়ে স্বকীয়তা বজাই ৰাখি মূৰ দাঙি থাকিব পাৰিছিল।

# দেউলীয়া হোৱাৰ পথত বিয়ানীৰ ‘ফিউচাৰ’

## বিগ বাজাৰৰ মালিক হোৱাৰ বহুদিনীয়া সপোন পুৰি ছাৰখাৰ আম্বানীৰো

**প্ৰায়** দুই দশক পূৰ্বে কিশোৰ বিয়ানীয়ে দেশবাসীক বিগ বাজাৰৰ স’তে পৰিচয় কৰাই দিছিল। এখন চালৰ তলতেই জোতা, ছেণ্ডেল, কাপোৰৰ পৰা আৰম্ভ কৰি ফ্ৰিজ, ম’বাইল ফোন, আনকি গ্ৰোচাৰী সামগ্ৰীলৈ সকলোখিনি উপলব্ধ কৰোৱা বিগবাজাৰেই হয়তো প্ৰথম বাটকটীয়া আছিল ভাৰতত। আধুনিক শ্বপিং মলৰ বহুল জনপ্ৰিয়তাৰ মাজতো বিগ বাজাৰে সেয়ে স্বকীয়তা বজাই ৰাখি মূৰ দাঙি থাকিব পাৰিছিল। এই বিগ বাজাৰক কেন্দ্ৰ কৰিয়েই ভাৰতৰ প্ৰায় ১.৩ ট্ৰিলিয়ন ডলাৰ মূল্যৰ খুচুৰা বজাৰত আধিপত্য বিস্তাৰ কৰাৰ বাবে বিশ্বৰ দুই শীৰ্ষ ধনী ব্যক্তি জেফ বেজোছ আৰু মুকেশ আম্বানীৰ মাজত দীৰ্ঘদিন ধৰি চলি থকা যুঁজখনৰ এতিয়া প্ৰায় যৱনিকা পৰো পৰো অৱস্থা। মুকেশ আম্বানীৰ ৰিলায়েন্স কোম্পানীয়ে বিগ বাজাৰক নিজৰ নিয়ন্ত্ৰণলৈ আনিবলৈ চেষ্টাৰ অকণো ক্ৰুটি নৰখাৰ পাছতো শেষপৰ্যন্ত এই যুঁজৰ পৰা পিছ হোঁহকা দিবলৈ বাধ্য হৈছে। শেহতীয়াকৈ ফিউচাৰৰ সুৰক্ষিত ঋণদাতাসকলে ৰিলায়েন্সৰ স’তে থকা ফিউচাৰৰ চুক্তি কাৰ্যতঃ ৰূপায়ণ কৰিব পৰা নাযাব বুলি স্পষ্ট কৰি দিয়াৰ পাছত বিগ বাজাৰৰ মালিক হোৱাৰ আম্বানীৰ বহুদিনীয়া সপোন পুৰি ছাৰখাৰ হোৱাৰ উপক্ৰম হৈছে।

### দেউলীয়া হ’ব নেকি ফিউচাৰ

এসময়ত ভাৰতৰ আধুনিক খুচুৰা ব্যৱসায়িক ক্ষেত্ৰখনৰ এক দুৰ্দ্ধৰ্ষ শক্তি হিচাপে বিবেচিত হোৱা ফিউচাৰ গ্ৰুপ আজিৰ তাৰিখত বিধ্বস্ত আৰু দেউলীয়াপ্ৰায়শ্ৰ ক্ৰমশঃ এক অন্ধকাৰ ভৱিষ্যতৰ পিনে অগ্ৰসৰ হৈছে কিশোৰ বিয়ানীৰ সপোনৰ এই ব্যৱসায়িক গ্ৰুপ। ২০১৯ত, য’ত নেকি ফিউচাৰ গ্ৰুপৰ কৰ্মচাৰীৰ সংখ্যা ৭৫ হেজাৰৰ ওচৰা-উচৰি আছিল, আজিৰ তাৰিখত কমি ১৩ হেজাৰৰো তললৈ নামিছে। বিগ বাজাৰ সমন্বিতে ফিউচাৰৰ সকলো বিপণী ইতিমধ্যে বন্ধ বা অধিগ্ৰহণৰ দিশে আগবাঢ়িছে। ৰিলায়েন্সৰ অন্তৰ্গত বিভিন্ন প্ৰতিষ্ঠানে বিগত ২০২০ৰ আগষ্টতে নগদৰ সমস্যাত পৰা ফিউচাৰ গ্ৰুপৰ খুচুৰা আৰু ৱেৰহাউছিং সম্পদসমূহ ২৪,৭১৩ কোটি টকাত অধিগ্ৰহণ কৰাৰ কথা আছিল । কিন্তু, ফিউচাৰ গ্ৰুপৰ সুৰক্ষিত ঋণদাতাসকলে শেহতীয়াকৈ আইনী প্ৰত্যাহ্বান আৰু স্পষ্টতাৰ অভাৱৰ কথা উল্লেখ কৰি এই প্ৰস্তাৱটো নাকচ কৰিছে। সদ্য বাতিল হোৱা এই চুক্তি অনুসৰি, ৰিলায়েন্সে ফিউচাৰ গ্ৰুপৰ মুঠ ১৯ টা প্ৰতিষ্ঠানৰ সম্পত্তি আহৰণ কৰাৰ কথা আছিল যদিও সেয়া বাস্তৱায়িত নহ’ল। ফিউচাৰ গ্ৰুপৰ দুই মুখ্য কোম্পানী, ফিউচাৰ ৰিটেইল লিমিটেড আৰু ফিউচাৰ এণ্টাৰপ্ৰাইজেছ লিমিটেডে সময়মতে ঋণদাতাসকলক ধন পৰিশোধ কৰাত অসমৰ্থ হোৱাৰ পাছত দেউলিয়া আৰু দেউলিয়া সংহিতা (Insolvency and Bankruptcy Code) চমুকৈ আইবিচি ৰ অধীনত সম্প্ৰতি ক্ৰমান্বয়ে দেউলিয়া প্ৰক্ৰিয়াৰ দিশে আগবাঢ়িছে। যদিও ঋণদাতাসকলে তেওঁলোকৰ প্ৰাপ্য পৰিমাণ পুনৰুদ্ধাৰ কৰাৰ বাবে ফিউচাৰৰ বিৰুদ্ধে দেউলিয়া প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ প্ৰায় ছয়ৰ পৰা আঠ মাহ সময় ল’ব, ফিউচাৰ গ্ৰুপৰ মুখ্য ব্যৱসায়বোৰ যেনে খাদ্য আৰু গ্ৰোচাৰীৰ ব্যৱসায় আদি এতিয়াৰে পৰা আৰু বেছি ক্ষতিগ্ৰস্ত হ’ব বুলি অনুমান কৰিব পাৰি । জানিব পৰা মতে, ফিউচাৰ গ্ৰুপে যোৱা বছৰৰ পৰাই ঋণদাতাসকলক ধন পৰিশোধ কৰিবলৈ সক্ষম হোৱা নাই। যোৱা পহিলা এপ্ৰিলত, ফিউচাৰ গ্ৰুপৰ তৰফৰ পৰা এক বিবৃতিযোগে সদৰী কৰা মতে, প্ৰায় ৫,৩৩২.৩২ কোটি টকাৰ ঋণৰাশি পৰিশোধ কৰিবলৈ বাকী এতিয়াও। তাৰ উপৰি ৮৩৫ খনৰো অধিক লীজ দোকান ইতিমধ্যে ৰিলায়েন্সৰ হাতলৈ গৈছে, যিসমূহৰ পৰা কোম্পানীটোৰ ৰাজহৰ ৬৫ শতাংশ আহি আছিল। ফলস্বৰূপে, ফিউচাৰৰ বাবে এইবাৰ ব্যৱসায় আগবঢ়োৱা আৰু অধিক কঠিন হ’ব। স্মৰ্তব্য, আমাজন আৰু ফিউচাৰ গ্ৰুপৰ মাজত চলি থকা আইনী যুঁজেও ফিউচাৰৰ বিগ বাজাৰ সমন্বিতে অইন বিভিন্ন প্ৰতিষ্ঠানৰ ব্যৱসায়িক কাৰ্যকলাপত সুদীৰ্ঘ দিন ধৰি প্ৰভাৱ পেলাই আহিছে।



### কিয় বাতিল হ’ল ৰিলায়েন্স-ফিউচাৰৰ চুক্তি

ফিউচাৰ ৰিটেইল গ্ৰুপৰ শ্বেয়াৰহোল্ডাৰসকলৰ দুটা ভাগ আছে। এই দুটা ভাগৰ এটা ফালে আছে বিভিন্ন ফিউচাৰ গ্ৰুপ কোম্পানীৰ দ্বাৰা গঠিত ছিকিয়ৰ্ড ক্ৰেডিটৰ বা সুৰক্ষিত ঋণদাতা আৰু আনটো ফালে আছে আনছিকিয়ৰ্ড ক্ৰেডিটৰ বা অসুৰক্ষিত ঋণদাতা । ৰিলায়েন্সৰ স’তে ফিউচাৰৰ যি চুক্তি, তাত যদিও অসুৰক্ষিত ঋণদাতাসকলে সন্মতি প্ৰদান কৰিছে, সুৰক্ষিত ঋণদাতাসকলৰ মাজত কিছু মতভেদ আছে।

সুৰক্ষিত ঋণদাতাসকলে ৰিলায়েন্সৰ স’তে কৰা ফিউচাৰ ৰিটেইলৰ এই চুক্তিত ঋণ পৰিশোধ প্ৰক্ৰিয়া সম্পৰ্কে অস্পষ্ট নীতি থকা বুলি আপত্তি উত্থাপন কৰিছে। এই আপত্তিৰ বাবেই ৰিলায়েন্স-ফিউচাৰ গ্ৰুপ চুক্তি বাতিল কৰা হৈছে।

### ঋণদাতা বেংকবোৰেও থিয় দিছে ফিউচাৰৰ বিৰুদ্ধে ঃ

ফিউচাৰৰ স’তে ৰিলায়েন্সে যিখন চুক্তি কৰিছিল সেইখনৰ মতে, ফিউচাৰ গ্ৰুপৰ ৰিটেইল ষ্টোৰসমূহ যেনে বিগ বাজাৰ, ফুড মাৰ্কেট, এফবিবি, হোমটাউন, চেণ্ট্ৰেল আৰু ব্ৰেণ্ড ফেক্টৰী আদি সকলোবোৰ বিপণী ৰিলায়েন্সৰ হাতলৈ যাব লাগে। কিন্তু ফিউচাৰক ঋণ দিয়া বেংকবোৰৰ এই বিষয়ত প্ৰচুৰ আপত্তি আছে। ঋণদাতা বেংকসমূহে এই চুক্তিৰ বিৰোধিতা কৰাৰ মূল কাৰণ হৈছে, ইয়াত ঋণৰ পৰিমাণ পৰিশোধক লৈ কোনো স্পষ্টতা নাই। সেয়ে বেংকবোৰে দেউলিয়া আদালতলৈ গৈ ঋণৰ বিষয়টো নিজাববীয়াকৈ নিষ্পত্তি কৰিব বিচাৰিছে। ফিউচাৰ গ্ৰুপে বেংকসমূহক পতিয়ন নিয়াবলৈ ৰিলায়েন্সে ইয়াৰ ১২,০০০ কোটি টকাৰ ঋণ বহন কৰিব বুলি কৈ বাৰম্বাৰ চুক্তি বাতিল নকৰিবলৈ অনুৰোধ কৰিছিল যদিও শেষপৰ্যন্ত সেই অনুৰোধেও কামত নিদিলে। উল্লেখ্য যে ফিউচাৰে বেছিভাগ ঋণ বেংক অৱ ইণ্ডিয়া, ভাৰতীয় ষ্টেট বেংক আৰু ইউনিয়ন বেংকৰ পৰা গ্ৰহণ কৰিছিল।



### আমাজন-ফিউচাৰ-ৰিলায়েন্স বিবাদ

আমাজন-ফিউচাৰ-ৰিলায়েন্স বিবাদৰ সূত্ৰপাত হৈছিল আজিৰ পৰা তিনি বছৰ পূৰ্বেই। ২০১৯ ৰ পৰাই ৰিটেইল কিং খ্যাত কিশোৰ বিয়ানীৰ ফিউচাৰ গ্ৰুপৰ অংশ হোৱাৰ স্বাৰ্থত দুয়োপক্ষৰ মাজত আইনী যুঁজ চলি আহিছে। ২০১৯ ৰ আগষ্টত আমাজনে এফআৰএল (ফিউচাৰ ৰিটেইল) ৰ প্ৰচাৰক সংস্থা ফিউচাৰ কুপনত প্ৰায় ১৫০০ কোটি টকা বিনিয়োগ কৰি ৪৯ শতাংশ অংশীদাৰিত্ব অধিগ্ৰহণ কৰিছিল। কিন্তু তাৰ মাত্ৰ এবছৰ পাছতে, ২০২০ৰ আগষ্টত ফিউচাৰ গ্ৰুপে ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজ (আৰআইএল)ৰ স’তে ৩.৪ বিলিয়ন ডলাৰৰ সম্পত্তি বিক্ৰীৰ চুক্তি কৰিছিল। আৰআইএলৰ স’তে ফিউচাৰৰ ৩.৪ বিলিয়ন ডলাৰৰ সম্পত্তি বিক্ৰীৰ এই চুক্তিয়ে আমাজনৰ স’তে পূৰ্বৰে পৰা থকা চুক্তিক উলংঘা কৰা বুলি অভিযোগ কৰি সেই বছৰৰে অক্টোবৰত আমেৰিকাৰ প্ৰসিদ্ধ ই- বাণিজ্যিক সংস্থাটোৰে ফিউচাৰলৈ এক আইনী জাননী প্ৰেৰণ কৰিছিল । আমাজনৰ মতে, কিশোৰ বিয়ানী নেতৃত্বাধীন ৰিটেইল চেইনৰ স’তে ইয়াৰ এক প্ৰতিযোগিতাবিহীন চুক্তি স্বাক্ষৰিত হৈছিল। চুক্তি মতে নিৰ্দিষ্ট কৰা হৈছিল যে যিকোনো বিবাদ ছিংগাপুৰ আন্তৰ্জাতিক মধ্যস্থতা কেন্দ্ৰৰ (এছআইএচি) নিয়মৰ অধীনতহে মধ্যস্থতা কৰা হ’ব। কিন্তু আমাজনৰ স’তে ব্যৱসায়িক সহযোগিতা চলি থকা অৱস্থাতে ফিউচাৰে ৰিলায়েন্সৰ স’তে আন এক নতুন চুক্তি কৰাত অসন্তুষ্ট হৈ ২০২০ৰ অক্টোবৰত আমাজনে ফিউচাৰৰ বিৰুদ্ধে ছিংগাপুৰ আন্তৰ্জাতিক মধ্যস্থতা কেন্দ্ৰত গোচৰ তৰে আৰু পৰৱৰ্তী সময়ত এক অনুকূল ৰায়ো লাভ কৰে। তাৰ ঠিক কিছুদিন পাছতে ২০২০ৰ নৱেম্বৰত, ফিউচাৰেও আমাজনৰ বিৰুদ্ধে দিল্লী উচ্চ ন্যায়ালয়ত (এইছচি) গোচৰ তৰে, ৰিলায়েন্সৰ স’তে কৰা ইয়াৰ নতুন চুক্তিত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৃহৎ ই-বাণিজ্যিক প্ৰতিষ্ঠানটোৰ হস্তক্ষেপৰ অভিযোগ উত্থাপন কৰি। তেতিয়াৰে পৰাই আমাজনে আৰআইএলৰ স’তে থকা ফিউচাৰৰ ৩.৪ বিলিয়ন ডলাৰৰ চুক্তি বন্ধ কৰিবলৈ অহৰহ আইনী যুঁজ চলাই আহিছে।

আনহাতে, ৰিলায়েন্সৰ ফিউচাৰ ৰিটেইল অধিগ্ৰহণৰ প্ৰক্ৰিয়া ২০২০ৰ আগষ্টত আৰম্ভ হৈছিল। ফিউচাৰ গ্ৰুপৰ ২৪,৭১৩ কোটি টকাৰ খুচুৰা সম্পত্তি অধিগ্ৰহণ কৰাৰ বাবে চুক্তি কৰিছিল ৰিলায়েন্সে। ঋণৰ বোজাত জৰ্জৰিত ফিউচাৰৰ কিছু সংখ্যক বিপণীৰ লীজ ৰিলায়েন্সে নিজৰ নামলৈ বদলি কৰিছিল আৰু পৰৱৰ্তী সময়ত সেইসমূহ বিপণী ফিউচাৰ গ্ৰুপক ভাড়ালৈ দিছিল। কিন্তু সময় উকলি যোৱাৰ পাছতো ভাড়াৰ ধন ওভতাই দিব নোৱৰাত সম্প্ৰতি বিপণীসমূহ অধিগ্ৰহণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল ৰিলায়েন্সে। লগতে ফিউচাৰৰ সকলো কৰ্মচাৰীক চাকৰিৰ প্ৰস্তাৱো দিছিল মুকেশ আম্বানীৰ এই সংস্থাই। বিগ বাজাৰৰ দৰে বৃহৎ ৰিটেইল চেইনক ৰিলায়েন্সৰ নামেৰে নামকৰণ কৰাৰ সকলো আয়োজন আৰম্ভ কৰি দিছিল মুকেশ আম্বানীয়ে।

আজিৰ পৰা আঢ়ৈ মাহ পূৰ্বে কিশোৰ বিয়ানীৰ ফিউচাৰ গ্ৰুপৰ কে’বাখনো খুচুৰা বিপণীৰ যাৱতীয় কাৰ্যকলাপ ৰিলায়েন্সে নিজৰ অধীনলৈ অনাৰ পাছত বেজোছ আৰু আম্বানীৰ মাজত চলি থকা এই প্ৰতিযোগিতাখন তুংগত উঠিছিল। ফিউচাৰে বাৰম্বাৰ আমাজনৰ স’তে থকা চুক্তি ভংগ কৰা বুলি অভিযোগ তুলি আমেৰিকাৰ বৃহৎ ই-বাণিজ্যিক সংস্থাটোৰে পুনৰ আইনৰ দ্বাৰস্থ হৈছিল। যাৰ পৰিপ্ৰেক্ষিতত উচ্চতম ন্যায়ালয়ে দুয়োপক্ষকে আলোচনাৰ জৰিয়তে মীমাংসা অন্বেষণ কৰিবলৈ পৰামৰ্শ দিছিল। ইয়াৰ পৰৱৰ্তী সময়ত ন্যায়ালয়ৰ পৰামৰ্শ মৰ্মে আইনী যুঁজ সমাপ্ত কৰিবলৈ আমাজনে আকৌ এবাৰ ফিউচাৰ গ্ৰুপৰ স’তে আলোচনাত মিলিত হোৱাৰ প্ৰস্তাৱ আগবঢ়াইছিল। লগতে আলোচনা চলি থকাৰ সময়ত ফিউচাৰৰ বিৰুদ্ধে কোনো নতুন আইনী প্ৰক্ৰিয়া গ্ৰহণ নকৰে বুলি কথাও দিছিল আমাজনে।

### বিগ বাজাৰ, এফবিবিসহ ৯৪৭খন দোকানৰ স্বত্ব ঘূৰাই দিয়া নাই ৰিলায়েন্সে

ৰিলায়েন্স-ফিউচাৰ গ্ৰুপৰ চুক্তি শেহতীয়াকৈ বাতিল হৈছে যদিও ৰিলায়েন্সে এই পৰ্যন্ত ইতিপূৰ্বে অধিগ্ৰহণ কৰা ফিউচাৰৰ ৯৪৭খন দোকানৰ স্বত্ব ঘূৰাই দিয়া নাই।

ৰিলায়েন্সৰ এক সূত্ৰত প্ৰকাশ পোৱা মতে,২৪,৭৩৬ কোটি টকাৰ চুক্তি বাতিল কৰাৰ ফলত এই বিপণীসমূহৰ স্বত্বৰ ওপৰত কোনো প্ৰভাৱ নপৰে। ফিউচাৰ ৰিটেইলে এই বিপণীসমূহৰ ভাড়া পৰিশোধ কৰিব নোৱাৰা বাবেহে মালিকসকলে সেই বিপণীবোৰৰ স্বত্ব ৰিলায়েন্সক হস্তান্তৰ কৰিছিল। গতিকে চুক্তি বাতিলৰ পাছত এইসমূহ বিপণীৰ স্বত্ব ঘূৰাই দিয়াৰ কথাই নাহে বুলি দাবী কৰিছে সূত্ৰটোৱে। স্মৰ্তব্য, যোৱা ফেব্ৰুৱাৰীত ৰিলায়েন্সে ফিউচাৰ ৰিটেইলৰ বিগ বাজাৰ আৰু ব্ৰেণ্ড ফেক্টৰীৰ ষ্টোৰসমূহ অধিগ্ৰহণ কৰিছিল। এনে দোকানৰ মালিকসকলে ভাড়া পৰিশোধ কৰিব নোৱাৰাৰ বাবে ফিউচাৰ ৰিটেইলৰ বিৰুদ্ধে গৈছিল আৰু সুযোগ বুজি মুঠ ৯৪৭ খন দোকান ৰিলায়েন্সে অধিগ্ৰহণ কৰিছিল। ইয়াৰ ভিতৰত, ৩৪২ খন ডাঙৰ দোকান বিগ বাজাৰ, ফেশ্বন, এফবিবি ব্ৰেণ্ডৰ। আনহাতে, ৪৯৩ খন সৰু দোকানো অধিগ্ৰহণ কৰিছিল ৰিলায়েন্সে। লগতে এই তালিকাখনত ইজিডে আৰু হেৰিটেজ ষ্টোৰৰ নামো অন্তৰ্ভুক্ত হৈ আছে।

## বীমা আঁচনিৰ ম্যাদ পূৰণ হোৱাৰ পূৰ্বেই সমৰ্পণৰ নিয়ম

**প্ৰায়ে** দেখা যায়, গ্ৰাহকসকলে বিশেষ একো নভবা নিচিন্তাকৈ কেৱল চিনাকি কোনো এলআইচিৰ এজেন্টৰ কথাত পতিয়ন গৈ নিজৰ বাবে বিশেষ প্ৰয়োজন নথকা বা অনুপযুক্ত পলিচী ক্ৰয় কৰে। কিন্তু পাছত যেতিয়া তেওঁলোকে উপলব্ধি কৰে যে সেই নিৰ্দিষ্ট পলিচীখন তেওঁলোকৰ বাবে উপযুক্ত বা লাভজনক নহয়, তেতিয়া পলিচীৰ ম্যাদ পূৰ্ণ নহওঁতেই বা পলিচীখন পৰিপক্ক হোৱাৰ আগতেই ‘ছাৰেণ্ডাৰ’ অৰ্থাৎ সমৰ্পণ কৰিব বিচাৰে। অৱশ্যে,পলিচী হোল্ডাৰসকলে বীমা আঁচনি এখন সময়ৰ পূৰ্বেই সমৰ্পণ কৰিব বিচৰাৰ আন বিভিন্ন কাৰণো থাকিব পাৰে। কাৰণ যিয়েই নহওক কিয়, আঁচনি এখন সমৰ্পণ কৰাৰ আগতে কেতবোৰ নিয়ম জনাটো অতি গুৰুত্বপূৰ্ণ। জীৱন




বীমা নিগম বা চমুকৈ এলআইচি নামৰ দেশৰ প্ৰসিদ্ধ বীমা সংস্থাটোৱে আন বহু বীমা সংস্থাৰ তুলনাত গ্ৰাহকসকলক তেওঁলোকৰ আঁচনি সমৰ্পণ কৰাৰ সহজ সুযোগ প্ৰদান কৰে যদিও এনে কাম কৰাৰ পূৰ্বে গ্ৰাহকসকলেনো কি কি দিশত গুৰুত্ব দিয়াটো জৰুৰী সেই বিষয়ে কিছু কথা জানো আহকচোন—

প্ৰথমেই জানি থোৱাটো জৰুৰী,পৰিপক্কতাৰ আগতে সমৰ্পণ কৰিলে যিকোনো বীমা আঁচনিৰ মূল্য হ্ৰাস হয়। এলআইচিৰ আঁচনিসমূহো তাৰ ব্যতিক্ৰম নহয়। এলআইচিৰ নিয়ম অনুযায়ী, যদিহে পলিচী হোল্ডাৰসকলে একেৰাহে তিনি বছৰলৈকে প্ৰিমিয়াম পৰিশোধ কৰে তেতিয়াহে নিয়মীয়া আঁচনিত আঁচনি সমৰ্পণৰ মূল্য গণনা কৰিব পাৰি। তিনি বছৰৰ আগতে সমৰ্পণ কৰিলে কোনো মূল্য লাভ কৰিব পৰা নাযায়।

**বীমা আঁচনিৰ সমৰ্পণ মূল্যৰ প্ৰকাৰ—**

**১। গেৰাণ্টিযুক্ত সমৰ্পণ মূল্য (জি.এছ.ভি.)**


এই নিয়ম অনুসৰি, পলিচী হোল্ডাৰসকলে তিনি বছৰ সম্পূৰ্ণ হোৱাৰ পাছতহে তেওঁলোকৰ আঁচনি সমৰ্পণ কৰিব পাৰে। তিনি বছৰৰ পাছত সমৰ্পণ কৰিলে প্ৰথম বছৰত পৰিশোধ কৰা প্ৰিমিয়াম আৰু এক্সিডেণ্টেল বেনিফিটৰ বাবে দিয়া প্ৰিমিয়ামৰ বাদে ছাৰেণ্ডাৰ ভেল্যু বা সমৰ্পণ মূল্যৰ প্ৰিমিয়ামৰ ৩০ শতাংশ ঘূৰাই দিয়া হয়।



এই নিয়ম অনুসৰি, যিমান পলমকৈ আঁচনিখন সমৰ্পণ কৰা হয়, মূল্য সিমানেই বেছিকৈ পাব পাৰি।

**২। বিশেষ আত্মসমৰ্পণ মূল্য**

ইয়াত মুঠ বীমাৰ ধনৰ লগতে কিমান প্ৰিমিয়াম পৰিশোধ কৰা হৈছে আৰু মুঠ বোনাচ কিমান,তাৰ ভিত্তিত আত্মসমৰ্পণ মূল্য গণনা কৰা হয়। নিয়ম মতে, একক প্ৰিমিয়াম আঁচনিৰ ক্ষেত্ৰত, আঁচনিখন দ্বিতীয় বৰ্ষতে আত্মসমৰ্পণ কৰিব পাৰি। আঁচনিৰ ম্যাদ যদি ১০ বছৰ হয় তেন্তে দুবছৰতে আৰু যদি ম্যাদ ১০ বছৰতকৈ অধিক হয়, তেন্তে তিনি বছৰত সমৰ্পণ কৰিব পাৰি।



## আয়কৰ আইনৰ আওতাত কি কি সুবিধা লাভ কৰে বীমাকাৰীয়ে ?

**প্ৰতিটো** বিত্তীয় বৰ্ষত এজন ব্যক্তিৰ আয় আৰু ব্যয়ৰ পৰিমাণৰ ভিত্তিত কৰ নিৰ্ধাৰণ কৰা হয়। আনহাতে বিভিন্ন প্ৰকাৰৰ বীমা অৰ্থাৎ স্বাস্থ্য বীমা, জীৱন বীমা আদিৰ ক্ষেত্ৰত বিনিয়োগকাৰীক বিভিন্ন প্ৰকাৰৰ কৰ ৰেহাই কৰিব পৰা সুবিধাও দিয়া হয়। এই ধৰণৰ কৰ ৰেহাইৰ লাভালাভ বীমাকাৰীৰ বয়স আৰু উপাৰ্জনৰ চৰ্তাৱলী অনুসৰি প্ৰাপ্ত কৰিব পাৰি। আয়কৰ আইনৰ ভিন ভিন ধাৰাৰ অধীনত বীমা আঁচনিসমূহৰ কৰ ৰেহাইৰ পৰিমাণ সাধাৰণতে পৃথক হয়। বীমা আঁচনিৰ বিনিয়োগকাৰী এজনে জীৱন বীমা আৰু স্বাস্থ্য বীমাত কিমান কৰ ৰাহি কৰিব পাৰিব সেয়া নিৰ্ভৰ কৰে তেওঁ কিমান টকাৰ বীমা কৰিছে তাৰ ভিত্তিত। লগতে কৰ ৰেহাইৰ পৰিমাণ বীমাকাৰীৰ বয়সৰ ওপৰতো নিৰ্ভৰ কৰে। সেয়েহে বীমাকাৰীয়ে তেওঁলোকৰ বয়স, উপাৰ্জনৰ পৰিমাণ আদি বিবেচনা কৰি কেনেধৰণৰ কৰ ৰেহাই প্ৰাপ্ত কৰিব পাৰি সেয়া আগতীয়াকৈ জানি বুজি লৈহে বিভিন্ন বীমা আঁচনিত বিনিয়োগ কৰিব লাগে।



আয়কৰ আইনৰ ধাৰা ৮০ চি অনুসৰি ,আয়কৰৰ ক্ষেত্ৰত বৰ্তমান প্ৰায় ডেৰ লাখ টকা পৰ্যন্ত আয়কৰ ৰেহাই উপলব্ধ। এই আয়কৰ ৰেহাইৰ পৰিমাণ ব্যক্তি এজনৰ বাৰ্ষিক উপাৰ্জন আৰু বয়স অনুসৰি নিৰ্ধাৰণ কৰা হয়। প্ৰতি বছৰে নিয়মীয়া কৰ পৰিশোধৰ ক্ষেত্ৰত এই কৰ ৰেহাই প্ৰাপ্ত কৰিব পাৰি। এনে আয়কৰ ৰেহাই প্ৰাপ্ত কৰিবলৈ বিনিয়োগৰ উপায়বোৰ গুৰুত্বসহকাৰে বাছনি কৰিব লাগে। বৰ্তমানে জীৱন বীমা, স্বাস্থ্য বীমা আদিৰ ক্ষেত্ৰত বীমাকাৰীক বিভিন্ন প্ৰকাৰৰ কৰ ৰেহাই প্ৰদান কৰি থকা হৈছে। ধাৰা ৮০ডিৰ আওতাত বিশেষকৈ স্বাস্থ্য বীমাৰ বাবে বিভিন্ন প্ৰকাৰৰ কৰ ৰেহাই প্ৰদান কৰা হৈছে। বীমাকৰ্তাৰ পত্নী আৰু সন্তানৰ বাবে স্বাস্থ্য বীমাৰ জৰিয়তে ২৫ হেজাৰ টকাৰ কৰ ৰেহাইৰ সুবিধা আছে। আনহাতে, বীমাকৰ্তাৰ পিতৃ-মাতৃৰ বয়স ৬০ বছৰৰ অধিক হ’লে ৫০ হেজাৰ টকাৰ কৰ ৰেহাই পাব পাৰি। ইয়াৰ উপৰি বীমাকৰ্তাই নিজে ধাৰা ৮০ডি অনুসৰি এবছৰত প্ৰায় ৭৫ হেজাৰ টকাৰ ৰেহাই লাভ কৰিব পাৰে। মুঠৰ ওপৰত বিভিন্ন প্ৰকাৰৰ স্বাস্থ্য বীমাৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ কৰ ৰেহাই উপলব্ধ। এনে কৰ ৰেহাই বয়স আৰু স্বাস্থ্য বীমাৰ ধনৰ পৰিমাণ অনুসৰি নিৰ্ধাৰণ কৰা হয়।




## বন্ধ হ’ল মাৰুতি ছুজুকীৰ বিখ্যাত অল্ট’ আৰু এছ-প্ৰেছো মডেল!

দেশৰ গাড়ী বজাৰখনৰ সবাতোকৈ জনপ্ৰিয় কোম্পানী মাৰুতি ছুজুকীয়ে ইয়াৰ অল্ট’ আৰু এছ-প্ৰেছো মডেলৰ গাড়ীৰ একক এয়াৰবেগ নিম্ন ট্ৰিম প্ৰকাৰ বন্ধ কৰাৰ সিদ্ধান্ত লৈছে। কোম্পানীটোৰ অফিচিয়েল ৱেবছাইটত প্ৰকাশিত তথ্য অনুসৰি, অল্ট’ৰ এছটিডি, এছটিডি (অ’) আৰু এলএক্সআই ট্ৰিম বন্ধ কৰা হৈছে। আনহাতে, এছ-প্ৰেছোৰ এছটিডি আৰু এলএক্সআই ট্ৰিমৰ লাভালাভবোৰো গ্ৰাহকসকলৰ বাবে এতিয়াৰে পৰা উপলব্ধ নহ’ব বুলি জনা গৈছে। উল্লেখ্য যে এই দুয়োখন ভেৰিয়েণ্ট দুয়োখন গাড়ীৰ আধাৰ প্ৰকাৰ আছিল।

মাৰুতি ছুজুকী গাড়ীৰ এই দুই মডেল বন্ধ হোৱাৰ ফলত, অল্ট’ গাড়ীৰ এক্স-শ্ব’ৰুম মূল্য ৪.০৮ লাখ টকাত আৰম্ভ হৈ সৰ্বাধিক ৫.০৩ লাখ টকাৰ ভিতৰত হ’ব। আনহাতে, মাৰুতি ছুজুকী এছ-প্ৰেছোৰ আধাৰ মডেলৰ মূল্য ৩.৯৯ লাখ টকা আৰু শীৰ্ষ প্ৰকাৰৰ মূল্য ৫.৬৪ লাখ টকা হ’ব। উল্লেখ্য যে এই দুয়োখন গাড়ীতে পেট্ৰ’ল আৰু পেট্ৰ’ল-চিএনজি প্ৰকাৰ আছে। এই গাড়ীবোৰৰ কোনো ডিজেল প্ৰকাৰ নাই।

প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি, কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ে নতুন আইনৰ জৰিয়তে অহা পাঁচ মাহৰ পাছত প্ৰতিখন বাহনত কমেও ছয়টা এয়াৰবেগ থকাটো বাধ্যতামূলক কৰিবলৈ ওলাইছে। মাৰুতি চুজুকীয়ে চৰকাৰৰ এই নতুন আইনৰ কথা মনত ৰাখিয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি ধাৰণা কৰা হৈছে। চৰকাৰৰ নতুন নিয়ম অনুসৰি, এই বছৰৰ পহিলা অক্টোবৰৰ পৰা, প্ৰতিখন নতুন গাড়ীত মানক ফিটমেণ্ট হিচাপে ছ য়টা এয়াৰবেগ থাকিব লাগিব।



## কৰ’নাৰ পাছত কৰ্মক্ষেত্ৰলৈ ঘূৰি অহা মহিলাৰ সংখ্যা কমিছে ভাৰতত

### লিংকড্‌ইনৰ সমীক্ষা

**২০২০ত** যেতিয়া পোনপ্ৰথমবাৰৰ বাবে ভাৰতত কৰ’না মহামাৰীৰ সংহাৰ আৰম্ভ হৈছিল, তাৰ ঠিক পাছতেই দেশজুৰি হোৱা তলাবন্ধৰ প্ৰভাৱত ভাৰতৰ অৰ্থনীতি প্ৰায় স্থবিৰ হৈ পৰিছিল, বহুলোকে চাকৰি হেৰুৱাইছিল। কম-বেছি পৰিমাণে চৰকাৰী চাকৰি নকৰা বেছিভাগ লোকৰে উপাৰ্জন হ্ৰাস পাইছিল। বিশেষকৈ, চাকৰিয়াল মহিলাসকল আটাইতকৈ বেছি প্ৰভাৱিত হৈছিল। পৃথিৱীৰ আন বহুতো দেশৰ দৰে, এতিয়া ভাৰততো কৰ’না সংক্ৰমণ নিয়ন্ত্ৰণলৈ আহিছে আৰু কামৰ পৰিৱেশো কিছু স্বাভাৱিক হৈ পৰিছে। কিন্তু বহু সংখ্যক মহিলাই এতিয়াও কৰ্মস্থলীলৈ উভতি আহিবলৈ পৰ্যাপ্ত গতি লাভ কৰিব সমৰ্থ হোৱা নাই। ইয়াৰ কাৰণ হৈছে যে মহিলাসকলে কামৰ প্ৰকৃতিত পূৰ্বতকৈ কিছু নমনীয়তা বিচাৰিলেও, কোম্পানীবোৰৰ পৰা এই ক্ষেত্ৰত কোনো বিশেষ সঁহাৰি পোৱা নাই । শেহতীয়াকৈ লিংকড্‌ইনৰ এক জৰীপ প্ৰতিবেদনত এই তথ্য প্ৰকাশ পাইছে। প্ৰতিবেদনৰ তথ্য অনুসৰি, কৰ’নাৰ পাছৰে পৰা ভাৰতীয় মহিলাসকলে কামলৈ উভতি অহাৰ ক্ষেত্ৰত নতুন কেতবোৰ সমস্যাৰ সৃষ্টি হৈছে, বহুতে আনকি চাকৰি এৰিছে বা এৰাৰ চিন্তা কৰিছে আৰু ফলস্বৰূপে ক্ৰমশঃ কৰ্মক্ষেত্ৰলৈ ঘূৰি অহা মহিলাৰ সংখ্যা কমিছে ভাৰতত।



লিংকড্‌ইনে শেহতীয়াকৈ ২,২৬৬ জন পেছাদাৰী লোকৰ মাজত এই সমীক্ষাটো অনুষ্ঠিত কৰিছিল। সমীক্ষাত পোহৰলৈ অহা মতে, কামৰ পৰিস্থিতিত নমনীয়তাৰ চাহিদাই দৰমহা হ্ৰাস, অসমতা আৰু পদোন্নতি অৱৰোধ হোৱাৰ আশংকা সম্প্ৰতি পূৰ্বৰ তুলনাত বহুগুণে বৃদ্ধি কৰিছে। এই পৰিস্থিতিত, চলিত বৰ্ষত বহুতো মহিলাই হয় চাকৰি এৰিছে বা ত্যাগ কৰাৰ কথা ভাবিছে। বহুতো মহিলাই কামলৈ উভতি আহিবলৈ অসুবিধা পাইছে। বেছিভাগ মহিলা পেছাদাৰীয়ে ইয়াৰ বাবে নিয়োগকৰ্তাৰ মানসিকতাক দোষাৰোপ কৰিছে উক্ত সমীক্ষাত। সমীক্ষাত অংশ লোৱা প্ৰায় ৮৩ শতাংশ মহিলাই কয় যে তেওঁলোকে নিজৰ পৰিয়ালক সময় দিয়াৰ লগতে আৰু কৰ’না পৰৱৰ্তী সময়ত কামৰ ভাৰসাম্য ৰাখি নমনীয় পৰিস্থিতিতহে কৰ্মস্থলীত কাম কৰিব বিচাৰে। ৭২শতাংশ মহিলাই এই লাভালাভবোৰ আগবঢ়াব নিবিচৰা কোম্পানীবোৰৰ স’তে কাম কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰিছে। ইয়াৰ বিপৰীতে, প্ৰায় ৭০ শতাংশ মহিলাই একে কাৰণতে ইতিমধ্যে চাকৰি ত্যাগ কৰিছে বা ত্যাগ কৰাৰ বিষয়ে চিন্তা কৰি আছে।

লিংকড্‌ইনৰ ভাৰতীয় শাখাৰ মুৰব্বী ৰুচি আনন্দে এই সন্দৰ্ভত কয় যে কোম্পানীবোৰে নিজ নিজ দক্ষ প্ৰতিভা হেৰুৱাব নিবিচাৰিলে কৰ্মস্থলীৰ পৰিৱেশ-পৰিস্থিতি তথা চৰ্তসমূহ সলনি কৰিব লাগিব। যিসকল মহিলা কৰ্মচাৰীয়ে কোম্পানীসমূহত দীৰ্ঘদিন ধৰি কাম কৰি আছে, তেওঁলোকৰ অভিজ্ঞতাক মূল্য দিব জানিব লাগিব প্ৰত্যেকটো কোম্পানীয়ে।

# বিশ্বনাথ জিলাৰ বৰচাং শিক্ষক কেন্দ্ৰৰ তোৰণ-গেট মুকলি

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩০ এপ্ৰিল ঃ** বিশ্বনাথ জিলাৰ বৰচাং শিক্ষক কেন্দ্ৰৰ অন্তৰ্গত বালিচাং প্ৰাথমিক বিদ্যালয়ত কালি তোৰণ আৰু গেটৰ মুকলি কৰা হয়। উদ্বোধন কৰে বিশ্বনাথ জিলা শিক্ষা বিষয়া তথা বিশ্বনাথ মহকুমা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কৰুণা কান্ত ভ ট্টই-উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত পৰিসংখ্যা সহায়ক হেমন্ত শইকীয়া, বিশ্বনাথ খণ্ড সমল ব্যক্তি বিপুল বৰা, মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক পৰেশ বৰা, নাগশংকৰ শিক্ষক কেন্দ্ৰৰ শিক্ষক অৰুণ বৰদলৈ, বিশ্বনাথ মহকুমা শিক্ষক সন্মিলনীৰ উপ-সভাপতি মনীষ কলিতা, শিক্ষক সাংবাদিক নিৰঞ্জন হাজৰিকা, বিশ্বনাথ মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সহকাৰী সম্পাদক হৰ মোহন ৰয়, শিক্ষক বিমল বৰা আদি।

# সদৌ অসম সাংবাদিক সন্থাৰ ৰাজ্যিক বঁটা বিতৰণী অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩০ এপ্ৰিল ঃ** বিশ্বনাথৰ কমলাকান্ত নাট্য ক্ষেত্ৰত অহা ১১ মে'ত অনুষ্ঠিত হ'ব সদৌ অসম সাংবাদিক সন্থাৰ ৰাজ্যিক বঁটা বিতৰণী অনুষ্ঠান। বিশ্বনাথ নগৰত আছুৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। বিভিন্ন জাতীয় দল-সংগঠনৰ নেতৃত্বত উপস্থিতিত অনুষ্ঠিত হয় এক বিশেষ আলোচনা সভা। সভাত সভাপতিত্ব কৰে বিশ্বনাথৰ জ্যেষ্ঠ সাংবাদিক তথা বিশ্বনাথ জিলা সাংবাদিক সন্থাৰ কাৰ্যকৰী সভাপতি নিৰঞ্জন হাজৰিকাই। উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক ৰতন ভূঞাই। সভাত বিশিষ্ট ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে বিশ্বনাথ জিলা নাগৰিক সন্থাৰ সভাপতি অপূৰ্ব কুমাৰ দাস, সাধাৰণ সম্পাদক বিদ্যুৎ শৰ্মা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য হিৰণ, হাজৰিকা, বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সভাপতি বিক্ৰম বিকাশ বৰা, মহকুমা ছাত্ৰ সন্থাৰ সভাপতি ভাস্কৰ চমুৱা, বিশ্বনাথ চাৰিআলি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুৰজ ভূঞা, বিশ্বনাথ শাখা সাহিত্য সভাৰ সম্পাদক অঞ্জন কুমাৰ বৰা, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় নেতা দিব্যজ্যোতি বৰুৱা, গোৰ্খা ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি দিলীপ গজৰেল, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি দেবব্ৰত মেধি, সংগ্ৰামী যুৱ-ছাত্ৰ পৰিষদৰ হেমন্ত গগৈ, কোচ ৰাজবংশী যুৱ সন্মিলনীৰ নিপন বৰা, পিনকু হাজৰিকা, যুৱ-ছাত্ৰ পৰিষদৰ দিগন্ত বৰুৱা, নীহাৰ শইকীয়া আদিয়ে বক্তব্য আগবঢ়ায়।

# আনন্দপুৰ চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত ৰাইজৰ উৎসৱ

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ৩০ এপ্ৰিল ঃ** বোকাখাতৰ আনন্দপুৰ চাহ বাগিচা প্ৰাথমিক বিদ্যালয় আৰু বালিজান মণ্ডল সমল কেন্দ্ৰৰ সমূহ বিদ্যালয়ৰ সহযোগত ৰাইজৰ উৎসৱৰ দুদিনীয়া কাৰ্যসূচীৰ কালি সামৰণি পৰে। প্ৰথমদিনা পতাকা উত্তোলন কৰে সাংবাদিক জিতু শৰ্মা ৰাজখোৱাই। ছাত্ৰ-ছাত্ৰী, মাতগোট, পৰিচালনা সমিতি আৰু ৰাইজৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। কালি বাৰেৰহণীয়া শোভাযাত্ৰাৰ পাছত প্ৰদৰ্শনীয় অনুষ্ঠিত হয়। দুপৰীয়া অৱসৰপ্ৰাপ্ত সেনা বিষয়া ৰেৱকান্ত হাজৰিকাৰ সভাপতিত্বত হোৱা মুকলি সভা উদ্বোধন কৰে সাংবাদিক বুবুল দত্তই। সভাত কেবিনেট মন্ত্ৰী অতুল বৰাই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিদ্যালয়ৰ শলাগ লোৱাৰ লগতে বিধায়ক পুঁজিৰ পৰা এটা শ্ৰেণীকোঠাৰ আবন্টন দিয়াৰ আশ্বাস দিয়ে। গোলাঘাট জিলা প্ৰাথমিক শিক্ষা বিষয়া ড° সমীৰণ বৰা, বোকাখাত মহকুমাৰ মহকুমাধিপতি ডাঃ নেহা যাদৱ, বোকাখাত খণ্ড, প্ৰাথমিক শিক্ষা বিষয়া ৰুদ্ৰ শইকীয়া, বোকাখাত নগৰৰ পৌৰপতি ৰত্নেশ্বৰ বৰুৱা, প্ৰাথমিক শিক্ষক সন্মিলনৰ কনক দলে, ৰাজহ চক্ৰ বিষয়া সৌভিক দত্ত আদি উপস্থিত থাকে। ২০১৩ত প্ৰাদেশিকীকৰণ হোৱা বিদ্যালয়ত বৰ্তমান ১৬৭গৰাকী ছাত্ৰ-ছাত্ৰী আৰু দুগৰাকী শিক্ষক আছে।

# মৰাণত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে শ্ৰমিক দিৱসৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩০ এপ্ৰিল ঃ** আন্তৰ্জাতিক শ্ৰমিক দিৱসৰ স'তে সংগতি ৰাখি অসম চাহ মজদুৰ সংঘ আৰু চাহ মজদুৰ মহিলা সমিতি মৰাণ শাখাৰ সৌজন্যত তিলৈজান চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীৰ সহযোগত তিলৈজান চাহ বাগিচাৰ খেলপথাৰত পহিলা মে'ত দিনজোৰা কাৰ্যসূচীৰে শ্ৰমিক দিৱসৰ আয়োজন কৰা হৈছে। পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণৰ পাছত বিভিন্ন জাতি-জনগোষ্ঠীৰ এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। শাখা সংঘৰ অন্তৰ্ভুক্ত বাগিচাসমূহৰ পৰা অহা ৰাইজে শোভাযাত্ৰাত অংশগ্ৰহণ কৰিব। সাংস্কৃতিক শোভাযাত্ৰাটো উদ্বোধন কৰিব বাল্য বিকাশ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ড° স্বপন চুতীয়াই। দিনৰ এক বজাৰ পৰা অনুষ্ঠিত হ'ব লগা মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব বিশিষ্ট শ্ৰমিক নেতা অসম চাহ মজদুৰ সংঘৰ ৰাজ্যিক সভাপতি পৱন সিং ঘাটোৱাৰ আৰু নিৰ্দিষ্ট বক্তা হিচাপে মৰাণ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আত্মাৰাম কুমাৰৰ উপৰি কে'বাজনো শ্ৰমিক নেতা, শিক্ষাবিদ আৰু সমাজকৰ্মী সভাত উপস্থিত থাকিব।

# হলৌফুকন মণ্ডল সমল কেন্দ্ৰত ৰাইজৰ উৎসৱ উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ৩০ এপ্ৰিল ঃ** চৰাইদেউ জিলাৰ সোণাৰি প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত হলৌফুকন মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত আৰু সমগ্ৰ শিক্ষা অভিযানৰ সহযোগত যোৱা ২৮ এপ্ৰিলত টেঙাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত ৰাইজৰ উৎসৱ উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা টেঙাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী কল্পনা মলীয়াই মণ্ডল সমল কেন্দ্ৰৰ পতাকা উত্তোলন কৰি দিনজোৰা কাৰ্যসূচীৰ আৰম্ভ কৰাৰ পাছতে বৃক্ষৰোপণ কৰে টেঙাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ সহকাৰী শিক্ষক সোমেশ্বৰ গগৈয়ে। ইয়াৰ পাছতে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে দলবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ললিত গগৈয়ে। দুপৰীয়া প্ৰদৰ্শনীৰ দ্বাৰা মুকলি কৰে টেঙাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ভৈৰৱ মহন্তই। ৰাইজৰ উপলক্ষে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা আয়োজিত সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰে হলৌফুকন গাঁও পঞ্চায়তৰ সভানেত্ৰী মৌচুমী বৰুৱাই। হলৌফুকন মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পৱন বৰুৱা আৰু টেঙাপুখুৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক দিলীপ বৰুৱাই যৌথভাৱে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত টেঙাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত, ৰাজগড় মজলীয়া বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জেং বিহু, টেঙাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ঝুমুৰ, হলৌফুকন প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিয়াৰ ৰীতি-নীতি প্ৰদৰ্শন, টেঙাপুখুৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জিকিৰ, চোলাধৰা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সৃষ্টিশীল নৃত্য, শিলিখাগুৰি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ঝুমুৰ, নগাঁও চেতিয়া প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দিহানাম, পথাৰমুৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ঝুমুৰ, টেঙাপুখুৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে দিহানাম, পথাৰমুৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ঝুমুৰ, টেঙাপুখুৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জেং বিহু, খনিকৰ পুখুৰী প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিহু নৃত্য আৰু ধামধুলি মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে হুঁচৰি পৰিৱেশন কৰে। অনুষ্ঠানত মুখ্য অতিথিৰূপে চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ সহকাৰী পৰিদৰ্শক তথা খেলুৱা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া প্ৰণৱ গগৈ উপস্থিত থকাৰ লগতে চলাপথাৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মনোজ ফুকন, ছ্যুকাফা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মৃদুল কোঁৱৰ, এঙেৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মেদিনী মোহন মিলি, মথুৰাপুৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰঞ্জন প্ৰসাদ, লেঙীবৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মুকিবুৰ ৰহমান, সাংবাদিক জয়ন্ত বৰুৱা আৰু বিপিন হাজৰিকা প্ৰমুখ্যে ভালেকেইজন ব্যক্তি উপস্থিত থাকে।

## পাচলি জুই ছাই দাম ঃ সৰৱ যুৱ-ছাত্ৰ পৰিষদ

# ঈদৰ বজাৰত আকাশলংঘী মূল্যবৃদ্ধি

অগ্ৰদুত বাৰ্তা

**ঘগ্ৰাপাৰ, ৩০ এপ্ৰিল ঃ** ইন্ধনজাত সামগ্ৰী ধাৰাবাহিক মূল্যবৃদ্ধি সমান্তৰালভাৱে এইবাৰ বজাৰত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে ৰাইজক কোঙা কৰি পেলাইছে বুলি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আঞ্চলিক সমিতিয়ে অভিযোগ উত্থাপন কৰিছে। বিশেষকৈ বিগত পযেকত খাদ্য-নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য দৈনিক বৃদ্ধিয়ে জনতাক জুৰুলা কৰাৰ সমান্তৰালভাৱে ঈদৰ বজাৰতো ভয়ংকৰ মূল্যবৃদ্ধি হৈছে বুলি সংগঠনটোৱে অভিযোগ উত্থাপন কৰে। তাৰ মাজতে এইবাৰ বৃদ্ধি পাইছে পাম অইল, ৰিফাইন তেলৰ মূল্য। পাইকাৰী বজাৰত প্ৰতি লিটাৰত পাঁচ -১০ টকা পৰ্যন্ত বৃদ্ধিৰ বিপৰীতে খুচুৰা বজাৰত পাঁচ-৩০ টকা বৃদ্ধি পাইছে তেলৰ দাম। ইন্দোনেছিয়াই পাম অইল বিদেশলৈ ৰপ্তানি বন্ধ কৰা ফলতে পাম অইল, ৰিফাইনৰ দাম বৃদ্ধি হৈছে। ইন্দোনেছিয়াই শীঘ্ৰে পাম অইল বিদেশলৈ ৰপ্তানি কৰিব। ৰপ্তানি আৰম্ভ কৰিলেই খোৱা তেল পাম অইল আৰু ৰিফাইনৰ মূল্য হ্ৰাস পোৱাৰ সম্ভাৱনা আছে বুলি নলবাৰীৰ ঘগ্ৰাপাৰৰ একাংশ ব্যৱসায়ীয়ে কয়।

ইফালে, বিকাজি ভুজিয়াৰ পেকেটটো পাঁচ টকাকৈ বৃদ্ধি পাইছে। আনহাতে, শাক-পাচলি অভাৱনীয় হাৰত নিতৌ মূল্যবৃদ্ধি হৈ আছে। নলবাৰী জিলাৰ সমান্তৰালভাৱে বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ প্ৰতিখন বজাৰত শাক-পাচলিৰ বজাৰ মূল্যত আকাশ-পাতাল পাৰ্থক্য। খুচুৰা বজাৰত প্ৰতি কিলো বন্ধাকবি ৬০ টকা, স্কোৱাচ ৩০ টকা, বিলাহী ৬০ টকা, ভাত কেৰেলা ১৫০-১৬০, জিকা ৬০ টকা, গাজৰ ৮০ টকা, পটল ৭০-৮০ টকা, ভেণ্ডি ৮০ টকা, তিয়ঁহ ৫০-৬০ টকা, ৰঙালাও ৪০ টকা, লেচেৰা ৮০ টকা, বিন ৮০ টকা, তিতা কেৰেলা ৮০ টকাকৈ বজাৰত বিক্ৰী হৈছে। ইপিনে, এই পাচলিসমূহৰ পাইকাৰী মূল্য প্ৰতি কিলো জিকা ৩৫-৪০ টকা, বন্ধা কবি ৩০-৪০ টকা, ভাত কেৰেলা ৭০-৮০ টকা, ভেণ্ডি ৪০ টকা, গাজৰ ৪০ টকা, বিলাহী ৪০ টকা, বিন ৫০ টকা, মটৰ ৬০ টকা, লেচেৰা ৫০ টকা, ৰঙালাও ১৬-১৮ টকা, তিয়ঁহ ১৮ টকা, স্কোৱাচ ২০ টকা পৰ্যন্ত বিক্ৰী হৈছে। উল্লেখ্য যে পাইকাৰী বজাৰতো পাচলিৰ সামান্য মূল্য বৃদ্ধি পাইছে। কিন্তু তাৰ তুলনাত বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলৰ আটাইবোৰ সাপ্তাহিক, দৈনিক, গধূলি খুচুৰা বজাৰত অধিক চৰা দামত ক্ৰয় কৰিব লগা হৈছে পাচলি। বৰ্তমান খাৰুপেটীয়া, বৰপেটাৰোডৰ পৰা কিছু সংখ্যক পাচলি আহিছে যদিও বেংগলৰ পৰা ভেণ্ডি, পটল, জিকা, লেচেৰা, বন্ধা কবি, বিলাহী আদি আহি আছে। উৎপাদন হ্ৰাস হোৱা বাবে পাচলিৰ মূল্য বৃদ্ধি হোৱা বুলি ব্যৱসায়ীসকলে মন্তব্য কৰে। আগন্তুক দিনত আৰু অধিক পাচলিৰ মূল্য বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলি মন্তব্য কৰে ব্যৱসায়ীসকলে। ইফালে, খাদ্য-নিত্য ব্যৱহাৰ্য সামগ্ৰী মূল্য দৈনিক বৃদ্ধি শীঘ্ৰে ৰোধ কৰিবলৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ঘগ্ৰাপাৰ আঞ্চলিক সমিতিৰ সভাপতি আনোৱাৰ হুছেইন, সাধাৰণ সম্পাদক নৰজ্যোতি কলিতাই যোগান মন্ত্ৰী তথা স্থানীয় প্ৰশাসনক দাবী জনাইছে। অন্যথা ৰাইজৰ সহাযোগিতাত গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলিও হুংকাৰ দিয়ে।



হাওৰাঘাটত ধুমুহাত বিধ্বস্ত এটি গৃহ, শনিবাৰে।

# ঐতিহাসিক ৰূপহীজান বেদখল উচ্ছেদ ঃ ৰাষ্ট্ৰীয় পথ মেৰামতিৰ দাবী

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ৩০ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক ৰূপহীজান বেদখন উচ্ছেদ আৰু ৰাষ্ট্ৰীয় পথ মেৰামতিৰ দাবীত কালি গৌৰীসাগৰত আটাছুৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ফটোত ধূপ-বন্তি জ্বলাই খোল তাল বজাই চৰকাৰৰ সুমতিৰ বাবে প্ৰাৰ্থনা জনায় শিৱসাগৰ জিলা আটাছুৰ কৰ্মীসকলে। স্মৰ্তব্য যে গৌৰীসাগৰৰ একাংশ পুঁজিপতি লোকে ঐতিহাসিক ৰূপহীজানখন অবৈধভাৱে বেদখল কৰাৰ ফলতেই সমগ্ৰ গৌৰীসাগৰৰ কৃত্ৰিম বানত ডুব যোৱাৰ উপৰি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ ওপৰেদি পানী বাগৰি ঘাইপথটোৰ বিধ্বস্ত হৈ পৰে। ৰাষ্ট্ৰীয় পথৰ এনে দুৰৱস্থাৰ ফলত উজনি অসম সংযোগী পথটোৱে দৈনিক যাতায়াত কৰা যাত্ৰীসকলে জীয়াতু ভুগিব লগা হৈছে। এনে সময়তে জিলা প্ৰশাসনৰ এক হঠকাৰী সিদ্ধান্তই ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। কালি পুৱাতেই গৌৰীসাগৰৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথটোৰ ভাঙি যোৱা অংশ মেৰামতি কৰাৰ পৰিৱৰ্তে ৰাষ্ট্ৰীয় ঘাইপথৰ মাজ অংশ খান্দি কালভাৰ্ট বহুৱাই আন এটা উপ-পথেৰে পানী নিষ্কাষণৰ ব্যৱস্থা কৰাত স্থানীয় ৰাইজ জাঙুৰ খাই উঠে। যিটো উপ-পথ খান্দি পানী নিষ্কাষণৰ ব্যৱস্থা কৰা হৈছে সেই উপ-পথটো গৌৰীসাগৰৰ সবাটোতকৈ গুৰুত্বপূৰ্ণ উপ-পথ। পুঁজিপতি লোকৰ সন্মুখত আঁঠু লোৱা শিৱসাগৰ জিলা প্ৰশাসনে ৰূপহীজানৰ বেদখল উচ্ছেদৰ পৰিৱৰ্তে সাধাৰণ ৰাইজক সমস্যাৰ মাজলৈ ঠেলি দিয়াৰ সিদ্ধান্তত জাঙুৰ খাই উঠিছে সদৌ তাই আহোম ছাত্ৰ সন্থা। শীঘ্ৰেই ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতিৰ লগতে ৰূপহীজানৰ বেদখল উচ্ছেদ নকৰিলে সংগঠনটোৱে জংগী আন্দোলনৰ হুংকাৰ কৰিছে।

# তেজপুৰত দুদিনীয়াকৈ গ্ৰাম্য বিজ্ঞান মেলা আৰম্ভ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ৩০ এপ্ৰিল ঃ** অসম বিজ্ঞান সমিতি তেজপুৰ শাখা আৰু তেজপুৰ বিজ্ঞানৰ যৌথ উদ্যোগত তথা দৰং মহাবিদ্যালয়ৰ সহযোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে তেজপুৰ চাৰিআলি কন্যা উচ্চ মাধ্যমিক বিদ্যালয়ত 'গ্ৰাম্য বিজ্ঞান মেলা' আৰম্ভ হৈছে। পুৱা বৃক্ষৰোপণ কাৰ্যসূচীৰে আৰম্ভ হোৱা গ্ৰাম্য বিজ্ঞান মেলাত দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পলাশমণি শইকীয়া, লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° তপন কুমাৰ কলিতা, দৰং মহাবিদ্যালয়ৰ অধ্যাপক অখিল বৰুৱা, ড° পংকজ হাজৰিকা, ড° মনোজ কুমাৰ হাজৰিকা, ড° চিত্তৰঞ্জন বৰুৱা, তেজপুৰ চাৰিআলি কন্যা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰমণী শৰ্মা, বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ কে'বাশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উদ্বোধনী অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে 'গ্ৰাম্য বিজ্ঞান মেলাৰ' শীৰ্ষ গীত পৰিৱেশন কৰে। দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শইকীয়াৰ সভাপতিত্বত গ্ৰাম্য বিজ্ঞান মেলা উদ্বোধন কৰে চাৰিআলি কন্যা উচ্চ মাধ্যমিকৰ প্ৰধান শিক্ষক শৰ্মাই। সভাত দৰং মহাবিদ্যালয়ৰ অধ্যাপক ড° গহন চন্দ্ৰ মহন্তই অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীসকলক সচেতন হ'বলৈ আহ্বান জনায়। সভাৰ সভাপতি তথা তেজপুৰ বিজ্ঞান কেন্দ্ৰৰ সমন্বয়ক আৰু অসম বিজ্ঞান সমিতি তেজপুৰ শাখাৰ সভাপতি অধ্যক্ষ ড° পলাশমণি শইকীয়াই অসম বিজ্ঞান সমিতিয়ে স্বাস্থ্য সজাগতাৰ বাবে লোৱা পদক্ষেপ আৰু ছাত্ৰ-ছাত্ৰীসকল কি দৰে আগবাঢ়ি যোৱা উচিত তাৰ ওপৰত ভাষণ প্ৰদান কৰে। অসম বিজ্ঞান কেন্দ্ৰ তেজপুৰ শাখাৰ সম্পাদক ড° চিত্তৰঞ্জন বৰুৱাই কয় যে এই গ্ৰাম্য বিজ্ঞান মেলা জনপ্ৰিয়কৰণৰ কাৰ্যক্ৰমণিকা, ইয়াৰ মূল উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীৰ মনত বিজ্ঞানসন্মত চিন্তা-চৰ্চাৰ বীজৰোপণ কৰা। ড° বৰুৱাই জনায় যে এই দুদিনীয়া গ্ৰাম্য মেলাৰ লগত সংগতি ৰাখি আয়োজন কৰা কুইজ, বিজ্ঞান বিষয়ক বক্তৃতা, চিত্ৰাংকন, পোষ্টাৰ প্ৰতিযোগিতাত প্ৰায় দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ লয়। জিলাখনৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা বিজ্ঞান মেলাৰ দ্বিতীয় দিনৰ প্ৰধান কাৰ্যসূচী জনপ্ৰিয় বক্তৃতা আৰু বিশিষ্ট বিজ্ঞানীৰ লগত ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ আলাপ অনুষ্ঠিত হ'ব।

# পীতাম্বৰ দেৱগোস্বামীৰ জন্মদিন পালনৰ প্ৰস্তুতি

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ৩০ এপ্ৰিল ঃ** শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীৰ ৬৪ সংখ্যক জন্মদিন উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলাইছে সত্ৰৰ জিৰণি বাহন নলনীখাতত। এই উপলক্ষে শ্ৰীশ্ৰীহেমচন্দ্ৰ দেৱগোস্বামী সাংস্কৃতিক প্ৰকল্প পৰিচালনা সমিতিৰ আহ্বান ক্ৰমে এখন প্ৰস্তুতি সমিতি গঠন কৰা হৈছে। প্ৰাক্তন বিধায়ক হেমন্ত কলিতাক সভাপতি আৰু অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল বৰা আৰু মগলুখাত মজলীয়া বিদ্যালয়ৰ শিক্ষক জীৱ কান্ত বৰাক যুটীয়া সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হয়। জন্মদিনৰ লগত সংগতি ৰাখি এখন স্মৰণিকা প্ৰকাশৰ লক্ষ্যৰে কৃতী শিক্ষক ভবেন্দ্ৰ নাথ পূজাৰীক সভাপতি আৰু মানস প্ৰতিম গোস্বামীক সম্পাদকৰূপে লৈ এখন সম্পাদনা উপ-সমিতি গঠন কৰা হয়।

# দৰং আকাংক্ষিত জিলা প্ৰকল্পৰ পৰ্যালোচনা

বিশেষ সংবাদদাতা

**মঙলদৈ, ৩০ এপ্ৰিল ঃ** দৰং জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কালি অনুষ্ঠিত এক সভাত ৰাজ্যিক উদ্ভাৱনী আৰু ৰূপান্তৰ আয়োগৰ সহ উপাধ্যক্ষ ৰমেন ডেকাই দৰং আকাংক্ষিত জিলা প্ৰকল্পৰ পৰ্যালোচনা কৰে। জিলাখনত ৰূপায়িত হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ বিষয়ে সভাখনত বিস্তৃতভাৱে আলোচনা কৰা হয়। মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াও সভাখনত উপস্থিত থাকে।

উল্লেখ্য যে আকাংক্ষিত জিলা প্ৰকল্পৰ দ্বাৰা দেশৰ পিছপৰি থকা জিলাসমূহৰ সামগ্ৰিক উন্নয়নৰ পথ সুচল কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। ইয়াৰ অধীনত জিলাসমূহৰ মাজত প্ৰতিযোগিতামূলক ভাবৰ জৰিয়তে পাঁচটা অৰ্থ-সামাজিক ক্ষেত্ৰত যেনে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি আৰু জলসম্পদ, অৰ্থনৈতিক অন্তৰ্ভুক্তি আৰু কৌশল বিকাশ, আন্ত:গাঁথনিৰ ৪৯ টা মূল প্ৰদৰ্শন সূচাংকৰ ডেল্টা ৰেংকিঙত উন্নয়ন সাধন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰে। বিভিন্ন শিতানত দৰং জিলাই সাধন কৰিবলৈ সক্ষম হোৱা উন্নয়নৰ প্ৰশংসা কৰি সহ উপাধ্যক্ষজনে কয় যে জিলাখনক দেশৰ ভিতৰতে এক উন্নত জিলা হিচাপে পৰিগণিত কৰিবৰ বাবে জিলা প্ৰশাসন আৰু সকলো বিভাগে উন্নয়নমূলক আঁচনিসমূহক ত্বৰান্বিত গতিৰে ৰূপায়ণ কৰিব লাগিব। আকাংক্ষিত জিলা প্ৰকল্পৰ সময়সাপেক্ষ ৰূপায়ণৰ ফলত জিলাখনৰ সকলো স্তৰৰ বাসিন্দাসকল লাভান্বিত হ'ব বুলি তেওঁ কয়। ইয়াৰ লগতে তেওঁ পিছপৰি থকা দিশসমূহৰ প্ৰদৰ্শনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। সভাখনত দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা প্ৰমুখ্যে বিভিন্ন বিভাগৰ জিলা মুৰব্বীসকল উপস্থিত থাকে।

# আঠ মে'ত বঙৰা আঞ্চলিক সাহিত্য মঞ্চৰ বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

**আজাৰা, ৩০ এপ্ৰিল ঃ** বঙৰা আঞ্চলিক সাহিত্য মঞ্চৰ সপ্তম বৰ্ষীয় অধিবেশনখন অহা আঠ মে'ত দিনজোৰা কাৰ্যসূচীৰে বঙৰাস্থিত 'শ্ৰীশংকৰদেৱ উচ্চ মাধ্যমিক বিদ্যালয়' প্ৰাংগণত আয়োজন কৰা হৈছে বুলি মঞ্চৰ সম্পাদক ধৰণীধৰ নাথে এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে। উক্ত দিনা পুৱা পতাকা উত্তোলন কৰিব মঞ্চৰ সভাপতি গৌৰীকান্ত নাথে। স্মৃতি তৰ্পণ কৰিব বহুভাষিক সাহিত্য মঞ্চ, অসমৰ প্ৰধান সম্পাদক দীপক শৰ্মাই। চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। স্বৰচিত কবিতা পাঠৰ অনুষ্ঠানৰ অন্তত আবেলি হ'বলগীয়া মুকলি সভাত দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক যুগল চন্দ্ৰ বৈশ্য আৰু কবি তথা নাট্যকাৰ ৰঞ্জিৎ চৌধুৰীয়ে ক্ৰমে মুখ্য আৰু বিশিষ্ট অতিথিৰূপে অংশ ল'ব। সভাতে মঞ্চৰ মুখপত্ৰ 'আৰোহণ' উন্মোচন কৰা হ'ব। অনুষ্ঠানৰ সকলো কাৰ্যসূচীতে ছাত্ৰ-ছাত্ৰী, সাহিত্যপ্ৰেমী ৰাইজৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# ৰঙিয়াৰ ভেহবাৰীত পুঠিমাৰী নদীৰ মথাউৰি সবলীকৰণ আঁচনিৰ উদ্বোধন

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ৩০ এপ্ৰিল ঃ** কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই কালি ৰঙিয়া মহকুমাৰ ভেহবাৰী অঞ্চলত পুঠিমাৰী নদীৰ মথাউৰি সবলীকৰণৰ জৰিয়তে বান প্ৰতিৰোধী আঁচনিখনৰ উদ্বোধন কৰে। ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ শিতানত ৰঙিয়া জলসম্পদ উপ-সংমণ্ডলৰ অধীনত ৰূপায়িত এই আঁচনিৰ জৰিয়তে পুঠিমাৰী নদীৰ বাওঁপাৰৰ বান নিয়ন্ত্ৰণৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত জলসম্পদ বিভাগৰ বিষয়ববীয়াসকলৰ লগতে বহুকেইগৰাকী ব্যক্তি তথা স্থানীয় ৰাইজ উপস্থিত থাকে।

# ফকিৰগড়ত মেলাৰ বিৰুদ্ধে উপায়ুক্তক অভিযোগ ফকিৰগড় আঞ্চলিক কৰ্মচাৰী পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**আগমনী, ৩০ এপ্ৰিল ঃ** ধুবুৰী জিলাৰ ফকিৰগড়ৰ মৌলানা ভাষাণী মহাবিদ্যালয় খেলপথাৰত এটি চক্ৰই ৰাইজৰ মতামত বিহীনভাৱে মেলা পতাৰ আয়োজনক লৈ অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মেলা পতাৰ বিৰুদ্ধে ফকিৰগড় অঞ্চলৰ ৰাইজ মাৰ বান্ধি থিয় দিছে। ফকিৰগড় আঞ্চলিক কৰ্মচাৰী পৰিষদে ইতিমধ্যে যোৱা ২৮ এপ্ৰিলত এই সন্দৰ্ভত ধুবুৰী জিলা উপায়ুক্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰা মতে, ফকিৰগড় মৌলানা ভাষাণী মহাবিদ্যালয় খেলপথাৰৰ আশে-পাশে বহু সংখ্যক বিদ্যালয়, হামিদাবাদ উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি থকাত এই মেলাই বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীক যথেষ্ট ক্ষতি কৰিব। আনহাতে, অহা পাঁচ মে'ৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম বৰ্ষৰ পৰীক্ষাৰ লগতে বিদ্যালয়সমূহত গুণোৎসৱ আছে। আনহাতে, এই অঞ্চলটো বৰ্তমান খহনীয়াৰ কৱলত পৰি ৰাইজৰ নিদ্ৰা হৰণ কৰিছে। এনে সন্ধিক্ষণত এনে মেলাই ছাত্ৰ-ছাত্ৰীক ক্ষতিগ্ৰস্ত কৰাৰ লগতে অঞ্চলৰ ৰাইজক আৰ্থিকভাৱেও ক্ষতিগ্ৰস্ত কৰিব বুলি ফকিৰগড় আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি আব্দুল হাফিজ চৌধুৰী আৰু সম্পাদক খাইৰুল ইছলাম প্ৰধানী স্বাক্ষৰিত স্মাৰকপত্ৰ ধুবুৰী জিলা উপায়ুক্তক প্ৰদান কৰে। আনহাতে, পুৱা ১০ বজাত ফকিৰগড় আৱৰ্ত ভৱনত কৰ্মচাৰী পৰিষদৰ উদ্যোগত বিভিন্ন দল-সংগঠনৰ আৰু ৰাইজৰ সহযোগত যৌথ সংবাদমেলৰ আয়োজন কৰা হয়। মৌলানা ভাষাণী খেলপথাৰত আয়োজন কৰিব বিচৰা মীনা বজাৰ 'মেলা' অনুষ্ঠিত কৰাৰ বিৰুদ্ধে আলোচনা কৰা হয় আৰু মেলাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা হয়। বিভিন্ন দল-সংগঠনে এই মেলা আয়োজক কমিটীক গৰিহণা আৰু ভৰ্ৎসনা দিয়ে। মেলাখন অনতিপলমে বন্ধ কৰিবলৈ ধুবুৰী জিলা প্ৰশাসনক দাবী জনায়। বিশেষকৈ ধুবুৰী জিলা উপায়ুক্ত আৰু ধুবুৰী জিলা আৰক্ষী অধীক্ষকক তৎকালীন ভাৱে কাৰ্যকৰী হোৱাকৈ ব্যৱস্থা ল'বলৈ স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনে আহ্বান জনায়।

## দুৰ্নীতিৰ বাবেই কে'বা ঠাইত পথৰ বিধ্বস্ত ৰূপ

# ডেকধোৱা মাজাৰলৈ যোৱা পথ নিৰ্মাণত অনিয়ম

অগ্ৰদূত বাৰ্তা,

**মাটিয়া ৩০ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ মাটিয়া উন্নয়ন খণ্ডৰ সূৰ্যগিৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত ৪৬ নম্বৰ ঘাইপথৰ পৰা ডেকধোৱা মাজাৰলৈ যোৱা পথ নিৰ্মাণৰ ক্ষেত্ৰত অনিয়ম সংঘটিত কৰা বুলি অভিযোগ উত্থাপিত হৈছে । উল্লেখ্য যে ২২৫০ মিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ বাবে জি এল-১৭ নম্বৰ পেকেজত ২০১৯-২০ৰ ৰাজ্যিক স্ব প্ৰাথমিকতা উন্নয়ন পুঁজি চমুকৈ এছঅ'পিডি আঁচনিৰ অধীনত এক কোটি ৭৮ লাখ ১৯ হেজাৰ ১৫৩ টকা আৱণ্টন দিয়া হয় । ইপিনে, ২০১৯ৰ ১০ মাৰ্চত স্থানীয় বিধায়ক এ কে ৰছিদ আলমে নিৰ্মাণ কাৰ্যৰ আনুষ্ঠানিকভাৱে আধাৰশিলা স্থাপন কৰিছিল। প্ৰাক্কলনক অংগুষ্ঠ প্ৰদৰ্শন কৰি অতি নিম্নমানৰ কাম কৰা বাবেই পথটোৰ শেষ প্ৰান্তত অৰ্থাৎ ডেকধোৱা মাজাৰৰ সমীপৰ অংশ বিধ্বস্ত হোৱাৰ অভিযোগ উঠিছে। ইপিনে, আনছেৰ আলীৰ ঘৰৰ সমীপত থকা টাৰ্ণিং পইন্টৰ পথ বিধ্বস্ত হৈ তলপিনে বহি গৈছে । উক্ত ঠাইত পূৰ্বেও বহি গৈছিল যদিও নামমাত্ৰ মেৰামতি কৰিয়েই দায়িত্ব সামৰিছিল ঠিকাদাৰে ।



ফলত পুনৰ বিধ্বস্ত ৰূপ ধাৰণ কৰিছে যদিও দায়িত্বৰত ঠিকাদাৰ তথা বিভাগীয় কৰ্তৃপক্ষই মেৰামতিৰ ব্যৱস্থা নকৰাত ৰাইজে বিপদসংকুল অৱস্থাত যাতায়াত কৰিবলগীয়া হৈছে। লগতে প্ৰয়োজনীয় ছাইডবামৰ কাম সম্পূৰ্ণ নকৰাৰ ফলতো যাতায়াতৰ নামত ৰাইজে সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। উল্লেখ্য যে চৰকাৰে স্থানীয় বিধায়কসকলক গড়কাপ্তানী বিভাগৰ বিশেষকৈ এছঅ'পিডি আঁচনিৰ পুঁজিৰে পথ নিৰ্মাণৰ ক্ষেত্ৰত বিভাগীয় কৰ্তৃপক্ষৰ স'তে জড়িত কৰাৰ ব্যৱস্থা কৰিছিল। কিন্তু উক্ত সুযোগ গ্ৰহণ কৰি গোৱালপাৰা পূৱ সমষ্টিৰ কংগ্ৰেছী বিধায়ক এ কে ৰছিদ আলমে বিভাগীয় কৰ্তৃপক্ষৰ স'তে লগ লাগি ঠিকা আৱন্টনৰ নামত ব্যাপক হাৰত কমিছন সংগ্ৰহ কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছিল। ইপিনে, বিধায়ক তথা বিভাগীয় কৰ্তৃপক্ষক বুজন পৰিমাণৰ কমিছন আদায় দি কাম লোৱা বাবেই এছঅ'পিডিৰ বেছিভাগ কামেই নিম্নমানৰ হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। এইদৰে বিধায়ক আৰু বিভাগীয় কৰ্তৃপক্ষৰ ছত্ৰছায়াত দায়িত্বৰত ঠিকাদাৰে অতি নিম্নমানৰ কাম কৰা বাবেই পেভাৰ ব্লকেৰে নিৰ্মাণ কৰা ডেকধোৱাৰ উক্ত পথটো বিধ্বস্ত হোৱা বুলি স্থানীয় সচেতন যুৱক নজমুল হকে মন্তব্য কৰিছে । তেওঁ আৰু কয় যে ৰাইজক দেখুৱাবলৈ বিধানসভাৰ ভিতৰে-বাহিৰে দুৰ্নীতিৰ বিৰুদ্ধে স্থানীয় বিধায়ক এ কে ৰছিদ আলমে সদায় চিঞৰি থাকে। কিন্তু ডেকধোৱাৰ পথটোৰ বিধ্বস্ত ৰূপৰ বিষয়ে অৱগত হোৱা সত্ত্বেও বিধায়কজনে চকু মুদা কুলিৰ ভাও লোৱা বুলিও অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। অৱশ্যে এই ক্ষেত্ৰত লোকনিৰ্মাণ বিভাগৰ দুধনৈ আৰু গোৱালপাৰা পূৱ ক্ষেত্ৰীয় পথ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তাৰ ভূমিকাও ৰহস্যজনক বুলি অভিযোগ উঠিছে । বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে অতি শীঘ্ৰে ডেকধোৱাৰ উক্ত পথটো মেৰামতিৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে স্থানীয় সচেতন যুৱক সাহা আলমে। কেৱল ডেকধোৱাৰ পথটোয়ে নহয় বিধ্বস্ত ৰূপ ধাৰণ কৰা পথসমূহ অতি শীঘ্ৰে মেৰামতি কৰিবলৈ দাবী জনাইছে সচেতন ৰাইজে।


# ডিগবৈ বৰজানত জ্যেষ্ঠ নাগৰিকৰ বিনামূলীয়াকৈ চকু পৰীক্ষা শিবিৰ

**ডিগবৈ, ৩০ এপ্ৰিল ঃ** তৈলনগৰী ডিগবৈ চহৰৰ বৰজানত জ্যেষ্ঠ নাগৰিকৰ বাবে বিনামূলীয়া এক চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা অন্ধতা দূৰীকৰণ সমিতিৰ উদ্যোগত ডিগবৈ লায়ন্স ক্লাব আৰু বালিজান বৰজান শাখা সাহিত্য সভাৰ সহযোগত বৰজান শংকৰ গুৰু নামঘৰ প্ৰাংগণত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। তিনিচুকীয়া জিলা অন্ধতা নিবাৰণ সমিতিৰ প্ৰৱন্ধক তথা চকু চিকিৎসক ড° অমূল্য গোহাঁয়ে বিনামূলীয়া চকুত পৰীক্ষা শিবিৰটোত বালিজান বৰজান বৃহৎ অঞ্চলৰ প্ৰায় শতাধিক জ্যেষ্ঠ নাগৰিকক চকু পৰীক্ষা কৰে। বিনামূলীয়া চকু পৰীক্ষা শিবিৰত ৩৬ গৰাকী জ্যেষ্ঠ নাগৰিকৰ চকু ছানি পৰা ৰোগ ধৰা পৰাত উন্নত চিকিৎসাৰ বাবে সম্পূৰ্ণ বিনামূলীয়াকৈ ডিব্ৰুগড় কে কে চহৰীয়া আই চিকিৎসায়ত অস্ত্ৰোপচাৰ কৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখ্য যে ইয়াৰ পূৰ্বেই তিনিচুকীয়া জিলা অন্ধতা দূৰীকৰণ সমিতি আৰু ডিগবৈ লায়ন্স ক্লাবে বহু গ্ৰামাঞ্চলত বিনামূলীয়াকৈ চকু পৰীক্ষা শিবিৰ আয়োজন কৰি বহু সংখ্যক চকু ৰোগত ভুগি থকা ৰোগীক চশমা প্ৰদান কৰাৰ লগতে অস্ত্ৰোপচাৰ কৰি আৰোগ্য কৰি আহিছে। লগতে আগন্তুক মে'ত বৃহত্তৰ লক্ষীপথাৰ অঞ্চলত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিবলৈ দিহা কৰিছে।

# মস্তিষ্ক-স্মৃতিশক্তি-মদ্যপান

**মস্তিষ্কৰ** ৰক্তক্ষৰণৰ বাবেই হওক অথবা আন আঘাতজনিত কাৰণতেই হওক যেতিয়া কেন্দ্ৰীয় স্নায়ুতন্ত্ৰত প্ৰভাৱ পৰে তেতিয়া স্মৃতিশক্তি আদিত ইয়াৰ প্ৰতিফলন দেখা যায়। সাধাৰণতে মস্তিষ্কৰ আঘাত হ’লে যিবোৰ সমস্যাই গা কৰি উঠে সেইবোৰৰ ভিতৰত ছাবডুৰেলাৰ হিমাটোমা অন্যতম বুলি কোৱা হয়। ছাৱডুৰেল হিমাটোমা দুই ধৰণৰ একিউট আৰু ক্ৰ’নিক ছাবডুৰেন হিমাটোমা। একিউট ছাবডুৰেল হিমাটোমা হ’লে আঘাতৰ লগে লগেই ৰক্তক্ষৰণ কৰিবলৈ ধৰে। আঘাতৰ ওপৰত ভিত্তি কৰিয়ে ইয়াৰ বিভিন্ন ধৰণৰ উপসৰ্গই গা কৰি উঠে। এনে হোৱাৰ লগে লগে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগে। নহ’লে বিপদ ঘনীভূত হ’ব পাৰে। আক্ৰান্তজনে হঠাতে সচেতন হয়। আজি কালি কম বয়সীয়া ল’ৰা-ছোৱালীৰ মস্তিষ্কৰ আঘাত বেছিকৈ হোৱা দেখা যায়। মস্তিষ্কৰ সিৰা, উপসিৰা ফাটি গ’লেও ৰক্তক্ষৰণ হোৱাৰ আশংকা থাকে। যি কোনো দুৰ্ঘটনা হ’লে প্ৰথমতে তেজ ওলোৱাটো বন্ধ কৰিব লাগে। মস্তিষ্কৰ আঘাত গুৰুতৰ হ’লে জীৱন মৰণৰ সমস্যাই গা কৰি উঠিব পাৰে। দুৰ্ঘটনা মানেই আইচিইউত ভৰ্তি হ’ব লাগিব বুলি কথা নাই। কাৰণ আইচিইউত ভৰ্তি কৰোৱা মানেই যে জীৱন ৰক্ষা কৰিব সেৱা নহয়।

মদ্যপানৰ স’তে মস্তিষ্কৰ সম্পৰ্ক থাকিব পাৰে বুলি বহুতেই জ্ঞাত নহয়। মদ্যপানৰ অভ্যাস স্থায়ী হ’লে লাহে লাহে ইয়াৰ প্ৰভাৱ মস্তিষ্কৰ ওপৰত পৰাৰ আশংকাই অধিক। কিছুমানে সদায় খৰতকীয়াকৈ মদ্যপান কৰে। এনেদৰে দ্ৰুতগতিত মদ্যপান কৰাটো অনুচিত। সেইবাবে মদ্যপান কৰোতেও সতৰ্কতা অৱলম্বন কৰিব লাগে। তদুপৰি যদি কোনো ৰোগত আক্ৰান্ত হৈ থাকে তেতিয়া হ’লে মদ্যপায়ীৰ পৰা আঁতৰি থকাটোৱে মংগলজনক। মদ্যপান কৰি কেতিয়াও গাড়ী মটৰ চলাব নালাগে। কিয়নো এনে অৱস্থাত দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাই অধিক।



মদ্যপায়ীসকলৰ দীৰ্ঘদিনীয়া অভ্যাসৰ প্ৰভাব স্নায়ুতন্ত্ৰৰ ওপৰত পৰে। মদ্যপানৰ ফলত তেজত শৰ্কৰাৰ পৰিমাণ বৃদ্ধি পায়। এনেদৰে শৰ্কৰাৰ পৰিমাণ যিমানেই বেছি হয় সিমানেই ডায়েবেটিছ হোৱাৰ পূৰামাত্ৰে আশংকা থাকে। এইখিনিতে উল্লেখ কৰিব লাগিব যে যিসকলৰ দীৰ্ঘদিন ধৰি তেজত শৰ্কৰাৰ পৰিমাণ অনিয়ন্ত্ৰিত অৱস্থাত থাকে তেতিয়া ইয়াৰ প্ৰভাৱ স্নায়ুৰ ওপৰত পৰে। ডায়েবেটিছত আক্ৰান্তসকলৰ পেৰীফেৰেল লিউৰোপেথী হোৱাৰ আশংকাই অধিক।

মদ্যপানৰ ফলত নিদ্ৰাহীনতাই গা কৰি উঠে। প্ৰচুৰ পৰিমাণে মদ্যপান কৰি থাকিলে প্ৰথমতে টোপনিত ব্যাঘাত জন্মে। এনেদৰে দীৰ্ঘদিনীয়া টোপনিত ব্যাঘাতৰ ফলত লাহে লাহে নিদ্ৰাহীনতাই গা কৰি উঠে। সেই বাবে সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত। দৰাচলতে টোপনিত সঘনাই ব্যাঘাত জন্মিলে স্মৃতিশক্তিৰ ওপৰত প্ৰভাৱ পৰে স্মৃতি সতেজ হৈ নাথাকে।

এগৰাকী ব্যক্তিয়ে স্বাভাৱিক জীৱন-যাপন কৰাত যিবোৰ বিষয়ৰ প্ৰয়োজন সেইবোৰ লাভ কৰিলেহে সুস্থ হৈ থাকিব পাৰে। স্মৃতিশক্তিৰ প্ৰভাৱে এই ক্ষেত্ৰত মন কৰিবলগীয়া।

**মস্তিষ্কৰ বিষয়ে জানি থোৱা ভাল**

শৰীৰৰ গুৰুত্বপূৰ্ণ অংশৰ ভিতৰত অন্যতম হ’ল মস্তিষ্ক। শৰীৰৰ মুঠ ওজনৰ মাত্ৰ তিনি শতাংশ ওজন থাকে মস্তিষ্কৰ। পিছে হৃদযন্ত্ৰৰ পৰা অক্সিজেনযুক্ত যিমান পৰিমাণৰ তেজ শৰীৰৰ বিভিন্ন অংশলৈ যায় তাৰ ভিতৰত মস্তিষ্কই ৩০ শতাংশ শোষণ কৰে। অৰ্থাৎ ৩০ শতাংশ তেজ হৃদযন্ত্ৰৰ পৰা মস্তিষ্কলৈ সৰবৰাহ হয়।

■ মস্তিষ্কই নিজাকৈ বিষ অনুভৱ কৰিব নোৱাৰে। ইয়াত বিষ গ্ৰাহক থাকে যদিও বিষ অনুভৱ নকৰে।

■ যেতিয়া শোৱাপাটী ত্যাগ কৰে তেতিয়া যিমান পৰিমাণৰ বৈদ্যুতিক প্ৰবাহ হয় তাৰ দ্বাৰা সৰু কম পাৱাৰৰ বাল্ব এটা জ্বলি উঠিব।

■ মস্তিষ্কৰ শৰীৰৰ মুঠ চৰ্বিৰ ৬০ শতাংশৰ প্ৰয়োজন। সেইবাবে দৈনন্দিন খাদ্য তালিকাত অ’মেগা-৩ আৰু অ’মেগা-৬ ফেটী এচিড অন্তৰ্ভুক্ত কৰিব লাগে।

মূত্ৰথলীৰ কৰ্কটৰ বাবে ৮০ শতাংশই দায়ী ধূমপান

ব্লাডাৰ কেন্সাৰ বা মূত্ৰথলীৰ কৰ্কট ৰোগৰ বাবে যিবোৰ কাৰক চিহ্নিত হৈছে তাৰ ভিতৰত ৮০ শতাংশৰ ক্ষেত্ৰতেই ধূমপানে খলনায়কৰ ভূমিকা লোৱা বুলি গৱেষকসকলে মন্তব্য কৰিছে। ভাৰতত সাধাৰণতে ৪০ ঊৰ্দ্ধৰ লোকৰ এনে ধৰণৰ ৰোগ বেছিকৈ হোৱা দেখা যায়। ধূমপানৰ ফলত কিছুমান ৰাসায়নিক কিডনী বা বৃক্কৰ পৰা প্ৰস্ৰাৱলৈ আহি কিছুসময় মূত্ৰথলীত থাকে। মহিলাৰ তুলনাত পুৰুষৰ এনে ৰোগীৰ সংখ্যা বেছি।

**স্মৃতিশক্তি কেনেদৰে বৃদ্ধি কৰিব ?**

■ স্মৃতিশক্তি বৃদ্ধি কৰিবলৈ খাওক কফি। ফিনলেণ্ডৰ এদল গৱেষকে এই বুলি মন্তব্য কৰিছে যে যিসকল লোকে দিনটোৰ ভিতৰত কমেও তিনি কাপ কফি খায় তেওঁলোকৰ স্মৃতিশক্তি সতেজ হৈ থাকে।

■ চকলেট খালেও স্মৃতিশক্তি বৃদ্ধি হয় বুলি শেহতীয়া গৱেষণাত প্ৰমাণিত হৈছে। নিতৌ আউন্সৰ এক তৃতীয়াংশ চকলেট খালে এনে উপকাৰ লাভ কৰাটো সম্ভৱ।

■ নিয়মীয়াকৈ ধ্যান কৰিলেও স্মৃতিশক্তি বৃদ্ধি পায়।

■ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ এদল গৱেষকে উল্লেখ কৰিছে যে সংগীতেও স্মৃতিশক্তি বৃদ্ধি কৰিব পাৰে। সংগীত শুনাৰ লগে লগে মস্তিষ্কৰ কোষত এক মৃদু কম্পনৰ সৃষ্টি হয়। ভাৰতীয় শাস্ত্ৰীয় সংগীত এই ক্ষেত্ৰত অধিক ফলপ্ৰসূ বুলি গৱেষকসকলে মন্তব্য কৰিছে।

■ ভিটামিন বি-১ আৰু ভিটামিন বি-ন যুক্ত খাদ্য নিয়মীয়াকৈ গ্ৰহণ কৰিলেও স্মৃতিশক্তি সজীৱ হৈ থাকে।

■ দৈনন্দিন খাদ্য তালিকাত কাৰ্বহাইড্ৰেট জাতীয় খাদ্য গ্ৰহণ কৰিবই লাগিব।

■ আমলখিৰ গুণৰ অন্ত নাই। ইয়াত প্ৰচুৰ পৰিমাণে ভিটামিন ‘চি’ৰ গুণৰ অন্ত নাই। ইয়াত প্ৰচুৰ পৰিমাণে ভিটামিন ‘চি’ৰ পৰা আৰম্ভ কৰি স্মৃতিশক্তি বৃদ্ধিৰ বাবে সকলো প্ৰয়োজনীয় উপাদান পোৱা যায়।

■ স্মৃতিশক্তি সতেজ কৰি ৰাখিবলৈ নিয়মীয়াকৈ মৌচুমী খোৱা উচিত। কাৰণ মৌচুমীত স্মৃতিশক্তি সজীৱ কৰি ৰাখিব পৰা প্ৰায়বোৰ উপাদান থাকে।

■ টেনচন আদিৰ পৰা মুক্ত হৈ থাকিবলৈ চেষ্টা কৰা উচিত। কাৰণ টেনচনৰ প্ৰভাৱ পৰোক্ষভাৱে মস্তিষ্কৰ ওপৰতো পৰিব পাৰে।

# বন্ধ্যাত্বৰ কাৰণ হ’ব পাৰে যক্ষ্মা



বন্ধ্যাত্বৰ কাৰণবহুতো আছে। এই ক্ষেত্ৰত পুৰুষ-মহিলাৰ কাৰণ বিভিন্ন হ’লেও অতি সম্প্ৰতি অনুপাত বৃদ্ধি হৈ আছে। পুৰুষ মহিলাৰ ভিতৰত মহিলাসকলৰ কাৰণৰ অন্যতম হিচাপে চিহ্নিত হৈছে যক্ষ্মা। এৰ সমীক্ষা মতে ২০-২৫ শতাংশ লোক পালমোনাৰী টিউবাৰকিউলিছৰ চিকাৰ হোৱা দেখা যায়। অৱশ্যে ইয়াৰ মাজতে নিশ্চুপ ঘাতকৰ দৰে কাম কৰে পেল্ভিক টিবিয়ে। কিয়নো এনে ধৰণৰ যক্ষ্মা সহজে ধৰা নপৰে। শেহতীয়াভাৱে গৱেষকসকলে কৰা মন্তব্য অনুসৰিয়ে এনে টিবিৰ বাবে মহিলাসকলে মাতৃত্ব অৰ্জনৰ পৰা বঞ্চিত হ’বলগীয়া হয়। আমাৰ দেশত ২৫-৩০ শতাংশ মহিলাৰ বন্ধ্যাত্বৰ কাৰণে মাতৃত্ব অৰ্জনৰ মুখৰ পৰা বহুযোজন দূৰত থাকিবলগীয়া হয়। পেলভিক বা জননাংগৰ টিবিৰ বাবে মাতৃত্ব অৰ্জনৰ বাবে বঞ্চিত হ’বলগীয়া হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে বছৰি ২৬ লাখ ‘মাইক্ৰ’ বেক্টেৰিয়াম টিবিৰ দ্বাৰা প্ৰতি বছৰে আক্ৰান্ত হয়। হাওঁফাঁওত টিবি হ’লে যদিহে উপযুক্তভাৱে সঠিক সময়ত চিকিৎসা কৰা নহয় তেতিয়া হ’লে তেজৰ মাধ্যমত শৰীৰৰ বিভিন্ন অংগলৈ প্ৰসাৰিত হয়। এনেদৰে প্ৰৱাহিত হোৱাৰ পাছত জননাংগ ফেলোপীয়ান টিউৱ প্ৰভাৱিত হয়। গৰ্ভাশয় মস্তিষ্ক আদিতো সমানে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। জননাংগ টিবিৰ বাবে মহিলাসকলৰ প্ৰজনন ক্ষমতা হ্ৰাস পাবলৈ ধৰিলেও ইয়াৰ বিশেষ লক্ষণ ফুঠি উঠে। ইপিনে, গৰ্ভাশয়ত হ’লে সাধাৰণতে অনিয়মীয়া মাহেকীয়া, তলপেটৰ বিষ, ওজন হ্ৰাস পোৱা, শৰীৰৰ উত্তাপ বৃদ্ধি পোৱাৰ উপৰি হৃদস্পন্দন বৃদ্ধি পায়। যেতিয়া সংক্ৰমণ গুৰুতৰ হয় তেতিয়া এনে ধৰণৰ লক্ষণে ফুটি উঠে। মহিলাসকলৰ যদিহে পিৰিয়ড বা মাহেকীয়াৰ সমস্যা নতুবা ভেজাইনেল ডিছচাৰ্জ বৃদ্ধি পালে শীঘ্ৰে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। কাৰণ সোনকালে যদি চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰে তেতিয়াহ’লে সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে। সময় থাকোতেই সকলোৱে ব্যৱস্থা গ্ৰহণ কৰা উচিত। মহিলাসকল যিকোনো টিবিত আক্ৰান্ত হ’লে গৰ্ভাশয়ত হোৱাৰ আশংকাও ৩০ শতাংশ বৃদ্ধি পায়। টিবিৰ বেক্টেৰিয়াই ফেলোচিয়ান টিউবক সহজেই আক্ৰমণ কৰে। ফলত অনিয়মীয়া মাহেকীয়াৰ লগতে তল পেটৰ বিষ হয়। এইখিনিতে উল্লেখ কৰিব লাগিব যে সাধাৰণতে ১৫-৩৫ বছৰৰ মাথোঁ এনে সমস্যাৰ স্বীকাৰ হয়। যিকোনো মহিলাৰে এনে হোৱাৰ আশংকা থাকে। এনে হ’লে চিকিৎসাৰ লগতে সমানেই খাদ্য গ্ৰহণ কৰা উচিত। ভিটামিন ‘চি’, ভিটামিন ‘ডি’যুক্ত খাদ্য নিয়মীয়াকৈ খাব লাগে। পৰিশোধিত চেনিৰ উপৰি বগা ৰুটি কমকৈ খোৱাটোৱে মংগলজনক।

## কোন মহিলাৰ আশংকা বেছি

■ পৰিয়ালৰ কোনো সদস্যৰ থাকিলে হ’ব পাৰে।
■ এইছআইভিত আক্ৰান্ত হ’লে ব্যাঘাত জন্মে।
■ গৰ্ভধাৰণৰ সময়ত কম ওজন, ঔষধ, মদ্যপানৰ ফলত এনে হোৱাৰ আশংকা থাকে।

## কেনেধৰণৰ সতৰ্কতা ল’ব ?

■ ভিৰৰ মাজত নাথাকিব।
■ মহিলাসকলে নিয়মীয়াকৈ যৌনাংগ পৰিষ্কাৰ কৰা উচিত।
■ সময়ত টিবিৰ প্ৰতিষেধক ল’ব লাগে।
■ প্ৰচুৰ পৰিমাণে সেউজীয়া শাক-পাচলি খাব লাগে।
■প্ৰদূষণৰ পৰা আঁতৰি থকাটোৱে মংগলজনক।



# ট্ৰিগাৰ ফিংগাৰ

কম্পিউটাৰৰ লগতে ম’বাইল ফোন, ভিডিঅ’ গেম আদিত সৰু সৰু ল’ৰা-ছোৱালীবিলাকে বেছিভাগ সময় অতিবাহিত কৰে। ফলত এসময়ত আঙুলিবোৰ অকামিলা হৈ পৰে। কম্পিউটাৰ ব্যৱহাৰকাৰীসকলৰ ভিতৰত আঙুলিৰ অসুখত প্ৰায়ভাগ লোক আক্ৰান্ত হয়। বিশেষকৈ যিসকলে বেছি সময় কম্পিউটাৰৰ মাউছটোৰ স’তে ব্যস্ত থাকে তেওঁলোকৰ এনে সমস্যাই গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। কম্পিউটাৰ ব্যৱহাৰ কৰোতে মাউছ ব্যৱহাৰ কৰিবই লাগিব। মাউছ অবিহনে কম্পিউটাৰত কাৰ্য সম্পাদন কৰাটো অসম্ভৱ। এইখিনিতে উল্লেখ কৰিব লাগিব যে কম্পিউটাৰৰ মাউছটোৰ ব্যৱহাৰ কৰিবলৈ কেৱল আঙুলিহে ব্যৱহাৰ কৰা হয়। বহুতেই দীৰ্ঘসময় ধৰি মাউছটো হাতেৰে ধৰি থকাৰ ফলত বিভিন্ন সমস্যাই গা কৰি উঠে। কাৰণ আঙুলিৰে মাউছটো ব্যৱহাৰ কৰাৰ সময়ত জিৰণি দিয়াৰ বিষয়ে অকণো নাভাৱে। অৱশ্যে নিৰ্দিষ্ট ব্যৱধানত জিৰণি ল’লে বা ব্যায়াম কৰিলে আঙুলিৰ জঠৰতাৰ সৃষ্টি হোৱাৰ আশংকা নাথাকে। প্ৰয়োজনতকৈ বেছি ব্যৱহাৰ হ’লে আঙুলিৰে মুঠি মাৰিবলৈ বা খুলিবলৈ ব্যৱহাৰ কৰা টেণ্ডনসমূহ ধ্বংস হ’বলৈ ধৰে। যেতিয়া বেছি সময় মাউছটো ব্যৱহাৰ কৰা হয় তেতিয়া টেণ্ডনসমূহ উত্তেজিত হয়। পৰৱৰ্তী সময়ত ই ফুলিবলৈ আৰম্ভ কৰে। এনে হোৱাৰ ফলস্বৰূপে লাহে লাহে আঙুলিসমূহ জঠৰ হৈ পৰে। লাহে লাহে বিষাবলৈ আৰম্ভ কৰে। কেতিয়াবা এনে বিষ অসহ্যকৰ হয়। যদিহে এনে হোৱাৰ পাছতো নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে কামৰ পৰা জিৰণি লোৱা নহয় আৰু চিকিৎসকৰ ওচৰলৈ নাযায় তেতিয়া হ’লে ই জটিল ৰূপ ধাৰণ কৰাৰ আশংকা নুই কৰিব নোৱাৰি।


ৰিউমিটইড আৰ্থ্ৰাইটিছ, গাউট, ডায়েবেটিছ আদি ৰোগত আক্ৰান্ত লোকসকলৰ এনে সমস্যা সততে গা কৰি উঠিব পাৰে। সাধাৰণতে আঙুলি অথবা বুঢ়া আঙুলি আদিৰ গাঁঠিত এই বিষ আৰম্ভ হ’বলৈ ধৰে। কম্পিউটাৰ আদি ব্যৱহাৰ কৰাৰ সময়ত আঙুলিৰ এই অংশত বেছিকৈ চাপ পৰিবলৈ ধৰে। এনে হ’লে বিষ হোৱাৰ লগতে গাঁঠিটো টানি ধৰাৰ নিচিনা হয়। তদুপৰি আঙুলিৰ চলন শক্তি বা মুঠি মৰা, লৰচৰ কৰা আদিত সমস্যাই গা কৰি উঠে। বহুতে প্ৰথম অৱস্থাত বিষয়টোৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিব নোখোজে। এনে লক্ষণে দেখা দিয়াৰ লগে লগে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিলে সুফল লাভ কৰিব পাৰি।

এই ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত হাড়ৰ চিকিৎসকসকলে পৰিস্থিতি অনুযায়ী চিকিৎসা কৰে। কিছুমানৰ বিষ নিবাৰণ কৰিবলৈ ঔষধ ব্যৱহাৰ কৰাৰ উপৰি ব্যায়ামৰো প্ৰয়োজন হয়। এনে হ’লে আঙুলি ফুলা প্ৰতিৰোধী ঔষধৰ লগতে বিভিন্ন বেজী (ষ্টেৰয়ড) ব্যৱহাৰ কৰা হয়। কিছুমানৰ ক্ষেত্ৰত আকৌ উপশম লাভ কৰিবলৈ কম্পিউটাৰৰ ব্যৱহাৰ সীমিত কৰিবলৈ চিকিৎসকে পৰামৰ্শ আগবঢ়ায়। তদুপৰি সমস্যা অতি গুৰুতৰ হ’লে কম্পিউটাৰ আদি ব্যৱহাৰ কিছু মাহলৈকে নিষিদ্ধ কৰি দিয়া হয়। যিসকলে চিকিৎসকে আগবঢ়োৱা পৰামৰ্শ আখৰে আখৰে পালন নকৰে তেওঁলোকে সদায় এনে সমস্যা লৈয়ে সময় অতিবাহিত কৰিবলগীয়া হয়।

# ৰোগ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আনৰ কথাত আপুনি গুৰুত্ব দিবনে ?

দৈনন্দিন জীৱনত আমি কিছুমান বিষয়ত আনৰ পৰা পৰামৰ্শ বিচাৰো। কিন্তু ৰোগৰ ক্ষেত্ৰত চিকিৎসকৰ বাহিৰে আনৰ পৰামৰ্শই কেতিয়াবা ৰোগীৰ বিপদ ঘটাব পাৰে। কিয়নো চিকিৎসকেহে ৰোগৰ নিদান দিব পাৰে। আজিকালি কিছুমান লোক স্বয়ম্ভূ চিকিৎসকৰ ৰূপত অৱতীৰ্ণ হৈছে। এতিয়া যিহেতু ডায়েবেটিছত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে সেয়েহে এই স্বয়ম্ভূ চিকিৎসকসকলে বিভিন্ন কৌশল তথা প্ৰলোভনেৰে ৰোগীক আকৰ্ষণ কৰিবলৈ চেষ্টা চলায়। আক্ৰান্ত লোকসকল সাধাৰণতে মানসিকভাৱে ভাগি পৰে। এই সময়ত যদি স্বয়ম্ভূ চিকিৎসকক লগ পায় তেতিয়াহ’লে তেওঁৰ পৰামৰ্শ অনুসৰিয়েই কোনো গৱেষণাগাৰত প্ৰমাণিত নোহোৱা ঔষধ খাবলৈ ইচ্ছা প্ৰকাশ কৰে। দীৰ্ঘদিন ধৰি এনে ঔষধ সেৱনৰ ফলত আক্ৰান্তজনৰ অৱস্থা লাহে লাহে জটিল হ’বলৈ ধৰে। সাধাৰণতে এনে জটিল পৰ্যায়ত উপনীত হ’লে বিশেষজ্ঞ চিকিৎসকৰ ওচৰলৈ আহে। তেতিয়া বহু পলম হৈ যায়। আনকি কিছুমান ৰোগীৰ হৃদযন্ত্ৰ, কিডনি আদিত ৰোগে প্ৰভাৱ বিস্তাৰ কৰাৰ পাছতহে চিকিৎসকৰ ওচৰলৈ আহে। কোনো লোকে এনেধৰণৰ স্বয়ম্ভূ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব নালাগে। সদায় বিশেষজ্ঞ চিকিৎসকে আগবঢ়োৱা পৰামৰ্শ অনুসৰিহে ঔষধ সেৱন কৰিব লাগে। কিয়নো তেজত শৰ্কৰা কম-বেছি হোৱাৰ সমান্তৰালভাৱে ইয়াৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ চিকিৎসকে ঔষধৰ পৰিমাণ কম-বেছি কৰিব পাৰে। চিকিৎসকৰ পৰামৰ্শৰ জৰিয়তেহে আক্ৰান্তজনৰ ৰোগৰ পৰা উপশম লাভ কৰিব পাৰে, স্বয়ম্ভূ চিকিৎসকৰ পৰামৰ্শ মতে নহয়।

# লাম্বাৰ ডিস্ক ডিজেনেৰেচন



কম্পিউটাৰ চলাওঁতেই হওক অথবা আন কামত ব্যস্ত থাকোতে বেছি সময় চকী আদিত বহাৰ ফলত শ্লিপডিস্কৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে। ৰাজহাড়ৰ তলৰ ফালে থকা ডিস্ক দুখনৰ মাজত সাধাৰণতে এনে সমস্যাই দেখা দিয়ে। ইয়াৰ ফলস্বৰূপে আঙুলিতো বিভিন্ন ধৰণৰ আনুষংগিক সমস্যা দেখা পোৱা যায়। এতিয়া এনেকুৱা সমস্যাত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। প্ৰথম অৱস্থাত কোনেও ৰোগটোৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান নকৰাৰ ফলত আক্ৰান্তৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে।

# ৰোগীৰ বাবে চেনি নে গুড় মিঠাই ভাল

চেনি আৰু গুড় মিঠাইত থকা শৰ্কৰাৰ মাজত কিবা পাৰ্থক্য আছে জানো? প্ৰায়ভাগ লোকেই চেনিতকৈ মিঠাই শৰীৰৰ বাবে উপকাৰী বুলি ভাবে। সেইবাবে বহুতেই বিশেষকৈ ডায়েবেটিছত আক্ৰান্ত লোকসকলে চেনিৰ পৰিৱৰ্তে গুড় মিঠাই খায়। গুড় মিঠাইত শৰ্কৰা কম থাকে বুলি ভাবে। চেনি মানেই শৰ্কৰা। অথচ গুড় মিঠাইত চেনিতকৈ কোনো গুণেই কম শৰ্কৰা নাথাকে। ডায়েবেটিছত আক্ৰান্ত লোকৰ বাবে শৰ্কৰা নিয়ন্ত্ৰণ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ। এয়া চেনিতেই অথবা গুড় মিঠাইতে হওক কোনো কথা নাই। ভ্ৰান্ত ধাৰণাৰ বশৱৰ্তী হৈ চেনিৰ পৰিৱৰ্তে গুড় মিঠাই খোৱাৰ মানসিকতা সলনি কৰিব লাগিব। কাৰণ এনে কৰাৰ ফলত কিছুমান ৰোগীৰ শৰ্কৰা ইমানেই বৃদ্ধি পায় যে ইয়াক নিয়ন্ত্ৰণ কৰাটো প্ৰত্যাহ্বান স্বৰূপ হয়। এগৰাকী ডায়েবেটিছত আক্ৰান্ত ৰোগীয়ে দিনটোৰ ভিতৰত কিমান শৰ্কৰা, কেলৰি গ্ৰহণ কৰিব পাৰে সেই সম্পৰ্কে জানি থোৱাটো তেনেই গুৰুত্বপূৰ্ণ বিষয়। প্ৰয়োজনতকৈ কেতিয়াও বেছি চেনি, মিঠাই নাখাব। এই ক্ষেত্ৰত চিকিৎসক, পুষ্টি বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

# স্বয়ম্ভূ চিকিৎসক হ’ব পাৰে ডায়েবেটিছ ৰোগীৰ বাবে ঘাতক

**আজিকালি বজাৰত এনে কিছু ঔষধ কেৱল বিজ্ঞাপনৰ জৰিয়তে উপলব্ধ কৰা হৈছে, যিবোৰ দৰাচলতে শৰীৰৰ বাবে ক্ষতিকাৰক। এইবোৰৰ কিছু ঔষধ বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰা বুলি প্ৰমাণ কৰাতো বিক্ৰেতাসকলৰ বাবেও প্ৰত্যাহ্বান।**



আজিকালি ডায়েবেটিছ ৰোগীৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। আধুনিক জীৱন যাপনৰ নামত যিমানেই শৰীৰটোৰ ওপৰত অত্যাচাৰ চলোৱা হৈছে সিমানেই এই ৰোগবিধে গা কৰি উঠিবলৈ সুযোগ পাইছে। ৰোগ প্ৰতিৰোধৰ বাবে আমি কিছুমান ক্ষেত্ৰত সদায় গুৰুত্ব প্ৰদান কৰা উচিত।

ঃ আমি দৈনন্দিন খাদ্য তালিকাত কেনেধৰণৰ খাদ্যসম্ভাৰ অন্তৰ্ভুক্ত কৰিছো সেই কথাত সদায় গুৰুত্ব প্ৰদান কৰিব লাগে। কেৱল পেট ভৰিলেই সেই খাদ্য ভাল বুলি ক’ব নোৱাৰি। ভাল খাদ্য মানেই সুষম আহাৰকে বুজা যায়। আজিকালি প্ৰায়ভাগ লোকে সময়ৰ অজুহাতত খাদ্যৰ পৰিৱৰ্তে শৰীৰৰ বাবে অপকাৰী খাদ্যহে গ্ৰহণ কৰে। বিশেষকৈ ফাষ্টফুড, জাংক ফুড আদি বেছিকৈ খোৱাৰ ফলত বিভিন্ন সমস্যাই গা কৰি উঠে। এই সমস্যাসমূহৰ ভিতৰত ডায়েবেটিছ অন্যতম। সেইবাবে আমি সৰুৰে পৰা খাদ্য গ্ৰহণৰ ক্ষেত্ৰত সতৰ্ক হ’বই লাগিব।

ঃ চিকিৎসকৰ পৰামৰ্শ অবিহনে যিকোনো ঔষধ সেৱন কৰা অনুচিত। আজিকালি বজাৰত এনে কিছু ঔষধ কেৱল বিজ্ঞাপনৰ জৰিয়তে উপলব্ধ কৰা হৈছে, যিবোৰ দৰাচলতে শৰীৰৰ বাবে ক্ষতিকাৰক। এইবোৰৰ কিছু ঔষধ বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰা বুলি প্ৰমাণ কৰাতো বিক্ৰেতাসকলৰ বাবেও প্ৰত্যাহ্বান। তৎসত্ত্বেও কেৱল বিজ্ঞাপনৰ জৰিয়তে মানুহৰ মাজত এনেদৰে প্ৰচাৰ চলাই যে সেইবোৰ ঔষধ খালেই আক্ৰান্তজনে ডায়েবেটিছৰ পৰা মুক্তি পাব। মনত ৰাখিব যে ডায়েবেটিছ নিয়ন্ত্ৰণহে কৰিব পাৰি, ইয়াৰ পৰা সম্পূৰ্ণৰূপে উপশম লাভ কৰাতো অসম্ভৱ। ডায়েবেটিছত আক্ৰান্তই সুস্থ জীৱন যাপন আৰু সুষম আহাৰ গ্ৰহণৰ জৰিয়তে দীৰ্ঘায়ু লাভ কৰিব পাৰে। তাৰ অৰ্থ এইটো নহয় যে তেওঁ ৰোগবিধৰ পৰা সম্পূৰ্ণৰূপে উপশম লাভ কৰিছে। আমি কিছুমান ৰোগ নিয়ন্ত্ৰণ কৰি দৈনন্দিন কাৰ্য সম্পাদন কৰাৰ লগতে স্বাভাৱিক জীৱন যাপন কৰিব পাৰো। এই কথা ভালদৰে উপলব্ধি কৰিহে জীৱনৰ গতিপথ আগুৱাই নিব লাগে।

# অষ্টিঅ’পৰোছিছ



হাড়ৰ ঘনত্ব হ্ৰাস পাবলৈ ধৰা প্ৰক্ৰিয়াটোৱেই হ’ল সহজ অৰ্থত অষ্টিঅ’পৰোছিছ। এই ৰোগত আক্ৰান্ত হ’লে হাড় একেবাৰেই থুনুকা হয়। যিকোনো সময়তে হাড় ভঙাৰ শংকা থাকে।

অষ্টিঅ’পৰোছিছ দুই ধৰণৰ— প্ৰাইমাৰী বা প্ৰাথমিক আৰু ছেকেণ্ডাৰী বা আনুষংগিক কাৰণত হোৱা ৰোগ। সাধাৰণতে প্ৰাইমাৰী অষ্টিঅ’পৰোছিছ বুলিলে বাৰ্ধক্যজনিত কাৰণত হোৱা অষ্টিঅ’পৰোছিছ, মাহেকীয়া বন্ধ হোৱাৰ পাছৰ পৰ্যায় আদি অন্তৰ্ভুক্ত কৰা হয়। আনহাতে, ছেকেণ্ডাৰী অষ্টিঅ’পৰোছিছত বিভিন্ন ঔষধৰ পাৰ্শ্বক্ৰিয়াৰ বাবে হোৱা কাৰণ, বিভিন্ন ৰোগ, বিভিন্ন হৰমনৰ বিসংগতি আদি অন্তৰ্ভুক্ত কৰা হয়।

সাধাৰণতে 30 বছৰ বয়সলৈকে পুৰুষ-মহিলা সকলোৱে হাড়ৰ বৃদ্ধি হৈ থাকে। ইয়াৰ বিপৰীতে 30 বছৰৰ পাছত হাড়ৰ ক্ষয় হ’বলৈ আৰম্ভ কৰে। সেইবাবে দেখা যায় যে যিসকলে হাড়ৰ বাবে প্ৰয়োজনীয় উপাদানসমৃদ্ধ খাদ্য নিয়মীয়াকৈ গ্ৰহণ কৰে তেওঁলোক সহজে এই ৰোগত আক্ৰান্ত নহয়। অথবা দেৰিকৈ এই ৰোগে গা কৰি উঠে।

**কোন বেছিকৈ আক্ৰান্ত হয়**

সাধাৰণতে সকলোৱে এই ৰোগত আক্ৰান্ত হ’ব পাৰে যদিও তুলনামূলকভাৱে মহিলাসকল বেছিকৈ আক্ৰান্ত হোৱা দেখা যায়। বিশেষকৈ মাহেকীয়া বন্ধ বা মেনোপজ হোৱাৰ পাছত মহিলাসকলৰ সততে এনে ধৰণৰ সমস্যাই গা কৰি উঠে। আজিকালি কম বয়সীয়া ল’ৰা-ছোৱালীৰো এই ৰোগ হয়। আনহাতে, বয়স বৃদ্ধিৰ লগে লগে হাড়ৰ মাজত যেতিয়া বিভিন্ন ধৰণৰ খনিজ পদাৰ্থৰ অভাৱ হয় তেতিয়া অষ্টিঅ’পৰোছিছে সক্ৰিয় হ’বলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। যিসকলে সৰুৰে পৰা এই ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰি আহিছে তেওঁলোকৰ এনে ৰোগে সহজে গা কৰি উঠিব নোৱাৰে।

**বংশগত প্ৰভাৱ**

এই ৰোগৰ আঁৰত বংশগত প্ৰভাৱ আছে বুলি গৱেষকসকলে মন্তব্য কৰিছে। যিসকলৰ পৰিয়ালত এনে ধৰণৰ সমস্যাই গা কৰি উঠে তেওঁলোকৰ ল’ৰা-ছোৱালীয়ে সৰুৰে পৰা সতৰ্কতা অৱলম্বন কৰা উচিত।

**বিভিন্ন কাৰণ**

অষ্টিঅ’পৰোছিছ হোৱাৰ আঁৰত বিভিন্ন কাৰণ আছে। এই কাৰণ সমূহৰ ভিতৰত অন্যতম হ’ল—

■ যিসকল লোকে নিয়মীয়াকৈ নিৰ্দিষ্ট মাত্ৰাতকৈ অধিক পৰিমাণে মদ্যপান কৰে তেওঁলোকৰ এনে ৰোগে সহজেই গা কৰি উঠিব পাৰে।

■ ধূমপান কৰাসকলৰো তুলনামূলকভাৱে এই ৰোগ বেছিকৈ হোৱাৰ আশংকা থাকে। ধূমপানৰ প্ৰভাৱ হাড়ৰ ওপৰত পৰোক্ষভাৱে পৰে যদিও বিষয়টোৰ ক্ষেত্ৰত প্ৰায়ভাগ লোকে গুৰুত্ব প্ৰদান কৰা দেখা নাযায়।

■ শৰীৰত যেতিয়া কেলছিয়ামৰ অভাৱ হয় তেতিয়া এই সমস্যাই গা কৰি উঠিব পাৰে। হাড়ৰ গঠনৰ ক্ষেত্ৰত কেলছিয়ামৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সহজ অৰ্থত ক’বলৈ হ’লে কেলছিয়াম অবিহনে হাড়ৰ গঠন আৰু শক্তিশালী হৈ থকাটো অসম্ভৱ।

■ হাড়ৰ গঠনৰ ক্ষেত্ৰত ভিটামিন ‘ডি’ৰ প্ৰভাৱ মন কৰিবলগীয়া। এইবিধ ভিটামিনৰ অভাৱ হ’লে অথবা নিৰ্দিষ্ট পৰিমাণতকৈ কম থাকিলে বিভিন্ন সমস্যাই গা কৰি উঠে।

■ পুষ্টিহীনতা হ’ব পাৰে অষ্টিঅ’পৰোছিছৰ অন্যতম কাৰণ।

■ উচ্চ প্ৰ’টিনযুক্ত খাদ্য গ্ৰহণ নিয়মীয়াকৈ প্ৰয়োজনতকৈ অধিক গ্ৰহণ কৰিলেও এনেধৰণৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে।

■ অষ্টিঅ’পৰোছিছৰ আন এক উল্লেখযোগ্য কাৰণ হ’ল শ্ৰম বিমুখ। শৰীৰটো সুস্থ কৰি ৰাখিবলৈ সকলোৱে কায়িক শ্ৰম কৰিবই লাগিব। আজিকালি কায়িক শ্ৰম নকৰা লোকৰ সংখ্যা বৃদ্ধি পোৱা বাবে এনেধৰণৰ সমস্যাত আক্ৰান্তৰ পৰিসংখ্যাও বাঢ়ি যাবলৈ ধৰিছে।

■ শৰীৰটোৱে নিৰ্দিষ্ট সময়লৈকেহে কাম কৰিবলৈ অনুমতি দিয়ে। ইয়াতকৈ বেছি সময় কাম কৰিলে ইয়াৰ প্ৰভাৱ পৰোক্ষভাৱে শৰীৰৰ ওপৰত পৰা দেখা যায়। সেইবাবে যিসকলে প্ৰয়োজনতকৈ বেছি সময় কাম কৰে তেওঁলোকৰ এনে সমস্যাই গা কৰি উঠা দেখা যায়।

■ শৰীৰত যেতিয়া হৰমনৰ তাৰতম্য হয় তেতিয়া এনেধৰণৰ সমস্যাই গা কৰি উঠিব পাৰে। বয়সৰ লগে লগে শৰীৰত হৰমন নিঃসৰণ বৃদ্ধি আৰু হ্ৰাস দুয়োটাই হৈ থাকে। বিশেষকৈ মহিলাসকলৰ মেনোপ’জ হোৱাৰ সময়ত শৰীৰত বিভিন্ন হৰমনৰ অভাৱ হ’বলৈ ধৰে। সেইবাবে খোজকাঢ়ি থাকোতেই কেতিয়াবা হাড় ভাঙি যাব পাৰে।

■ বিভিন্ন ধৰণৰ ৰোগৰ ঔষধ দীৰ্ঘদিন ধৰি নিয়মীয়াকৈ সেৱন কৰিলেও এই ৰোগে গা কৰি উঠিবলৈ এখন ক্ষেত্ৰ লাভ কৰে। বিশেষকৈ মৃগী, হাপানী আদিৰ ঔষধ নিয়মীয়াকৈ খাই থাকিলে এনে হোৱাৰ আশংকা থাকে। সেইবাবে যিকোনো ঔষধ চিকিৎসকৰ পৰামৰ্শ অবিহনে সেৱন কৰিব নালাগে। আজিকালি বহুতেই নিজেই নিজৰ চিকিৎসকৰ ৰূপত থিয় দিয়ে। ফলত নিজেই নিজৰ ক্ষতিসাধন কৰে।

■ আনহাতে, অষ্টিঅ’পৰোছিছ হোৱাৰ ক্ষেত্ৰত বংশগত প্ৰভাৱো মন কৰিবলগীয়া। যিসকলৰ পৰিয়ালত এই ৰোগ হোৱাৰ ইতিহাস আছে তেওঁলোকে নিয়মীয়াকৈ চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত।

■ পৰিৱেশগত, জাতিগত আৰু ভৌগোলিক কাৰণতো অষ্টিঅ’পৰোছিছ হ’ব পাৰে। মেদবহুলতা, অলসতা আদিও এই ৰোগৰ অন্যতম কাৰণ।

■ সঠিকভাৱে খাদ্য গ্ৰহণ নকৰিলেও পৰৱৰ্তী সময়ত এনেধৰণৰ সমস্যাই গা কৰি উঠাৰ আশংকা থাকে।



### মহিলাৰ ডাবলছ শাখাত সংগী মায়াৰ স'তে পৰাস্ত কৰিলে ১০ নম্বৰ স্থানৰ যুটি আনাস্তাছিয়া-মাগডাক

# আমেৰিকাত ইতিহাস অসমৰ ৰাইনা জাফৰৰ




## বিৰাটৰ অৰ্ধশতকে দলক সফলতা দিব নোৱাৰিলে



**মুম্বাই, ৩০ এপ্ৰিল ঃ** চলিত আই পি এলত আজি বিৰাট কোহলিয়ে অৰ্ধশতক অৰ্জন কৰে যদিও তেওঁৰ লেহেমীয়া ইনিংছে দলক বিজয় দিব নোৱাৰিলে। উল্লেখ্য যে আজি হোৱা প্ৰথমখন মেচত গুজৰাট টাইটান দলে ছয় উইকেটত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰা আৰ চি বিয়ে 170-6 ৰাণ কৰাৰ প্ৰত্যুত্তৰত গুজৰাট টাইটান দলে তিনিটা বল বাকী থাকোতে 174-4 ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। মেচখনত আৰ চি বিৰ হৈ ইনিংছ মুকলি কৰা বিৰাটে 53 বলত 58 ৰাণ কৰে। এসময়ত বলাৰ দুৰ্গত কঁপনি তোলা কিম্বা বহু শতকৰ অধিকাৰী কোহলীৰ বেটত এইবাৰ আই পি এলত কেৱল শূন্যতা। ধাৰাবাহিক বিফলতাৰ পাছতো যেন মূল একাদশৰ পৰা কোহলীক বাদ দিয়াৰ কথা ভবাটো সম্ভৱ নহয় দলীয় কৰ্তৃপক্ষৰ বাবে। তাৰ পৰিৱৰ্তে, ইনিংছ অ'পেনিঙৰ দায়িত্ব দিয়া হ'ল কোহলীক। কিন্তু সেই পৰিকল্পনা, প্ৰত্যাশাৰো যথোচিত উত্তৰ দিব নোৱাৰিলে বিৰাট কোহলীয়ে। যোৱা মেচত শূন্যত আউট হোৱাৰ লহতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু পাৰাস্ত হৈছিল ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে। উল্লেখ্য যে এইবাৰ নেতৃত্বৰ বোজাৰ পৰা মুক্ত হৈ খেলিবলৈ সিদ্ধান্ত লৈছিল কোহলীয়ে। বেয়া ফৰ্মত থকা তাৰকাগৰাকীৰ সিদ্ধান্তক আদৰণি জনাইছিল অনুৰাগীয়ে। কিন্তু ভবা মতে যে একোকে হোৱা নাই। ৰাজস্থানৰ বিৰুদ্ধে অপেনিং কৰিবলৈ আহি প্ৰসিদ্ধ কৃষ্ণাৰ বলত মাত্ৰ ন ৰান কৰি পেভিলিয়নলৈ উভতি গ'ল কোহলী। আজি ফৰ্মৰ বাবে সাৱধানে খেলে যদিও দলক সহায় কৰাত ব্যৰ্থ হয়।



**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** অসমৰ প্ৰতিভাবান টেনিছ খেলুৱৈ ৰাইনা জাফৰে আমেৰিকাত চমক সৃষ্টি কৰি গৌৰৱময় সফলতা লাভ কৰিছে। উল্লেখ্য যে মহিলাৰ ডাবলছ শাখাৰ মেচত অসম কন্যা ৰাইনাই ডাবলছত তেওঁৰ সংগীৰ স'তে খেলি আমেৰিকাৰ দশম ৰেংকিঙৰ যুটিক পৰাস্ত কৰি অঘটন সৃষ্টিৰে ইতিহাস ৰছনা কৰিছে। যোৱা 29 এপ্ৰিলত এই স্মৰণীয় সফলতা লাভ কৰে গুৱাহাটীৰ প্ৰতিভাবান টেনিছ খেলুৱৈ ৰাইনা জাফৰে। আমেৰিকাৰ টেক্সাছত আৰ্লিংটন টেনিছ প্ৰকল্পত হোৱা ইউ এছ টেনিছৰ এখন প্ৰতিযোগিতাত অসম কন্যা ৰাইনাই আৰু তেওঁৰ ডাবলছ সংগী আমেৰিকাৰে মায়া ড'নক'ৰ মুখামুখি হৈছিল আমেৰিকাৰ দশম ৰেংকিঙৰ যুটি আনাষ্টাছিয়া উছপেনস্কায়া আৰু মাগডা ৱাৰংস্কৱাৰ বিৰুদ্ধে। ছেমিফাইনেল মেচখনত অঘটন ঘটাই পোনপটীয়া ছেটত জয়লাভ কৰে অসম কন্যা ৰাইনাই আৰু তেওঁৰ ডাবলছ সংগী আমেৰিকাৰে মায়া ড'নক'ৰ। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলত ৰাইনাই আৰু মায়া ড'নক'ৰে পৰাস্ত কৰিছিল 25 নম্বৰ ৰেংকিং প্ৰাপ্ত মিডৱেষ্টাৰ্ণ ষ্টেট বিশ্বিবিদ্যালয়ৰ দলক। উল্লেখ্য যে টেক্সাছ এ এণ্ড এম বিশ্ববিদ্যালয়, কিংছভিলাক প্ৰতিনিধিত্ব কৰিছে অসম কন্যা ৰাইনা আৰু তেওঁৰ ডাবলছ সংগী মায়াই। ইয়াৰপূৰ্বে অসমৰ প্ৰতিভাবান টেনিছ খেলুৱৈ ৰাইনা জাফৰে ইউ এছৰ শীৰ্ষ 10 ৰ মাজত ষষ্ঠ হৈ ল'নষ্টাৰ অল স্প'ৰ্টছমেনশ্বিপ দলীয় সন্মান লাভ কৰিছিল। উল্লেখ্য যে ৰাইনা হৈছে অসমৰ ৰাষ্ট্ৰীয় টেনিছ খেলুৱৈ নাজনীন জাফৰৰ কন্যা।

### অভিনৱ বৰা প্ৰিমিয়াৰ ক্ৰিকেট লীগ

## আলিটাঙনী গেলেক্সিয়াৰ জয়



**অগ্ৰদূত বাৰ্তা, বেৰেজীয়া, ৩০ এপ্ৰিল ঃ** নগাঁও ক্ৰিকেটাৰ্ছ ক্লাবৰ উদ্যোগত নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামত চলি থকা অভিনৱ বৰা সোঁৱৰণী প্ৰীমিয়াৰ ক্ৰিকেট লীগৰ আজিৰ খেলত আলিটাঙনী গেলেক্সিয়ে হয়বৰগাঁও ছলাসৰ ষ্টাৰক 35 ৰাণত পৰাজিত কৰে। খেলখনত আলিটাঙনী গেলেক্সিয়াৰ দিলদাৰ হুছেইনক মেন অব দ্যা মেচৰূপে যোৰহাটৰ বাবুল পাত্ৰই আগবঢ়োৱা ভৰেশ পাত্ৰ সোঁৱৰণী ট্ৰফী প্ৰদান কৰে ক্ৰীড়া সংগঠক দেৱজ্যোতি গোস্বামীয়ে। দেওবাৰৰ খেলত হয়বৰগাঁও ঠাণ্ডাৰ্ছে কামপুৰ লায়নচৰ বিৰুদ্ধে আৰু আমোলাপট্টি ছুপাৰ জায়েণ্টছে আলিটাঙনী গেলেক্সিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব বুলি আয়োজক সমিতিৰ বিষয়ববীয়া অৰ্পণ দাস আৰু নবীন কালৱাৰে জনাইছে।

### আৰ চি বিক ছয় উইকেটত পৰাস্ত কৰি শীৰ্ষস্থান অক্ষুণ্ণ

## আই পি এলত অপ্ৰতিৰুদ্ধ গুজৰাট টাইটান



**মুম্বাই, ৩০ এপ্ৰিল ঃ** গুজৰাট টাইটান দলে চলিত আই পি এলত নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি পইণ্ট তালিকাত নিজৰ শীৰ্ষস্থান অক্ষুন্ন ৰাখিছে। আজি হোৱা প্ৰথমখন মেচত গুজৰাট টাইটান দলে ছয় উইকেটত পৰাস্ত কৰে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু দলক। পোনতে বেটিং কৰা আৰ চি বিয়ে 170-6 ৰাণ কৰাৰ প্ৰত্যুত্তৰত গুজৰাট টাইটান দলে তিনিটা বল বাকী থাকোতে 174-4 ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। উল্লেখ্য যে চলিত আই পি এলত এতিয়ালৈকে এখন মেচত পৰাস্ত হোৱা হাৰ্দিক পাণ্ডিয়া নেতৃত্বনাধীন গুজৰাট টাইটানে নখন মেচৰ আঠখনত জয়ী হৈ 16 পইণ্ট লাভ কৰিছে। ইয়াৰপূৰ্বে যোৱা মেচত গুজৰাট টাইটানে (199-5 ৰাণ) পাঁচ উইকেটত পৰাস্ত কৰিছিল ছানৰাইজাৰ্ছ হায়দৰবাদক (195-6 ৰাণ)। উল্লেখ্য যে এই জয়ৰে গুজৰাট টাইটান দলে প্ৰতিশোধো লয় ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে। ইয়াৰপূৰ্বে ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হোৱা খেলত ছানৰাইজাৰ্ছ হায়দৰবাদৰ বিৰুদ্ধে আঠ উইকেটত পৰাস্ত হৈছিল গুজৰাট টাইটানছ দল। মেচখনত পোনতে বেটিং কৰা গুজৰাট টাইটানছ দলে সাত উইকেটত 162 ৰাণ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদ দলে 19.1 অভাৰত দুই উইকেটত 168 ৰাণ কৰি আঠ উইকেটত সহজ জয় অৰ্জন কৰে। চলিত আই পি এলত সেয়াই গুজৰাট টাইটানছৰ প্ৰথম তথা একমাত্ৰ পৰাজয় আছিল। ইয়াৰপূৰ্বে গুজৰাট টাইটান দলে আঠ ৰাণত পৰাস্ত কৰিছিল কলকাতা নাইট ৰাইডাৰ্ছক। পোনতে বেটিং কৰি গুজৰাট টাইটান দলে ন উইকেটত কৰে 156 ৰাণ। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছ দলে নিৰ্ধাৰিত অভাৰত আঠ উইকেটত 148 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। ইয়াৰপূৰ্বৰ মেচত গুজৰাট টাইটান দলে তিনি উইকেটত পৰাস্ত কৰিছিল চেন্নাই ছুপাৰ কিংছক। আনহাতে দলে পূৰ্বৰ মেচত 37 ৰাণত পৰাস্ত কৰে ৰাজস্থান ৰয়েলছক। পোনতে বেটিং কৰা গুজৰাট টাইটান দলে চাৰি উইকেটত 192 ৰাণ কৰাৰ প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছ দলে ন উইকেটত 155 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।

## আজিৰে পৰা দিছপুৰত চিটি প্ৰিমিয়াৰ লীগ ক্ৰিকেট

**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** দিছপুৰ পেৰেড গ্ৰাউণ্ডত কাইলৈৰ পৰা আৰম্ভ হ'ব ত্ৰয়োদশ বাৰ্ষিক চিটি প্ৰিমিয়াৰ লীগ চমুকৈ চি পি এল ক্ৰিকেট টুৰ্ণামেণ্ট। চিটি ক্ৰিকেট কোচিং চেণ্টাৰে আয়োজন কৰা এই 20 অভাৰৰ ক্ৰিকেট টুৰ্ণামেণ্টখন ছাব-জুনিয়ৰ আৰু জুনিয়ৰ দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ছাব-জুনিয়ৰ গ্ৰুপৰ সকলো মেচ পুৱা ন বজাৰ পৰা আৰু জুনিয়ৰ গ্ৰুপৰ সকলো মেচ দিনৰ 12 বজাৰ পৰা আৰম্ভ হ'ব। চি পি এলৰ ছাব-জুনিয়ৰ গ্ৰুপৰ দলবোৰ হ'ল - কোব্ৰা, লিয়পাৰ্ড, ৰাইনো, ডাইনাছ'ৰ আৰু পেৰট। কাইলৈ পুৱা ডাইনাচ'ৰ দলে পেৰট দলৰ বিৰুদ্ধে প্ৰথম মেচ খেলিব। আনহাতে, জুনিয়ৰ গ্ৰুপৰ দলবোৰৰ নাম হ'ল— পেংগুইন, ঈগলছ, কিং ফিছাৰ আৰু হায়েনা। কাইলৈ দুপৰীয়া জুনিয়ৰ গ্ৰুপত পেংগুইন দলে ঈগলছৰ বিৰুদ্ধে প্ৰথম মেচ খেলিব। ছাব জুনিয়ৰ গ্ৰুপৰ সকলো খেলুৱৈক পুৱা 8.15 বজাত আৰু জুনিয়ৰ গ্ৰুপৰ খেলুৱৈসকলক দিনৰ 11.30 বজাত উপস্থিত হ'বলৈ আহ্বান জনাছে চিটি ক্ৰিকেট কচিং চেণ্টাৰৰ মুখ্য সম্পাদক তথা এন আই এছ প্ৰশিক্ষক গৌতম হাজৰিকাই।



এছিয়ান বেডমিণ্টনত ব্ৰঞ্জ পদকতে সন্তুষ্ট থাকিল সিন্ধু। ছেমিফাইনেলত জাপানৰ আকানে ২১-১৩, ১৯-২১, ২১-১৬ ত হৰুৱাই সিন্ধুক।

### আইটা চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ

## ১৬ বছৰৰ অনূৰ্ধ্বত অসমৰ ৰিয়ান কাশ্যপৰ ডাবলছ খিতাপ

**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** অসমৰ ৰিয়ান কাশ্যপে কলকাতাত অনুষ্ঠিত হোৱা আইটা চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত ডাবলছ খিতাপ জয় কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে কলকাতাৰ ডি কে এছ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আইটা চেম্পিয়নশ্বিপ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ ল'ৰাৰ 16 বছৰ অনূৰ্ধ্বৰ ডাবলছ শাখাত বংগৰ সৌনাক চেতাৰ্জীৰ লগত যুটি বন্ধি খেলিছিল অসমৰ ৰিয়ান কাশ্যপে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি ফাইনেলত অসমৰ ৰিয়ান কাশ্যপ আৰু তেওঁৰ সংগী বংগৰ সৌনাক চেতাৰ্জীয়ে বংগৰ যুটি মায়ান্দ তিৱাৰী আৰু সূৰ্য স্বৰূপক পৰাস্ত কৰি ল'ৰাৰ 16 বছৰ অনূৰ্ধ্বৰ ডাবলছ শাখাৰ চেম্পিয়ন ট্ৰফী লাভ কৰে। অৱশ্যে ল'ৰাৰ 16 বছৰ অনূৰ্ধ্বৰ একক শাখাৰ মেচত অসমৰ ৰিয়ান কাশ্যপ পৰাস্ত হয় ছেমিফাইনেলত। শীৰ্ষ বাছনিৰ বংগৰ মায়ান্দ তিৱাৰীয়ে 6-3, 6-4 ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে অসমৰ ৰিয়ান কাশ্যপক।




## 'খেলো ইণ্ডিয়া'লৈ সাজু হাৰিয়ানা

**নতুন দিল্লী, ৩০ এপ্ৰিল ঃ** হাৰিয়ানাত অহা 4-13 জুনত অনুষ্ঠিত হ'ব খেলো ইণ্ডিয়া য়ুথ গেমছ। চতুৰ্থ সংস্কৰণৰ বিভিন্ন ইভেণ্টৰ খেলসমূহ পঞ্চকুলাৰ লগতে সাহাবাদ, আম্বালা, চণ্ডীগড় আৰু দিল্লীত অনুষ্ঠিত হ'ব। 18 বছৰ অনূৰ্ধ বয়সৰ প্ৰায় 8, 500 খেলুৱৈয়ে এই দুসপ্তাহ জোৰা ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰিব। 25 টা ইভেণ্টৰ ভিতৰত ভাৰতত জন্ম হোৱা 5 বিধ খেলো থাকিব। হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মনোহৰলাল খাত্তাৰে জনোৱা মতে অহা 8 মে' ত পঞ্চকুলাৰ ইন্দ্ৰধনুষ প্ৰেক্ষাগৃহত খেলো ইণ্ডিয়া য়ুথ গেমছৰ শুভঙ্কৰ প্ৰতীক আৰু ল'গ' উন্মোচন কৰা হ'ব। ইয়াৰ বাবে ব্যাপক প্ৰস্তুতি ইতিমধ্যে আৰম্ভ হৈছে। এই ক্ৰীড়া সমাৰোহ সফলভাবে আয়োজন কৰিবলৈ ইনড'ৰ ষ্টেডিয়াম, ছিনথেটিক ট্ৰেক, এথলেটিক ট্ৰেক নিৰ্মাণ কৰা হৈছে। তদুপৰি পঞ্চকুলাৰ ছেক্টৰ 14 ৰ গৰ্ভমেণ্ট ৱ'মেনছ কলেজত বেডমিণ্টনৰ বাবে ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰ কাম ইতিমধ্যে সমাপ্ত হৈছে। আম্বালাত সকলো বতৰতে খেলিবপৰা ছুইমিং পুলৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। পঞ্চকুলা আৰু সাহাবাদত শীঘ্ৰে সম্পূৰ্ণ হৈ উঠিব হকী ষ্টেডিয়াম নিৰ্মাণৰ কাম।

## এএছজেএৰ অনন্য পদক্ষেপ

**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** অহা বৰ্ষৰ 1 জুলাইত অসমত খেলৰ বাতৰি প্ৰকাশৰ এশ বছৰ সম্পূৰ্ণ হ'ব। উল্লেখ্য যে ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'অসমীয়া' নামৰ এখন সাপ্তাহিক কাকতত খেল বিষয়ক প্ৰথমটো বাতৰি প্ৰকাশ পাইছিল। অসমৰ ক্ৰীড়া আৰু ক্ৰীড়া সংবাদিকতাৰ ক্ষেত্ৰখনৰ বাবে ঐতিহাসিক ক্ষণ হিচাপে পৰিগণিত এই দিনটোক বিশেষ তাৎপৰ্যপূৰ্ণ কৰি তুলিবলৈ অসম ক্ৰীড়া সাংবাদিক সন্থাই অভিলাসী পদক্ষেপ গ্ৰহণ কৰিছে। এই অনুসৰি, এ এছ জে এ চলিত বৰ্ষৰ 2 জুলাইৰ পৰা বৰ্ষজোৰা কাৰ্যসূচীৰে অসমত খেলৰ বাতৰি প্ৰকাশৰ শতবৰ্ষ উদযাপনৰ যো-জা চলাইছে। গুৱাহাটীত এক সংবাদমেলত এই কথা প্ৰকাশ কৰে সন্থাৰ সভাপতি সুবোধমল্ল বৰুৱা আৰু সম্পাদক ইমতিয়াজ আহমেদে। 'খেলৰ বাতৰিৰ বিৱৰ্ত্তনৰ শতবৰ্ষ' হিচাপে পালন কৰিবলগীয়া এই বৰ্ষটোত সন্থাই ক্ৰীড়া সাংবাদিকৰ কল্যাণমূলক কাৰ্যসূচীৰ লগতে কেবাটাও বক্তৃতানুষ্ঠান,ক্ৰীড়া কথাছবি মহোৎসব, অন্তৰংগ আলাপ, ক্ৰীড়া ফটোগ্ৰাফী প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা আদি আয়োজন কৰিব। সন্থাই অসমত খেলৰ বাতৰি প্ৰকাশৰ শতবৰ্ষ সম্পূৰ্ণ হোৱা উপলক্ষে ইতিহাস সম্বলিত গ্ৰন্থও প্ৰকাশ কৰিব।



## গুৱাহাটী ৰেফাৰী সন্থাৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ প্ৰস্তুতি

**গুৱাহাটী, ৩০ এপ্ৰিল ঃ** গুৱাহাটী ৰেফাৰী সন্থা, চমুকৈ জি আৰ এ-ই অহা আঠ মে, দেওবাৰে সোণালী জয়ন্তী বৰ্ষ উদযাপন কৰিব। উল্লেখ্য যে 1970 ত গঠিত জি আৰ এ-ই এই উপলক্ষে এক বিস্তৃত কাৰ্যসূচী প্ৰস্তুত কৰিছে। গুৱাহাটী নেহেৰু ষ্টেডিয়ামৰ অস্থায়ী জি আৰ এ কাৰ্যালয়ত আজি হোৱা এক সংবাদ মেল সম্বোধন কৰে জি আৰ এ ৰ সভাপতি তপন চন্দ্ৰ হাজৰিকা, সম্পাদক আখটাৰ হুছেইন আৰু প্ৰাক্তন ৰেফাৰী ডাঃ দীনেশ কাকতিয়ে। সংবাদ মেলত অবগত কৰা অনুসৰি গুৱাহাটী ৰেফাৰী সন্থাই সোণালী জয়ন্তী বৰ্ষ উপলক্ষে ন-পুৰণি সকলো ৰেফাৰীকে সমবেত কৰিব। তদুপৰি মৃত ৰেফাৰীসকলৰ পৰিয়ালক সম্বৰ্ধনা জনোৱা হ'ব। সিদিনা বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব ক্ৰীড়া সঞ্চালক নিবেদন দাস পাটোৱাৰী, অসম ফুটবল সন্থাৰ সম্পাদক হেমেন্দ্ৰ নাথ ব্ৰহ্ম, অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শইকীয়া, গুৱাহাটী ক্ৰীড়া সন্থাৰ সভাপতি পুলক গোস্বামী, উপ সভাপতি মনজিত ভাগৱতী, সন্থাৰ মুখ্য উপদেষ্টা প্ৰেমধৰ শৰ্মা আৰু অসম ফুটবল দলৰ প্ৰাক্তন অধিনায়ক সন্তোষ গোস্বামীয়ে। ইফালে, নেহৰু ষ্টেডিয়ামৰ 10 নং গেলাৰীৰ তলত জি আৰ এ ৰ স্থায়ী কাৰ্যালয় নিৰ্মাণ কৰা হ'ব বুলিও হাজৰিকাই সংবাদ মেলত অবগত কৰে।



## মুকলি ক্ৰীড়া প্ৰশিক্ষণ শিবিৰৰ সফল সামৰণি

**অগ্ৰদূত বাৰ্তা, বেৰেজীয়া, ৩০ এপ্ৰিল ঃ** নগাঁও জিলাৰ ৰহাৰ জোঙালবলহু আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু অসম অলিম্পিক সন্থাৰ সহযোগত লাওফুলাবড়ি খেলপথাৰত যোৱা দুই এপ্ৰিলৰ পৰা দুটা পৰ্যায়ত আয়োজিত মুকলি ক্ৰীড়া প্ৰশিক্ষণ শিবিৰৰ আজি সফলতাৰে অন্ত পৰিছে। গ্ৰামাঞ্চলটোৰ 467 জনৰো অধিক শিশু আৰু চেমনীয়াই ভাগ লোৱা শিবিৰটোত এথলেটিকছ, ফুটবল,ভলীবল, ৰেষ্টলিং,হকী আৰু কাবাডী খেলৰ প্ৰশিক্ষণ হয়। দীঘলআটি,চহৰী,হাটবৰ আৰু চাপৰমুখ গাঁও পঞ্চায়ত এলেকাৰ উদীয়মান খেলুৱৈসকলক সামৰি লোৱা প্ৰশিক্ষণ শিবিৰটোত প্ৰথম পৰ্যায়ৰ লগতে যোৱা 20 এপ্ৰিলৰ পৰা অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ প্ৰশিক্ষণতো প্ৰথম পৰ্যায়ৰ খেলৰ ইভেণ্টসমূহৰ লগতে হকী আৰু ৰেষ্টলিং খেল সংযোজিত কৰা হয়। শিবিৰটোত জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশক প্ৰভাত চন্দ্ৰ বৰা মুখ্য প্ৰশিক্ষকৰূপে থকাৰ বিপৰীতে গনেশ ডেকা (ফুটবল),নপুৰ নেওগ (ভলীবল),আৰফান আলি(কাবাডী),উপেন্দ্ৰ কুমাৰ ঠাকুৰ,দীক্ষা দেৱী(এথলেটিকছ),বিজয়া বৰদলৈ (হকী) প্ৰশিক্ষক আৰু বগাধৰ ডেকাৰজা,জৰচন টেৰাং,পাৰ্থপ্ৰতিম বৰা,হিৰণ্য গোহাঁই,দিগন্ত নাথ,বিচিত্ৰৰঞ্জন বড়া আদি সহযোগী প্ৰশিক্ষকৰূপে আছিল। আনহাতে, প্ৰশিক্ষণ কালৰ মাজত বিশিষ্ট সমাজ সংগঠক তথা অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ উপাধ্যক্ষ বিষ্ণু দাস,লখিমপুৰৰ হাৰমতিৰ ক্ৰীড়া সংগঠক দিবাকৰ বৰা,নগাঁৱৰ সত্যজিত বৰা আদিয়েও অংশগ্ৰহণকাৰীসকলৰ সৈতে মত-বিনিময় কৰিছিল। ইয়াৰোপৰি প্ৰশিক্ষণৰ মাজতে আন্তঃৰাষ্ট্ৰীয় হকী খেলুৱৈ সাক্ষী পানৱাৰৰ উপস্থিতিত কলিয়াবৰ আৰু জোঙালবলহু ছোৱালী হকী দলৰ মাজত খেলুৱৈসকলক উৎসাহিত কৰাৰ বাবে এখনি প্ৰদৰ্শনীমূলক হকী খেলো হয়। এই প্ৰশিক্ষণৰ অন্তত আজি সামৰণি অনুষ্ঠানত মুখ্য অতিথি ৰহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাসৰ লগতে ক্ৰীড়া ভাৰতীৰ উত্তৰ পূৰ্বাঞ্চলৰ সংগঠক মনোজ মহান্তী,আয়োজক সমিতিৰ সভাপতি হিৰণ্য কুমাৰ ভট্টাচাৰ্য,তিৰা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য তথা জোঙালবলহু আঞ্চলিক ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক প্ৰনৱজ্যোতি মছৰং,তিৱা স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য সৰুজ কোঁৱৰ,নগাঁও জিলা খো খো সন্থাৰ সম্পাদক সমীৰ হাজৰিকা,শিক্ষাবিদ নবীন চন্দ্ৰ বৰা,সংগঠক থানেশ্বৰ কোঁৱৰ,ডিম্বেশ্বৰ কোঁৱৰ আদি উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰসমূহ বিতৰণ কৰে। নৱগঠিত জোঙালবলহু আঞ্চলিক ক্ৰীড়া সন্থাৰ সভাপতি তথা দীঘলিআটি গাঁও পঞ্চায়তৰো সভাপতি হিৰণ্য কুমাৰ ভট্টাচাৰ্যৰ লগতে সাধাৰণ সম্পাদক প্ৰনৱজ্যোতি মছৰঙৰ ঐকান্তিক প্ৰচেষ্টাত আৰু অসম অলিম্পিক সন্থাৰ কোষাধ্যক্ষ তপন কুমাৰ দাসৰ পূৰ্ণ সহযোগিতাত ক্ৰীড়া সন্থাটোৰ আন সদস্য-সদস্যা তথা বিষয়ববীয়াসকলে অঞ্চলটোৰ উদীয়মান খেলুৱৈসকলৰ বাবে লোৱা এই প্ৰশিক্ষণ শিবিৰে অংশগ্ৰহণকাৰীৰ অভাৱনীয় সঁহাৰি লাভ কৰাত স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজৰ পৰা উদ্যোক্তাসকল প্ৰশংসিত হৈছে। উল্লেখ্য যে,আজিৰ সামৰণি অনুষ্ঠানতে বৃহত্তৰ অঞ্চলটোত সিচঁৰিত হৈ থকা ক্ৰীড়া প্ৰতিভা বিকশিত কৰাৰ বাবে মে'ৰ তৃতীয় সপ্তাহত নেশ্বনেল এডুকেশ্বনেল চেৰিটেবুল ট্ৰাষ্টৰ সৌজন্যত এক প্ৰতিভা সন্ধানী প্ৰতিযোগিতাও লাওফুলাবড়িত অনুষ্ঠিত কৰা হ'ব বুলি সঞ্চালক পি চি বৰাই আনুষ্ঠানিকভাৱে ঘোষণা কৰে।



### দেশৰ ভিন্ন প্ৰান্তৰ এশৰো অধিক খেলুৱৈৰ অংশগ্ৰহণ

## খাৰখুঁটাত ৰাষ্ট্ৰীয় পেৰাগ্লাইডিং



**মেঘালয়ৰ পৰা মণিমালা ডেকা**

**৩০ এপ্ৰিল ঃ** অসম মেঘালয় সীমান্তৱৰ্তী মেঘালয়ৰ খাৰখুঁটাত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুঃসাহসিক প্ৰথম মেঘালয় নেচনেল পেৰাগ্লাইডিং একুৰেচি চেম্পিয়নশ্বিপ 2022। মেঘালয়ৰ বন আৰু স্বাস্থ্য মন্ত্ৰী জেমচ পি কে চিংমাই চেম্পিয়নশ্বিপ খন উদ্বোধন কৰে। খাৰখুঁটা সমষ্টিৰ বিধায়ক ৰুপাৰ্ট ম'মিন, মেঘালয়ৰ উত্তৰ গাৰো পাহাৰ জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, জিলা পৰ্যটন বিষয়া, চিকিৎসা বিষয়া, জিলা ক্ৰীড়া বিষয়া, জনস্বাস্থ্য কাৰিকৰী বিষয়া সমন্বিতে ৰাজ্য চৰকাৰৰ বহুকেইজন বিশিষ্ট ব্যক্তিৰ উপস্থিতিত ৰষ্ট্ৰীয় প্ৰতিযোগিতাখন উদ্বোধন কৰা হয়। উল্লেখ্য যে চাৰিদিনকৈ অনুষ্ঠিত হোৱা এই প্ৰতিযোগিতাৰ বাবে ভাৰতবৰ্ষৰ ভিন্ন প্ৰান্তৰ পৰা প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। এই প্ৰতিযোগিতাত সামৰিক আৰু অৰ্ধসামৰিক বাহিনীৰ উচ্চ পদস্থ বিষয়াইও অংশ লৈছে। মেঘালয় চৰকাৰৰ সৌজন্যত প্ৰাকৃতিক সৌন্দয্যৰে ভৰপুৰ উত্তৰ গাৰো পাহাৰ জিলাৰ খাৰখুঁটাত খাৰখুঁটা পেৰাগ্লাইডিং এচোচিয়েচন আয়োজন কৰা প্ৰতিযোগিতাখন মুকলি কৰি মন্ত্ৰী জেমচ পি কৰে চাংমাই খেলুৱৈ সকলক অভিনন্দন জ্ঞাপন কৰে। একেদৰে বিধায়ক ৰুপাৰ্ট ম'মিনৰ এই প্ৰচেষ্টাক প্ৰশংসা কৰে।



ইউক্ৰেইনবাসীৰ বাবে তেওঁ পৰিণত হৈছিল ‘নায়ক’ত। আকৌ তেৰেঁই আছিল ‘কিয়েভৰ ভূত’। ৰামায়ণৰ মেঘনাদৰ দৰে আঁৰত থাকি ৰাছিয়াৰ বিৰুদ্ধে অব্যাহত ৰাখিছিল বিমান আক্ৰমণ। একক দক্ষতাৰে ধ্বংস কৰিছিল ৪০খন ৰুছ যুদ্ধবিমান। অৱশ্যে কিয়েভৰ সেই ‘ভূত’ৰ ইতিমধ্যে মৃত্যু হৈছে। যুদ্ধতে সেই ‘ভূত’ নিহত হোৱাৰ বাতৰি প্ৰায় ডেৰ মাহৰ পাছত সদৰী হৈছে।

# ৰাছিয়াৰ গুলিত নিহত ‘কিয়েভৰ ভূত’

## ডেৰ মাহৰ পাছত সদৰী হ’ল মৃত্যুৰ বাতৰি ঃ ইউক্ৰেইন চৰকাৰে দিলে সাহসিকতাৰ সন্মান

**নিউজ ব্যুৰ’**
**কিয়েভ, ৩০ এপ্ৰিল ঃ** ইউক্ৰেইনবাসীৰ বাবে তেওঁ পৰিণত হৈছিল ‘নায়ক’ত। আকৌ তেৰেঁই আছিল ‘কিয়েভৰ ভূত’। ৰামায়ণৰ মেঘনাদৰ দৰে আঁৰত থাকি ৰাছিয়াৰ বিৰুদ্ধে অব্যাহত ৰাখিছিল বিমান আক্ৰমণ। একক দক্ষতাৰে ধ্বংস কৰিছিল ৪০খন ৰুছ যুদ্ধবিমান। অৱশ্যে কিয়েভৰ সেই ‘ভূত’ৰ ইতিমধ্যে মৃত্যু হৈছে। যুদ্ধতে সেই ‘ভূত’ নিহত হোৱাৰ বাতৰি প্ৰায় ডেৰ মাহৰ পাছত সদৰী হৈছে। এই দাবী কৰা হৈছে ‘দ্য টাইম’ কাকতৰ প্ৰতিবেদনত। যোৱা মাহত ৰাছিয়াৰ স’তে হোৱা যুদ্ধত নিহত হয় ‘ঘোষ্ট অৱ কিয়েভ’। ইমানদিনে তেওঁ আছে নে নাই, সেই বিষয়ত বিভিন্ন জল্পনা-কল্পনা চলিছিল। অৱশেষত সেই ‘ভূত’ৰ মৃত্যুৰ বাতৰিৰ লগতে পোহৰলৈ আহিছে তেওঁৰ প্ৰকৃত পৰিচয়ো।

‘ঘোষ্ট অৱ কিয়েভ’ৰ প্ৰকৃত নাম হৈছে মেজৰ ষ্টেপান তাৰাবালকা। কে’বাটাও সংবাদ মাধ্যমে দাবী কৰিছে যে যোৱা ১৩ মাৰ্চত ৰুছ বাহিনীৰ ওপৰত আক্ৰমণ চলোৱাৰ সময়তে শত্ৰুপক্ষৰ গোলাৰ আঘাতত তেওঁৰ মিগ-২৯ বিমানখন ধ্বংস হয়। সেই আক্ৰমণতে নিহত হয় ‘কিয়েভৰ ভূত’। যুদ্ধৰ প্ৰথম দিনাই মেজৰ তাৰাবালকাই ৰুছ বাহিনীৰ ছখন যুদ্ধবিমান অকলেই গুলি কৰি ধ্বংস কৰিছিল। ইউক্ৰেইন চৰকাৰে তেওঁক ‘গাৰ্ডিয়ান এঞ্জেল’ বুলি অভিহিত কৰে। অৱশ্যে সেই সময়ত তেওঁৰ পৰিচয় গোপনে ৰাখিছিল ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ’ল’ডিমিৰ জেলেন’স্কিয়ে। ‘ঘোষ্ট অৱ কিয়েভ’ বুলিয়ে তেওঁৰ পৰিচয় প্ৰকাশ পায়। এজন দক্ষ সেনাক শত্ৰুপক্ষৰ দৃষ্টিৰ পৰা বচাই ৰখাৰ বাবেই এই ধৰণৰ কাল্পনিক নাম এটা যুক্ত কৰি দিয়া হৈছিল। অকলেই ৰুছ বাহিনীৰ নিদ্ৰা হৰণ কৰিছিল ‘ঘোষ্ট অৱ কিয়েভ’-এ। ইউক্ৰেইন চৰকাৰৰ তৰফৰ পৰা ‘ঘোষ্ট অৱ কিয়েভ’ৰ কে’বাটাও ভিডিঅ’ প্ৰকাশ কৰা হয়। অৱশ্যে ৰাছিয়াই দাবী কৰে যে নিজৰ সেনাৰ মনোবল বৃদ্ধি কৰাৰ বাবেই ‘ঘোষ্ট অৱ কিয়েভ’ৰ নামত কাল্পনিক চৰিত্ৰৰ ভিডিঅ’ প্ৰকাশ কৰিছে ইউক্ৰেইনে। যদিও ইউক্ৰেইনে সেই দাবী নস্যাৎ কৰিছিল। তেতিয়া টুইটাৰত ইউক্ৰেইন চৰকাৰে দাবী কৰিছিল, ‘২০২২ৰ ফেব্ৰুৱাৰীত ৰুছ আক্ৰমণৰ প্ৰথম ৩০ ঘণ্টাৰ ভিতৰতে ৰাছিয়াৰ ছখন যুদ্ধবিমানক গুলি কৰি নমাইছিল ‘ঘোষ্ট অৱ কিয়েভ’-এ। লগতে ২৬ ফেব্ৰুৱাৰী পৰ্যন্ত ১০খন সামৰিক বিমান ধ্বংস কৰে।’ ইউক্ৰেইন চৰকাৰে টুইটত লগতে লিখিছিল, ‘(আকাশপথৰ যুদ্ধত) ওস্তাদ বিমানচালক হ’ব লাগিলে কমেও পাঁচখন যুদ্ধবিমান ধ্বংস কৰাটো বাঞ্ছনীয়। অথচ ‘ঘোষ্ট অৱ কিয়েভ’-এ তাৰ দ্বিগুণ সংখ্যক বিমানক গুলি কৰি মাটিলৈ নমাইছে।’

এই অদম্য সাহসিকতাৰ বাবে ইউক্ৰেইনৰ শ্ৰেষ্ঠ সাহসিকতাৰ বঁটা ‘অৰ্ডাৰ অৱ দ্য গ’ল্ডেন ষ্টাৰ’ সন্মান দিয়া হয় মেজৰ তাৰাবালকাক। মৃত্যুৰ পাছত তেওঁক এই সন্মান প্ৰদান কৰে ইউক্ৰেইন চৰকাৰে। ‘দ্য টাইম’ কাকতৰ প্ৰতিবেদনত কোৱা হৈছে যে পশ্চিম ইউক্ৰেইনৰ সৰু গাঁও কৰোলিভকাত অতি সাধাৰণ পৰিয়াল এটাত জন্ম ‘ঘোষ্ট অৱ কিয়েভ’ৰ। শৈশৱৰ পৰাই পাইলট হোৱাৰ ইচ্ছা আছিল তাৰাবালকাৰ। গাঁৱৰ ওপৰেদি কেতিয়াবা গৰ্জন কৰি উৰি গৈছিল যুদ্ধবিমান। সেইবোৰ বিমান দেখিয়েই তেওঁৰ পাইলট হোৱাৰ বাসনা প্ৰৱল হৈ পৰিছিল। মেজৰ তাৰাবালকাৰ পিতৃ-মাতৃ এতিয়াও জীৱিত। তেওঁৰ পত্নীৰ নাম অ’লেনিয়া। একমাত্ৰ সন্তান আঠ বছৰৰ পুত্ৰ য়াৰিক। তাৰাবালকাই খাৰকিভ জাতীয় বিশ্ববিদ্যালয়ত পঢ়িছিল।

তাৰাবালকাৰ মাতৃ নাটালিয়াই কয়, ‘বায়ুসেনাৰ যেতিয়া অনুশীলন চলিছিল, তাৰাবালকাই তেতিয়া একেথৰে আকাশলৈ চাই থাকিছিল। পেৰাট্ৰুপাৰকলে নমা ঠাইলৈ প্ৰায়েই দৌৰি গৈছিল। ল’ৰাটোৱে শৈশৱৰ পৰাই আকাশত উৰাৰ সপোন দেখিছিল। মেঘৰ স’তে খেলা কৰাৰ সপোন দেখিছিল সি।’ আনহাতে, মেজৰ তাৰাবালকাৰ পিতৃ ইভানে কয়, ‘তাৰাবালকাক ক’লৈ পঠোৱা হৈছে সেই সম্পৰ্কে আমি একো জনা নাছিলো। কেৱল জানিছিলো যে তাক যুদ্ধলৈ পঠোৱা হৈছে; কিন্তু সি আৰু ঘূৰি নাহিল। মাত্ৰ এইখিনি তথ্যহে আমাৰ হাতত আছে।’ মাতৃ নাটালিয়াই পুনৰ কয়, ‘তাৰবালকা নিজৰ প্ৰচেষ্টাতে পাইলট হৈছিল। সি যাতে নিজৰ লক্ষ্যত উপনীত হ’ব পাৰে, আমি কেৱল সেয়াই কৰিছিলো। আজি তাৰ মৃত্যুৰ পাছত সাহসিকতাৰ সৰ্বোচ্চ সন্মান আগবঢ়োৱা হৈছে। যদিও এই সন্মান সি বহু আগতেই পাইছে।’



# উগাৰ মাৰিয়ে পৃথিৱী উত্তপ্ত কৰিছে গৰুৱে

## সকাহ দিবলৈ বিশেষ যন্ত্ৰ আৱিষ্কাৰ কৰিলে বিজ্ঞানীয়ে

**নিউজ ব্যুৰ’**
**লণ্ডন, ৩০ এপ্ৰিল ঃ** গৰুৰ বাবেই ক্ৰমাৎ বৃদ্ধি পাইছে বায়ুমণ্ডলৰ উষ্ণতা। আচৰিত হ’লেও এই বিষয়টো প্ৰমাণিত হৈছে। পৃথিৱীখন যে ক্ৰমাৎ উত্তপ্ত হৈ আছে, সেয়া কোনো নতুন কথা নহয়। গোলকীয় উষ্ণতাক কেন্দ্ৰ কৰি পৰিৱেশবিদসকলো উদিগ্ন হৈ পৰিছে। এই গোলকীয় উষ্ণতাৰ অন্তৰালত থকা অন্যতম কাৰক হৈছে মিথেন গেছ। এই মিথেন গেছৰে অন্যতম উৎস হৈছে গৰুৰ দৰে পোহনীয়া জন্তু। গৰুৰ উগাৰত নিৰ্গত হোৱা বিষাক্ত মিথেন গেছ মিহলি হৈ পৰিছে বায়ুমণ্ডলত। সম্প্ৰতি এই সমস্যাৰ পৰা ৰেহাই পোৱাৰ বাবেই এবিধ নতুন যন্ত্ৰ আৱিষ্কাৰ কৰিলে ব্ৰিটেইনৰ এদল বিজ্ঞানীয়ে। এই যন্ত্ৰ দেখি ৰাজকুমাৰ চাৰ্লছো মুগ্ধ হৈ পৰিছে।

জেল্প নামৰ এটা কোম্পানীয়ে নিৰ্মাণ কৰিছে এই বিশেষ যন্ত্ৰটো। যন্ত্ৰটো দেখাত মাস্কৰ দৰে। তাৰ ভিতৰত এনে এক যন্ত্ৰ আছে, যি গৰুৱে উগাৰ মাৰোতে নিৰ্গত হোৱা মিথেন গেছ বন্দী কৰি ৰাখে। যন্ত্ৰৰ ভিতৰতে সেই মিথেন গেছ ৰূপান্তৰিত হয় কাৰ্বন ডাই-অক্সাইড আৰু জলীয় বাষ্পলৈ। ফলত মিথেনজনিত প্ৰদূষণৰ পৰা ৰেহাই পোৱা যায়। দেখা গৈছে যে গৰুৱে যিমান মিথেন গেছ নিঃসৰণ কৰে, তাৰ ভিতৰত ৯৫ শতাংশই নিঃসৃত হয় মুখ আৰু নাকৰ ফুটাৰে। জেল্প নামৰ কোম্পানীটোৱে দাবী কৰিছে যে ইয়াৰ ফলত ৫৩ শতাংশ মিথেন নিঃসৰণ হ্ৰাস পোৱাটো পৰীক্ষাত দেখা গৈছে। তেওঁলোকে দাবী কৰে যে এই গতি অব্যাহত থাকিলে আগন্তুক বছৰৰ ভিতৰতে এই হাৰ ৬০ শতাংশলৈ বৃদ্ধি পাব। ইতিমধ্যেই ব্ৰিটেইনৰ সবাতোকৈ বৃহৎ মাংস উৎপাদনকাৰী কোম্পানীৰ স’তে জেল্পে জোঁট বান্ধিছে। ইয়াৰ উদ্দেশ্য হৈছে তেওঁলোকৰ যন্ত্ৰটো পৰীক্ষা কৰি চোৱা।

এই আৱিষ্কাৰ দেখি সম্প্ৰতি ৰাজকুমাৰ চাৰ্লছো মুগ্ধ হৈ পৰিছে। কিছুদিনৰ পূৰ্বে তেওঁ ৰয়েল কলেজ অৱ আৰ্টলৈ গৈছিল। তাতেই চাৰ্লছে এই আচৰিত যন্ত্ৰটো দেখা পায়। নিজৰ উচ্ছ্বাস প্ৰকাশ কৰি ৰাজকুমাৰে কয় যে পৰিৱেশ প্ৰদূষণ আৰু গোলকীয় উষ্ণতাৰ স’তে মোকাবিলাত সামান্য সময়ৰ ভিতৰতে সাফল্য পাবলৈ হ’লে এই ধৰণৰ উদ্ভাৱন অত্যন্ত জৰুৰী। তেওঁ কয়, ‘মই এই কোম্পানীটোক সম্ভাব্য সমস্ত সাফল্যৰ বাবে আগতীয়াকৈ অভিনন্দন জনাইছো। অনেক অভিনন্দন।’



*মহানগৰীত শৰীৰ চৰ্চা প্ৰতিযোগিতাৰ বিজয়ী সুজিৎ বড়ো।*

# পেট্ৰ’লৰ মূল্যবৃদ্ধিৰ প্ৰকোপত মটৰ চাইকেল বিক্ৰী কৰি কিনিলে ঘোঁৰা

**অগ্ৰদূত বাৰ্তা**
**মুছলপুৰ, ৩০ এপ্ৰিল ঃ** মুছলপুৰত পেট্ৰ’লৰ মূল্যবৃদ্ধিৰ বাবে মটৰ চাইকেল বিক্ৰী কৰি কিনিলে ঘোঁৰা। অভাৱনীয় হাৰত পেট্ৰ’লৰ মূল্যবৃদ্ধি হোৱাৰ বাবে নিজৰ মটৰ চাইকেলখন বিক্ৰী কৰি অৱশেষত ঘোঁৰা ক্ৰয় কৰিলে বাগ্‌সাৰ এজন লোকে। বাগ্‌সাৰ কালপানীৰ চেলেন্ধ বসুমতাৰীয়ে মটৰ চাইকেল বিক্ৰী কৰি ১৫ হেজাৰ টকাত জিলাখনৰে আনন্দ বজাৰৰ পৰা ঘোঁৰা এটা ক্ৰয় কৰে। অৱশ্যে নিজৰ সপোনো আছিল এটা ঘোঁৰা কিনাৰ। কিনিম কিনিম বুলি ভাবি থাকোতে কিন্তু দিনক দিনে পেট্ৰ’লৰ মূল্যবৃদ্ধি হোৱাত তেওঁৰ সপোনে কিছু আগতীয়াকৈ বাস্তৱ ৰূপ পালে। তেওঁ এসপ্তাহ পূৰ্বে এটা ঘোঁৰা কিনিলে। এতিয়া ঘোঁৰাত উঠি বিভিন্ন অঞ্চলত ভ্ৰমণ কৰে। হাট বজাৰ কৰাত সুবিধা হৈছে। নিজৰ ইচ্ছা অনুযায়ী বিভিন্ন অঞ্চলত পৰিদৰ্শন কৰে বসুমতাৰীয়ে। বসুমতাৰীয়ে সাংবাদিকক কয়, ‘দিনক দিনে পেট্ৰ’লৰ মূল্যবৃদ্ধি হোৱাত মোৰ দৰে সাধাৰণ লোকৰ বৰ অসুবিধা হৈছে। ক’ৰবালৈ যাম বুলি ভাবিলেই দুশ টকাৰ তেল ভৰাব লাগে। চৰকাৰৰো যেন পেট্ৰ’লৰ মূল্যবৃদ্ধিত হাত নাই। সকলো নিঃসহায় হৈ বহি থাকে। যাৰ ফলত সাধাৰণ লোক নিগমে মৰে। সকলো ভাবি চিন্তি মই এটা ঘোঁৰা কিনিলো। নাম ৰাখিলো বিক্ৰম সিং। মই পেট্ৰ’ল-ডিজেলৰ স’তে মুকলি চেলেঞ্জ কৰিছো। এতিয়া মোৰ তেলৰ চিন্তা বাদ। এতিয়া ঘোঁৰাত উঠি খট খট শব্দ কৰি দিহিঙে দিপাঙে ঘূৰি ফুৰো। মোৰ দেহাও যিহেতু অসুস্থ গতিকে তীব্ৰ বেগত ঘোঁৰা দৌৰিব নিদিও।



# নুমলীগড়ত দুৰ্বৃত্তৰ গুলিত গাভিনী হাতীৰ মৃত্যু ঃ অভিযুক্তক শাস্তিৰ দাবী

## পেট কাটি চিকিৎসকে উলিয়ালে পূৰ্ণাংগ পোৱালি

**অগ্ৰদূত বাৰ্তা**
**নুমলীগড়, ৩০ এপ্ৰিল ঃ** গোলাঘাট বনসংমণ্ডলৰ অন্তৰ্গত বকিয়াল খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত তিনি নম্বৰ ৰংবঙৰ জেকছন গ্ৰাউণ্ডত যোৱা নিশা দুৰ্বৃত্তৰ গুলিত এজনী গাভিনী বন্যহস্তীয়ে মৃত্যুক আঁকোৱালি লোৱাৰ ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, যোৱা নিশাও প্ৰায় ১৫-২০ জনীয়া এটা বন্যহস্তীৰ জাকে তিনি নম্বৰ ৰংবঙৰ জেকছন গ্ৰাউণ্ড অঞ্চলত প্ৰৱেশ কৰে। নিশা প্ৰায় দুই বজাত বন্যহস্তীৰ জাকটোৱে কাষতে থকা গুটিবাৰী বনাঞ্চলৰ পৰা ওলাই অহাৰ সম্ভেদ লাভ কৰি লাজৰাছ কেৰকেটাই নামৰ লোকজনে পৰিয়ালসহ নিজৰ বাসগৃহ ত্যাগ কৰি কাষৰ এঘৰত আশ্ৰয় লয়। ইয়াৰ পাছতে বন্যহস্তীৰ জাকটোৱে আহি লাজৰাছৰ গুটিবাৰী বনাঞ্চলৰ কাষতে থকা বাসগৃহটো চাৰিওদিশৰ পৰা বেৰি ধৰে যদিও হাতীৰ জাকটোৱে ঘৰ ভঙাৰ পৰা বিৰত থাকে। কিন্তু এই সময়ছোৱাত হাতীৰ জাকটোৱে চিঞৰি এক জয়াল পৰিৱেশৰ সৃষ্টি কৰিছে বুলি সদৰী কৰিছে গাঁওখনৰে যুৱক ৰ’চন কল্লোৱে। তেওঁ কয় যে বহু সময় ধৰি হাতীয়ে উক্ত স্থানত বিচৰণ কৰে যদিও পৰৱৰ্তী সময়ত সেই স্থান ত্যাগ কৰাত গাঁওবাসীয়ে ঘৰাঘৰি হয়। ইয়াৰ পাছতে আজি পুৱা প্ৰায় চাৰে পাঁচবজাত স্থানীয় লোকে কাষৰে পথাৰত এজনী বন্যহস্তীৰ শৱদেহ প্ৰত্যক্ষ কৰে। লগে লগে সচেতন যুৱক ৰ’চন কল্লোৱে বকিয়াল খণ্ড বন কাৰ্যালয়ত অৱগত কৰে। বনকৰ্মীৰ দলে ঘটনাস্থলীত পুৱা ৮-৩০ বজাত উপস্থিত হৈ বন্যহস্তীটোৰ মৃতদেহ প্ৰত্যক্ষ কৰে। পাছত মৃত হাতীটোৰ মূৰত চাৰিটাকৈ গুলিৰ চিন পৰিলক্ষিত হয়। কোনো দুৰ্বৃত্তই গুলিচালনা কৰাৰ ফলতে হাতীটোৱে গুলিবিদ্ধ হয়। কৰুণ মৃত্যুক আঁকোৱালি লোৱাৰ কথা হাতীটোৰ মৰণোত্তৰ পৰীক্ষাত স্পষ্ট হৈ পৰে। এই সন্দৰ্ভত বন বিভাগে সদৰী কৰা মতে, হস্তনিৰ্মিত বন্দুকৰ গুলিৰে গুলিওৱাৰ ফলত হাতীজনীয়ে মৃত্যুক আঁকোৱালি লয়। ইপিনে, আজি হাতীটোৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে অহা পশু চিকিৎসকৰ দলে নমুনা সংগ্ৰহ কৰোতে হাতীটো গাভিনী বুলি জ্ঞাত হয়। লগে লগে হাতীজনীৰ পেট ফালি এটা পূৰ্ণাংগ মৃত পোৱালি উদ্ধাৰ কৰে। ইয়াৰ পাছতে মাক আৰু পোৱালিটোৰ শেষকৃত্য সম্পন্ন কৰা হয়। ইপিনে, হাতীটো গাভিনী থকা বুলি এই খবৰ বিয়পি পৰাৰ লগে লগে হাতীটো চাবলৈ শ শ লোকে চাবলৈ ভিৰ কৰা পৰিলক্ষিত হয়। বহুলোকে শোক প্ৰকাশ কৰাৰ লগতে আন বহুতে হাতীটোৰ শৱদেহত ফুল-ধূপ দি সেৱা জনায়। উল্লেখ্য যে মূৰত চাৰিটাকৈ গুলিৰ চিন স্পষ্ট হৈ থকা হাতীটো দুৰ্বৃত্তৰ গুলিচালনাতে মৃত্যু হোৱা বুলি বন বিভাগে সদৰী কৰিছে। এই ক্ষেত্ৰত হত্যাকাৰীক তদন্ত ক্ৰমে গ্ৰেপ্তাৰ কৰি উপযুক্ত শাস্তি প্ৰদানৰ দাবী জনাইছে স্থানীয় ৰাইজে।

# নগাঁৱৰ ভাস্কৰ্য শিল্পীয়ে নিৰ্মাণ কৰিলে ৰতন টাটাৰ প্ৰতিমূৰ্তি

## সামাজিক মাধ্যমত উপলব্ধ প্ৰতিমূৰ্তিৰ ছবি প্ৰকাশ কৰিলে শীৰ্ষ উদ্যোগপতিজনে



**বিশেষ সংবাদদাতা**
**নগাঁও, ৩০ এপ্ৰিল ঃ** স্বাস্থ্য সেৱাৰ নামত অহোপুৰুষাৰ্থ কৰা টাটা ট্ৰাষ্টৰ অধ্যক্ষ ৰতন টাটাৰ মানৱ দৰদী কাৰ্যই অন্তৰ জয় কৰা নগাঁৱৰ এজন ভাস্কৰ্য শিল্পীয়ে নিৰ্মাণ কৰি উলিয়াইছে তেওঁৰ এটি প্ৰতিমূৰ্তি। যোৱা ২০ নৱেম্বৰতে ভাস্কৰ্য শিল্পীজনে ৰতন টাটাৰ প্ৰতিমূৰ্তিটো নিৰ্মাণ সম্পূৰ্ণ কৰি তাৰ ফটো সামাজিক মাধ্যম যোগে প্ৰচাৰ কৰিছিল। শেহতীয়াকৈ শিল্পীগৰাকীয়ে ফেচবুকৰ পেজত আপলোড কৰা টাটাৰ প্ৰতিমূৰ্তিৰ ফটোখন টাটাই শ্বেয়াৰ কৰাত তেওঁ অধিক উৎফুল্লিত হৈ পৰিছে। টাটাৰ মানৱ দৰদী কাৰ্যাৱলীয়ে মন ছুই যোৱা বাবেই তেওঁক সন্মান জনাবলৈকে আঢ়ৈ মাহ অশেষ কষ্ট কৰি ভাস্কৰ্য শিল্পীজনে চিমেন্টৰে নিৰ্মাণ কৰি উলিয়াইছে টাটাৰ সুন্দৰ প্ৰতিমূৰ্তিটো। এই ভাস্কৰ্য শিল্পীজনৰ নাম ৰাজীৱ শইকীয়া। নগাঁও জিলাৰ বঢ়মপুৰৰ হালোৱাগাঁৱৰ ভাস্কৰ্য শিল্পী ৰাজীৱ শইকীয়া পেছাত শিক্ষক। তেওঁ বঢ়মপুৰ জ্ঞানদ্বীপ জাতীয় বিদ্যালয়ত শিক্ষকতা কৰে। ভাস্কৰ্য শিল্পীগৰাকীয়ে ৰতন টাটাৰ এক কংক্ৰিটৰ মূৰ্তি নিৰ্মাণ কৰাৰ পূৰ্বে তিনি শতাধিক বিভিন্ন প্ৰতিমূৰ্তি আৰু ভাস্কৰ্য নিৰ্মাণ কৰিছে। শইকীয়াই সদৰী কৰা মতে, তেওঁ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি, ৰাধা-কৃষ্ণৰ মূৰ্তি, নামঘৰৰ শংকৰী সংস্কৃতিৰ বিভিন্ন ভাস্কৰ্য তৈয়াৰ কৰিছে। তদুপৰি এবাৰ তেওঁ শিলত ১.২ ছেন্টিমিটাৰ উচ্চতাত গণেশ মূৰ্তি নিৰ্মাণ কৰি এক অভিলেখো গঢ়িবলৈ সক্ষম হৈছিল। প্ৰতিমূৰ্তিটো তেওঁ টাটাক গতাবলৈ আগ্ৰহী। প্ৰতিমূৰ্তিটো তেওঁক উপহাৰ স্বৰূপে দি তেওঁ অসমবাসীৰ হৈ টাটাক কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720



# ইংৰাজ আমোলত জাহাজ ডুব যোৱা অংশতো নিৰ্মাণ

## মৰাভৰলীৰ অস্তিত্ব বিপন্ন

# তেজপুৰত ভূমি কেলেংকাৰিৰ নতুন অধ্যায়

**ষ্টাফ ৰিপ’ৰ্টাৰ**
**তেজপুৰ, ৩০ এপ্ৰিল ঃ** এসময়ত গোঁসাই ঘাট, গোধৰা ঘাটকে ধৰি বহুকেটা ঘাটৰে জলপৰিবহণ ব্যৱস্থাৰে সমৃদ্ধ জীয়াভৰলী নৈৰ সুঁতিটো মৰাভৰলীলৈ ৰূপান্তৰিত হোৱাৰ পাছতে এই নৈখনৰ বুকুৰ ভূমিৰ ক্ষেত্ৰত যে কিমানগৰাকী ওলাল তাৰ কোনো হিচাপ নাই। বিগত ২২ বছৰে এই মৰাভৰলীৰ বুকুৰ ভূমি আচৰিত ধৰণে ম্যাদী পট্টাৰ ভূমিলৈ পৰিৱৰ্তিত হোৱাৰ উপৰি ইয়াত বেদখল, কৃষি তথা শিল-বালি খননৰ কামো ব্যাপকভাৱে বৃদ্ধি পালে। বৰ্তমানৰ জীয়াভৰলীৰ পৰা ব্ৰহ্মপুত্ৰ পৰ্যন্ত প্ৰায় ২৯ কিলোমিটাৰ অঞ্চল বৰ্তমানেও শীৰ্ণৰূপত বৈ থকা মৰাভৰলীৰ বুকুৰে ইংৰাজৰ আমোলত যন্ত্ৰচালিত নাও তথা জাহাজো চলাচল কৰিছিল আৰু এনে এক জাহাজ ডুব যোৱাৰ বাবেই মৰাভৰলীৰ এক অংশ জাহাজ ডুবা হিচাপেই বৰ্তমান পৰিচিত। কিন্তু এখন প্ৰবহমান নৈৰ অধিকাংশ ভূমিয়েই বৰ্তমান বহু লোকৰ দখলত আৰু ইয়াৰে বৃহৎ অংশ ইতিমধ্যেই ম্যাদী ভূমিলৈ পৰিৱৰ্তিত হৈছে।

কিন্তু যোৱা ২২ বছৰৰ ভিতৰত হোৱা এনে বহু ঘটনাৰ তদন্ত চৰকাৰে নকৰাত বৰ্তমান বাৰিষা বৃহত্তৰ অঞ্চলৰ বহুপৰিমাণৰ পানী ব্ৰহ্মপুত্ৰলৈ ওলাই যোৱা মৰাভৰলীৰ অস্তিত্বই বিপন্ন কৰি বিভিন্ন সংস্থানত পুতি থকাৰ লগতে বৃহৎ নিৰ্মাণ কাৰ্য অব্যাহত আছে। উল্লেখ্য যে মৰাভৰলীৰ মাছ অতি সোৱাদ যুক্ত বুলি সৰ্বজনবিদিত। তদুপৰি জাহাজ ডুবা অঞ্চলৰ বৰালীকে ধৰি অন্যান্য মাছ আৰু অধিক সোৱাদযুক্ত বুলিও নাম আছে। ইংৰাজৰ আমোলত জাহাজ ডুব যোৱা অংশটো বৰ্তমান এক টিলাৰ দৰে হৈ আছে মৰাভৰলীৰ বুকুত আৰু ইয়াত খনন চলালে বৰ্তমানেও সেই জাহাজৰ অৱশেষ লাভ কৰাটো সম্ভৱ বুলি ৰাইজে মন্তব্য কৰিছে। যোৱা সময়ছোৱাত ২০-২৫ বছৰ পূৰ্বে তেজপুৰলৈ আহি ইয়াত নিগাজি হোৱা লোকেও আনকি ৫০-৬০ বছৰ পূৰ্বৰে পৰাই মৰাভৰলী নৈৰ বুকুৰ মাটি তেওঁলোকৰ ম্যাদী ভূমি বুলি নথিপত্ৰ সংগ্ৰহ কৰিবলৈ সক্ষম হোৱা ঘটনাই এই জালিয়াতিৰে অতীতৰে পৰাই যে তেজপুৰ সদৰ ৰাজহ চক্ৰৰ বিষয়াৰ কাৰ্যালয় জড়িত সেয়া স্পষ্ট কৰে। ৰাজনৈতিক প্ৰভাৱ, ধনৰ বলত নিশাৰ ভিতৰতে এখন নৈৰ বুকু ম্যাদীপট্টাৰ ভূমিলৈ সলনি হোৱা ঘটনাৰ বিপৰীতে তেজপুৰ চহৰৰ গাতে লাগি থকা মৰাভৰলীক লৈ চৰকাৰীভাৱে বৃহৎ আৰু বহুমুখী প্ৰকল্প গ্ৰহণৰ সুযোগ থকা সত্ত্বেও সেয়া উপেক্ষা কৰি অহা হ’ল। পৰিণতিত বৰ্তমান আচৰিতভাৱে মৰাভৰলী নৈৰ বুকুত এফালে জধে-মধে বালি আৰু মাটিৰ খনন চলিছে, এফালে পুখুৰী খন্দোৱা হৈছে আৰু একো একোটা অংশত এতিয়া নৈখন পুতি ইয়াত বিভিন্ন নিৰ্মাণ কাৰ্য চলোৱা হৈছে। কিন্তু এইবোৰ সকলো দেখিও প্ৰশাসনে বা সংশ্লিষ্ট চৰকাৰী বিভাগে হাত সাবটি বহি আছে কাৰণ ইতিমধ্যেই নৈখনৰ বুকু একাংশ লোকৰ মাজত ক্ৰয়-বিক্ৰয় হৈ গৈছে।

এখন নৈৰ মাটি আচৰিতভাৱে ক্ৰয়-বিক্ৰয় হোৱাৰ ক্ষেত্ৰত চৰকাৰীভাৱে কোনো সময়তে গুৰুত্ব নিদিয়াত দিছপুৰত যিকোনো দলৰ চৰকাৰ গঠন হ’লেও একেখিনি লোকেই প্ৰতিখন চৰকাৰৰে আপোন হৈ এনে দুষ্কাৰ্য চলাই গৈছে। সম্প্ৰতি পৰোৱা দৈনিক বজাৰৰ সমীপৰে তথা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষতে মৰাভৰলীৰ বুকুৰ এটা বৃহৎ অংশ পুতি পেলোৱা হৈছে। এই অংশৰ পৰা নাতিদূৰতে আকৌ বালিৰ খনন চলোৱাৰ উপৰি পুখুৰী খান্দিছে আন একাংশই।

আনহাতে, ঐতিহাসিক জাহাজ ডুবাৰ টিলাসহ নৈখনৰ বুকু আচৰিতভাৱে ম্যাদীভূমিলৈ পৰিৱৰ্তিত হোৱাৰ লগতে বৰ্তমান ইয়াত বৃহৎ নিৰ্মাণ কাৰ্য চলি আছে। কমিচনৰাজৰ উৰ্বৰ ক্ষেত্ৰ আৰু একাংশ বিভাগীয় বিষয়াৰ বাবে ফ্লেটকে ধৰি সম্পত্তি ক্ৰয়ৰ উৰ্বৰ ভূমিত পৰিণত হোৱা তেজপুৰ বৰ্তমান একাংশ ৰাজনৈতিকভাৱে আশিস ধন্য লোকৰ বাবে ব্যক্তিগত সম্পত্তিৰ দৰেই হৈ পৰিছে আৰু মাজে সময়ে চৰৱকাৰক সাহায্য আদিও দি এনে নোহোৱা-নোপজা কাম কৰি যাবলৈ সক্ষম হৈছে। উল্লেখ্য যে এসময়ৰ জীয়াভৰলী নৈৰ এক বোঁৱতী সুঁতি তথা বৰ্তমানৰ মৰাভৰলী নৈৰ বক্ষ কেনেদৰে বহুলোকৰ ম্যাদীভূমি হ’ল তাৰ এক উচ্চ পৰ্যায়ৰ তথা শক্তিশালী তদন্ত কৰিলে এতিয়াও বহু ৰহস্য উদ্‌ঘাটন হ’ব য’দিও সমগ্ৰ বিষয়টো মেকুৰীৰ ডিঙিত টিলিঙা কোনে আঁৰিব লেখীয়া হৈ পৰিছে।

# নিজম পৰিল ফংআৰি ক্ষেত্ৰ, দ’মাহী ৰং আজেৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**সোণাপুৰ, ৩০ এপ্ৰিল ঃ** কাৰ্বি জনগোষ্ঠীয় নৃত্য-গীতেৰে আজি মুখৰিত হৈ পৰিল সোণাপুৰৰ ফংআৰি ক্ষেত্ৰ। উল্লেখ্য যে ভৈয়াম কাৰ্বিসকলৰ স্বকীয় কলা-সংস্কৃতি, খাদ্য সম্ভাৰ, অধুনালুপ্ত খেল-ধেমালি আদিক নৱ-প্ৰজন্মৰ মাজত চা-চিনাকিৰ লগতে বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰে কালিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হয় ২০ সংখ্যক দ’মাহী ৰং আজে উৎসৱ। কাৰ্বি কালচাৰেল ছ’চাইটি আৰু উৎসৱ আদৰণি সমিতিৰ উদ্যোগত অনুষ্ঠিত উৎসৱৰ আজি আছিল দ্বিতীয় তথা সামৰণি দিন। এই উপলক্ষে আজি বিয়লি মূৰিক কিবুত তথা কালি বজোৱা প্ৰতিযোগিতাৰে অনুষ্ঠানৰ পাতনি মেলা হয়। ইয়াৰ পাছতে অনুষ্ঠিত হয় বাৰেৰহণীয়া দ’মাহী কিকান প্ৰতিযোগিতা। প্ৰতিযোগিতাত ৰাজ্যৰ লগতে চুবুৰীয়া মেঘালয়ৰ কে’বাটাও প্ৰতিযোগী দলে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানত ডিমৰীয়া ৰজা হলি সিং ৰংহাং, অসম ভৈয়াম কাৰ্বি আদৰবাৰৰ সভাপতি অজিত কাথাৰ, প্ৰাগনিউজৰ স্বত্বাধিকাৰী সঞ্জীৱ নাৰায়ণ, টাই-আহোম যুৱ পৰিষদৰ সভাপতি দিলীপ গগৈ, এনডিএফ বিৰ প্ৰাক্তন সেনাধ্যক্ষ সংবিজিত ইংতি, তিৱা পৰিষদৰ মুখ্য কাৰ্যবাহী জীৱন কোঁৱৰ, কেচিএছৰ সম্পাদক বীৰেণ টুমুং, কামৰূপ মহানগৰ জিলা পৰিষদৰ সভানেত্ৰী শিৰোমণি কোঁৱৰ প্ৰমুখ্যে বিশিষ্ট লোকসকল উপস্থিত থাকে। ইফালে, দ’মাহী উপলক্ষে পৰম্পৰাগত সাজপাৰ আৰু খাদ্য বিপণীসমূহে ৰাইজৰ সমাদৰ লাভ কৰা পৰিলক্ষিত হয়। একেদৰে স্বকীয় সাজপাৰ পৰিধানেৰে কাৰ্বি আৱাল বৃদ্ধ-বনিতাই ফংআৰিত উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি কৰে।



**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com